# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ৪/৩/২০২৫ মঙলবাৰ**

---

**ইংৰাজী ০৪-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ৩০ বজাত মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬১, শ্ৰী আশ্ৰাফুল হুছেইন। মাননীয় মন্ত্ৰী ।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্ন বিত্ত বিভাগৰ আছিল আৰু বিত্ত বিভাগত আমি চৰকাৰে যি ঋণ লৈ আছে, সেই ঋণ আৰু ব্যয় সম্পৰ্কে আমি প্ৰশ্ন সুধিছিলো। মাননীয় অধ্যক্ষ মহোদয় আমি technical কথা বতৰা বিলাক বুজি নাপাওঁ, এজন Layman হিচাবে বা বিশেষ ইয়াৰ গভীৰতালৈ নগৈ যিখিনি কথা উপলব্ধি কৰিছো কম সময়ত, কেৱল মহোদয় এই কথাটোৱে জানিব বিচাৰিছো যে এটা পৰিয়াল, পৰিয়ালত মুৰব্বী থাকে, পৰিয়ালত ভাই ককাই থাকে সকলোৱে মিলি যেতিয়া কেতিয়াবা ঋণ ল'ব, কেতিয়াবা সেই খিনিৰ জৰিয়তে উন্নয়ন হ'ব, আয় হ'ব, উপাৰ্জন হ'ব আৰু যেতিয়া সেই খিনি ভাগ বতৰাৰ কথা থাকিব, তেতিয়া সমানুপাতিক ভাৱে ভাই ককাইৰ মাজত ভাগ বতৰা হয়নে নহয়, এই সাধাৰণ কথাটোৱে মহোদয় মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, মই তাত স্পষ্ট ভাষাৰে ক'ব বিচাৰিছো, কাৰণ এই ঋণৰ কথাটো বহুতো চৰ্চা হৈ আছে. অসম বিধান সভাৰ মজিয়া আৰু অসম বিধান সভাৰ বাহিৰতো কেতিয়াবা আমি দেখা পাওঁ এই বিষয়টো চৰ্চা হয়। এই গোটেই কথাখিনি মই খোলোচা ভাবে এই বিধান সভাৰ মজিয়াৰ পৰা ক'ব বিচাৰিছো অধ্যক্ষ মহোদয় বিগত সময়ছোৱাত আমি যিখিনি লোণ লৈছিলো, সেই লোণ খিনিয়ে অসমক সামগ্ৰীক ভাবে উন্নয়ন কৰিবৰ কাৰণে লোৱা হৈছিল। বিধায়ক মহোদয়ে কৈছে যে এটা পৰিয়ালে লোন লয়, পৰিয়ালটো আগবাঢ়ি যাব লাগে আৰু সেই একেটা উদ্দেশ্যৰেই ৰাজ্যখন আগবাঢ়ি যাব লাগে, সামগ্ৰীক ভাবে ৰাজ্যখনৰ বিকাশ হ'ব লাগে। লোনটো খৰচ কৰা হয়, আমি capital expenditure বুলি কওঁ । মই সহজ ভাবে কৈছো যে capital expenditure আমি খৰচ কৰিছো আৰু আপুনি দেখিব বিগত সময়ছোৱাত প্ৰত্যেক বছৰেই অসমত capital expenditure বাঢ়িছে আৰু সেয়া যোৱা ২০২৩-২৪ বৰ্ষত প্ৰায় ২১ হাজাৰ কোটিলৈ আমি আনিবলৈ সক্ষম হৈছো। ইয়াৰ কাৰণে কি বুজাইছে যে সামগ্ৰীক ভাবে আজি ৰাজ্যখনৰ যি উন্নয়ন হ'ব লাগে, প্ৰত্যেকজন বিধায়কৰ সমষ্টিত মই এটা সৰু উদাহৰণ দিছো আৰু মই ইয়াত কিছু কাগজো লৈ আহিছো। মাত্ৰ ২২ ফেব্ৰুৱাৰী তাৰিখে নাবাৰ্ডে য়ে RIDF-৩০ ত আমাৰ অসমলৈ কিমানটা project দিছে। আপুনি চাব অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব যে তেওঁলোকে flood & erosion নাইকীয়া কৰিবৰ কাৰণে ২৮১.৬৭ কোটি টকা RIDF ৰ জৰিয়তে আমাৰ মাননীয় সদস্য সকলৰ প্ৰায়বোৰ সমষ্টিতে। sanction কৰি দিছে। আমাৰ মন্ত্ৰী ডাঙৰীয়া ইয়াতে আছে। কাৰণ এইটোৱে বুজাইছে আমি লোণ কিহত খৰচ কৰো? অসমৰ উন্নয়ন কাৰণে,

আমাৰ ৰাজ্যখনৰ উন্নয়নৰ কাৰণে, এই মই যিমানখিনি ইয়াত কাগজ আনিছো, গোটেইখিনি RIDF ৰ sanction য়ে আনিছো। আজি চাব ২৪ জানুৱাৰীত আমি sanction পালো, sanction of 63 nos. of PWD Projects. ইয়াৰ গোটেইখিনি অসমৰ ৮শ খন চাহ বাগিচাত, প্ৰত্যেকজন বিধায়কে পাইছে। ইয়াত কোনো ধৰণৰ তেনেকুৱা আমি চিন্তা চৰ্চ্চা কৰা নাই, বিৰোধী বা শাসকীয় দলৰ সম বিকাশ হ'ব লাগে। চাহ বাগিচাৰ যিবিলাক ৰাস্তা আছে সেই বিলাকৰ সমবিকাশ হ'ব লাগে। কাৰণ ৮ শ খন চাহ বাগিচাৰ ৰাস্তা বনাবৰ কাৰণে আমি নাবাৰ্ডৰ পৰা এতিয়ালৈকে প্ৰায় ৪ শ কোটি টকা ইতিমধ্যে sanction দিছো। অধ্যক্ষ মহোদয়, মই details ত নাযাওঁ, তেনেকুৱা দৃষ্টিভংগী নহয়। আমি সামগ্ৰীক ভাবে ইয়াত sanction for reconstruction of 12 nos. of rural bridge ৰ কথা আছে। ইয়াত যিমানখিনি মই sanction পাইছো, সমষ্টি ভিত্তিক আৰু সামগ্ৰীক ভাবে আমি এটা উদ্দেশ্য আৰু লক্ষ্য ৰাখিছো, আৰু তেনেধৰণে এই পুজিঁ বিলাক ৰখা হৈছে। গতিকে ইয়াত কোনো ধৰণৰ কথা নাই যে পৰিয়াল এটা যেনেকৈ স্বচ্ছল ভাবে থাকিলে ঘৰখনৰ সকলো ব্যক্তিৰে সমভাবে বিকাশ হ'ব লাগে, ৰাজ্যখনৰ সকলো অঞ্চলতে যাতে সমবিকাশ হয় আৰু তাৰ বাবে এই পুঁজি খিনি খৰচ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়,বাইদেউৱে খুব গুৰুত্বপূৰ্ণ দুটামান উদাহৰণ দিছে, ২৮১ কোটি টকা RIDF ৰ আঁচনি আৰু rural bridge ৰ ১১ হাজাৰ খন bridge ৰ উদাহৰণ দিছে। মই ক'ব বিচাৰিছো যে ২৪ হাজাৰ কোটি টকা ঋণৰ, ২০০, ৩০০ কোটি টকাৰ উদাহৰণে শেষ নহয়। মহোদয় rural bridge ৰ কথাটো সদনত মন্ত্ৰী মহোদয়াই উত্থাপন কৰিছে, আজি মই অতি স্পষ্ট ভাবে ক'ব বিচাৰো যে গোটেই অসমত ১০০০ খন bridge বনোৱাৰ target লোৱা হৈছিল আৰু তাৰ পৰা মোৰ সমষ্টিত কেৱল ৫ খন bridge আমি ভাগত পাইছো। কিন্তু বাকী সমষ্টি বিলাকত আমি দেখিছো, ক'ৰবাত ক'ৰবাত ১০ খনলৈকে sanction হৈছে। মহোদয় এইটো হ'ল discrimination ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি প্ৰশ্নটো কৰক। এইটো debate নহয়। আপুনি প্ৰশ্নটো কৰক আপুনি কি জানিব খুজিছে? আপোনাক supplementary ত কি লাগে? আপোনাক কি লাগে মাননীয় মন্ত্ৰী মহোদয়াই তাৰ উত্তৰ দিব।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয় ১ নংত আমি প্ৰশ্নটো আনিছিলো যে বিভাগ অনুযায়ী কি ধৰণে expenditure কৰা হ'ল। ইয়াৰ উত্তৰটো আমি পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ debate যদি নালাগে আৰু। এতিয়া আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয় মোক এক মিনিট সময় দিয়ক। এই discrimination ৰ কথাটো ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ যদি আপোনাৰ supplementary প্ৰশ্ন আছে সোধক। This is not debate, debate নহয়। এতিয়া আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমবিকাশ আৰু সমবিতৰণৰ কথা ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ please, please. মাননীয় সদস্য সদনৰ মৰ্য্যদাটো বজাই ৰাখক। এইটো প্ৰশ্নকালীন ঘন্টা।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক (চেঙা) ঃ** সকলো সমষ্টিৰ সম উন্নয়ন হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** please, please. এইখন সদন হয়। আপোনাৰ যদি প্ৰশ্ন আছে সোধক। যদি কিবা জানিবলগীয়া আছে মন্ত্ৰী ডাঙৰীয়ানীক সোঁধক। please sit down.

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** ছাৰ, যি অন্যায় হৈ আছে -----

**মাননীয় অধ্যক্ষ ঃ** discrimination বুলি কিবা শব্দ থাকে নেকি, আপোনাক কিহত discrimination কৰিছে? please sit down. You are suspended for Question Hour. Please leave the House. I already allowed him to ask the question but he has no question.He just want to criticize only. This is Question Hour. Everybody should know.

(শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক ডাঙৰীয়াক প্ৰশ্নকালীন ঘন্টাৰ বাবে সদনৰ পৰা বহিস্কাৰ কৰে)

(সদনত হুলস্থুল)

এতিয়া আব্দুল বাতিন খন্দকাৰ।

**শ্ৰীআব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত দশকটোত ৰাজ্যখনে ১২.৬ হাৰত বাৰ্ষিক বৃদ্ধিৰ হাৰ দেখুৱাইছে। এই সময়ছোৱাত ৰাজ্যখনৰ outstanding liability growth rate কিমান হ'ব, এইটো বাইদেউৱে ক'ব পাৰিব নেকি। ইয়াকে মই আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, website ত গোটেইখিনি পাবই। মই কেৱল ইয়াত আপোনালোকে যিখিনি বিচাৰিছিল গোটেইখিনি দিছো আৰু outstanding liability যিমানখিনি আছে আপোনালোকে website ত পাইয়ে যাব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬২। আমিনুল ইছলাম, কনিষ্ঠ। মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰীআমিনুল ইছলাম, কনিষ্ঠ (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিখিনি প্ৰশ্ন আছিল যে আমি ইয়াত পাইছো অসমৰ সৰ্বমুঠ ৩১খন জিলাত ১০৫ খন চহৰ আছে, আৰু দক্ষিণ শালমাৰা মানকাছাৰ জিলাত এখনো চহৰ নাই, এখনো municipality board নাই, আৰু আমাৰ এই কথাটোৰ জৰিয়তে এটা কথা ক'ব বিচাৰিছো যে আজি এখনো বোৰ্ড নথকাৰ কাৰণে আমাৰ জিলাখন, সদৰ কাৰ্য্যালয়খন এটা পঞ্চায়তৰ ভিতৰত আছে। ইয়াত উল্লেখ কৰিছে ফুলেশ্বৰ পঞ্চায়তত আছে। ইয়াত কোৱা হৈছে যে আজিলৈকে জিলাৰ ফালৰ পৰা কোনো ধৰণৰ প্ৰস্তাৱ পোৱা নাই। মই বিধায়ক হোৱাৰ পৰা তিনিবাৰ প্ৰস্তাৱ পঠাইছো। তিনিবাৰ চেঞ্চাচ কৰিবৰ কাৰণে ইয়াৰ পৰা অৰ্ডাৰ গৈছে। আজিলৈকে আমাৰ দক্ষিণ শালমাৰা মানকাছাৰত এখনো হোৱা নাই। মানকাছাৰত যিখন টাউন ১৯৭১ চনৰ চেঞ্চাচত আমাৰ এইটো চেঞ্চাচ টাউন হিচাবে কৰি আহিছে। যোৱা ৫৪ বছৰত আমাৰ যিমান চেনচাচ হৈছে প্ৰতিটো চেনচাচ চেনচাচ টাউন হিচাপত ডিক্লেয়েৰ হৈছে । আমাৰ কথা হ'ল যে, ইয়াত যিটো কোৱা হ'ল যে, মান কাছাৰৰ ডিষ্টিক্টৰ পৰা কোনোধৰণৰ প্ৰস্তাৱ অহা নাই । মই জনাত তিনিবাৰ প্ৰস্তাৱ আহিছে । মই নিজে অফিচাৰ বিলাকক পাৰ্চনেলী লগ কৰিছো যে কিহৰ কাৰণে হোৱা নাই । আমাৰ ইয়াত ১৫০ খন টাউন আছে । আমি ভাল পাইছো যে, - আজি ডিমা হাচাওত ৪ খন টাউন আছে । ডিমাহাচাওৰ পপুলেশ্যন হ'ল - ২,১৪,০০০ চামথিং আৰু ২০২৫ চনৰ ইষ্টিমেটমতে পপুলেশ্যন হ'ব ২,৪৬,০০০ , আনহাতে দক্ষিন শালমাৰা মানকাছাৰ জিলাত এটা সমষ্টি তাৰ পপুলেশ্যন হ'ল ৫,৫০,০০০ কিন্তু তাত আজিও এখন টাউন

নাই । আমাৰ আজি হাজাৰ হাজাৰ কোটি টকা চেংশ্যন হৈ আহি আছে .......... ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ মূল কোৱেশ্যনটো কৰক ।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ),মানকাছাৰ ঃ** আমাৰ কথাটো হ'ল ছাৰ, চৰকাৰে কেতিয়া আমাৰ মানকাছাৰ টাউনটো টাউন বুলি ডিক্লেয়েৰ কৰিব ? মানকাছাৰ টাউনটো ১৯৭১ চনৰ পৰা চিটিজেনশ্বীপ দেখুওৱা হৈছে কিন্তু টাইন ডিক্লেৰ হোৱা নাই । তাৰোপৰি আমাৰ দক্ষিন শালমৰা মানকাছাৰ জিলাৰ যিটো সদৰ এইটো কেতিয়া টাউনত অৰ্ন্তভূক্ত হ'ব ?

**শ্ৰীজয়ন্তমল্ল বৰুৱা, মন্ত্ৰী, গৃহ ও নগৰ উন্নয়ণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে যদি তেখেতে তেখেতৰ জিলাত টাউন বনাব বিচাৰিছে তেতিয়াহ'লে জিলা আয়ুক্তৰ জৰিয়তে আপুনি আবেদন বা প্ৰপোজেল পঠিয়াওক । মোৰ হাতত যিখিনি তথ্য আছে, এতিয়ালৈকে আমাৰ বিভাগে যদি আপুনি ক'ৰবাত বেলেগক দিছে মই নাজানো , আমাৰ বিভাগে জিলা আয়ুক্তৰ পৰা টাউন গঠনৰ কাৰণে পৌৰসভা গঠনৰ কাৰণে কোনো প্ৰস্তাৱ আমি বিভাগে পোৱা নাই । আপোনালৰ সেইটো কথা ক'বলৈ মই আনন্দ অনুভৱ কৰিম । যদি আপুনি টাউন বনাব বিচাৰে, আমিওতো বিচাৰি আছো । কেৱল টাউন বনাবৰ কাৰণে যিকেইটা ক্ৰাইটেৰীয়া ফুলফিল কৰিব লাগে সেইখিনি ফুলফিল কৰি দিয়ক আৰু আপুনি টাউন বিচাৰিছে আমি ভালেই পাইছো কাৰণ ভাৰত চৰকাৰেও আৰ্বানাইজেশ্যনটোৰ ওপৰত গুৰুত্ব দিছে । আৰ্বানাইজেশ্যন আমি বিচাৰো গতিকে আপোনাৰ জিলাখনত যদি ২খন- ৩খন টাউন লাগে আৰু তাৰ ক্ৰাইটেৰীয়াটো ফুলফিল কৰে , আমাৰ দিবলৈ কোনো অসুবিধা নাই । আমি সোনকালে দিব পাৰিম । কেৱল আপুনি বিভাগীয়ভাৱে যিটো নিয়ম মতে প্ৰস্তাৱ দিব লাগে । জিলা আয়ুক্তৰ জৰিয়তে প্ৰস্তাৱ দিয়ক । ইয়াত কেইটামান ক্ৰাইটেৰীয়া আছে, আপুনি মোৰ কাৰ্য্যালয়ৰ পৰা ল'ব পাৰিব । মুখ্যত তাত ১০,০০০ মিনিমাম পপুলেশ্যন লাগিব, ১০ টা ৱাৰ্ড হ'ব লাগিব। তাত ৪০০ ৰ পৰা ৫.৫ স্কোৱেৰ কি.মি ঠাই থাকিব লাগিব। এনেধৰণৰ কেইটামান ক্ৰাইটেৰীয়া আছে যিকেইটা ক্ৰাইটেৰীয়া ফুলফিল কৰিলে আমি টাউন দিয়াত কোনো অসুবিধা নাই । পিচত কেৱল নক'ব কাৰণ টাউন হোৱাৰ লগে লগে কিছু সুবিধা নাপাব। ৰুৰেলৰ পৰা পাই থকা সুবিধা বিলাক - ধৰক পি এম এ ৱাই ঘৰ নাপাব , জল জীৱন মিশ্যনৰ আঁচনি নাপাব । এনেকুৱা কিছুমান সুবিধা নাপায় । কিন্তু কিছুমান টাউন নিবিচৰা মানুহো আছে। সেই কাৰণে --- পিচত আপুনি নক'ব যে টাউন হোৱাৰ পিচত এইখিনি সুবিধা পোৱা নাই । টাউন হোৱাৰ লগে লগে তাত পাব্লিকে টেক্স দিব লাগিব । গোটেইখিনি কথা চাই মেলি আপুনি যদি টাউন বিচাৰে প্ৰপোজেলটো মোক দিব । মই খুব সোনকালে এইক্ষেত্ৰত আপোনাক সহায় কৰিম ।

**শ্ৰীআমিনুল ইছলাম(কনিষ্ট), মানকাছাৰ ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ এনচাৰ এনেকুৱা নহয় । টাউনটো জিলাৰ পৰা বিচাৰিব লাগিব। যদি আপুনি বিচাৰে তেতিয়াহে হ'ব, তেনেহ'লে আমাৰ ডিপাৰ্টমেন্ট বা অথোৰিটিয়ে কি কৰে? মানকাছাৰত ৫ টা জিপি আছে। তাত সকলো জাতিৰ মানুহ আছে , বিহাৰী , মাৰোৱাৰী- বঙালী হিন্দু মানুহ, মুছলিম মানুহ আৰু আমাৰ জনজাতীয় মানুহো আছে এই টাউনৰ ভিতৰত। সেইখিনি টাউন হৈয়ে আছে । বৃটিছৰ দিনৰ পৰা তাত এটা টাউনৰ চিষ্টেম আছে কিন্তু আজিলৈকে টাউন ডিক্লেৰ হোৱা নাই । মইয়ে স্পিচিয়েলী বিচাৰিব লাগিব , এনেকুৱাকৈ লায়েব্লিটি ইমপোছড কৰিছে যে, মইয়ে টেক্সৰ ব্যৱস্থা কৰিম । কিন্তু ডেভ'ল'পমেন্টটো ক'ত যাব?

..... গণ্ডোগল .. বাদ -বিবাদ...

**মাননীয় অধ্যক্ষ ঃ** প্লিছ, কনক্লুড কৰক ।কোৱেশ্চন নং ৬২ ইছ অভাৰ ।এতিয়া কোৱেশ্চন নং ৬৩ শ্ৰীনুৰুল হুদা ।

**শ্ৰীজয়ন্তমল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ঃ** অধ্যক্ষ ডাঙৰীয়া , উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰীনুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰ দিছে, উত্তৰত দেখা যায় যে, আমাৰ ২৭,৯৫১ খন পানীযোগান আঁচনি আছে । তাৰ ভিতৰত কেৱল ১০,৬১৬ খন পানী যোগান আঁচনি অসম্পূৰ্ণ হৈ আছে ।এই অসম্পূৰ্ণ হৈ থকা আঁচনি কেইখনৰ কাম চৰকাৰে বৰ্তমানে বন্ধ ৰাখিছে ।তাত তেওঁলোকে ক'লে যি, কামখিনি গুনগত মানদণ্ড বিশ্লেষণৰ বাবে বন্ধ ৰখা হৈছে ।ছাৰ, গুনগত মানদণ্ড উন্নয়ণৰ কথাটো আগত ৰাখিয়েই এষ্টিমেটটো বনোৱা হয় তাৰ পিচত ড্ৰইং বনাই টেণ্ডাৰ দিয়া হয় ।টেণ্ডাৰ পোৱাৰ পিচতহে ৱৰ্ক অৰ্ডাৰ দিয়ে আৰু কাম আৰম্ভ হয় ।এই গোটেইখিনি চিষ্টেম হৈ যোৱাৰ পিচত চলি থকা কামখিনি কিয় বন্ধ কৰি ৰখা হয় । সেইবিলাক কামবিলাক বন্ধ কৰি ৰখাৰ ফলত জনসাধাৰণৰহে ক্ষতি হৈছে । তেওঁলোকে আগতে যিটো স্কীম আছে যিটো ৰেট্ৰ'ফিটিং স্কীম আছিলো জনসাধাৰণে তাৰ পৰাই পানী পাই আছিল কিন্তু বৰ্তমানে সেইটোও বন্ধ ৰখা হৈছে । মোৰ সমষ্টিত কৰ্দৈজোলা আৰু হাড়েডিঙীয়াত ২ খন ৰেট্ৰ'ফিটিং স্কীম বন্ধ হৈ আছে ।আৰু তেওলোকে বিল পৰিশোধ নকৰাৰ বাবে কাৰেন্ট নাথাকে । গতিকে এই কাৰেন্টৰ বিল আদায় দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ- জয়ন্তবল্ল বৰুৱা ডাঙীৰয়া ।

**শ্ৰীজয়ন্তমল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই চেগতে সন্মনীয় সদস্যসকলক জনাবলৈ পাই সুখী হ'ম যে, আপোনালোকে যিবিলাক প্ৰশ্ন কৰিছে যে, কিমান স্কীম চলি আছে কিমান ফাংশ্যনেল আছে , কিমান বন্ধ হৈ আছে , আজিকালি আমি জেজেএম ড্ৰেইন নামেৰে এটা ৰেৰটাইট খুলি দিছো । য'ত আপোনালোকে মোৰ ওচৰত আহিব নালাগে ।এইটো ৰেৰচাইডত মাৰি চালে গ'ম পাব যে, কি স্কীম চলি আছে , কিমান মানুহে পানী পাই আছে । স্কীমটো ঠিকেই চলি আছেনে নাই এই সকলোখিনি ডাটা অনলাইনত থাকে ।আমি ইয়াক পাৱলিক ডাটা হিচাপে দিছো । এই স্কীমটোত ক'ত অসুবিধা আছে আৰু ফাংশ্যনেল আৰু নন ফাংশ্যনেল কিমান আছে , এই গোটেইবিলাকৰ ডিষ্ট্ৰিক্টৱাইজ আৰু ডিভিজনৱাইজ সম্পূৰ্ণ ডাটা দিয়া আছে ।গতিকে আপোনালোকে সকলোৱে নিজৰ নিজৰ স্কীমৰ সৰ্ম্পকে তাতেই চাই ল'ব পাৰিব ।দ্বিতীয় কথাটো হ'ল যে, ১০ হাজাৰ আঁচনি সম্পূৰ্ণ হোৱা নাছিল এইটো আমি এটা ষ্টেনচিল পিৰিয়ডৰ বাবে কিছুদিন কামটো বন্ধ ৰাখিছো ।আপোনালোকে সংবাদ মাধ্যমত বহুধৰণৰ অভিযোগ পাইছে ।আৰু কেতিয়াবা আপোনালোকে নিজেও অভিযোগ আনিছে যে, আঁচনিবিলাক সম্পূৰ্ণ হোৱা নাই কাম বন্ধ ৰখা হৈছে ।সদস্যগৰাকীয়ে যিটো গুনগত মাদণ্ডৰ কথা কৈছে সেইটো ঠিকাদাৰে কৰা কামৰহে মানদণ্ড ।তেতিয়া আমি এটা সিদ্ধান্ত লৈছিলো যে আই আই টি মাদ্ৰাছৰ অধীনত চলা এটা সংগঠনৰ সংস্থাৰ দ্বাৰা আমি গোটেই অসমত জেজেএমৰ স্কীমবিলাক চেক কৰিবলৈ দিছিলো । এই পিৰিয়ডটোতে আমি ষ্টেনচিল পিৰিয়ড হিচাপে ৰাখিছিলো । ইতিমধ্যে তেওঁলোকে গোটেইখিনি চাই আমাক এটা ৰিপোৰ্ট দিছে । বাৰত চৰকাৰৰ সময়সীমা আছিল ২০২৪ চনৰ ডিচেম্বৰ মাহ গতিকে প্ৰত্যেকৰে ৱৰ্ক অৰ্ডাৰৰ কাম সেই মাহত শেষ হৈ যাব লাগিছিল । কিন্তু শেষ নোহোৱৰ বাবে এতিয়া ভাৰত চৰকাৰে আঁচনিখন বঢ়াই দিয়ে নে নাই সেই কথাটো আমি চাব লাগিব । আৰু আমি আপোনালোকক গৌৰৱেৰে ক'ব পৰা হৈছো যে, ভাৰত বৰ্ষৰ

ভিতৰত বাকী ৰাজ্যৰ তুলনাত অসমৰ জে জে এম আঁচনিৰ কাম আটাইতকৈ ভাল হোৱা বুলি মাদ্ৰাজ আই আইটিয়ে ৰিপোৰ্ট দি থৈছে । গতিকে এইবাৰ ভাৰত চৰকাৰে ২০২৮ লৈকে জে জে এম স্কীমটো বঢ়াই দিছে । গতিকে আমি ষ্টেনচিল পিৰিয়ডটো উঠাই দিম আৰু ২০২৮ চনত সকলো আঁচনি সমাপ্ত কৰাৰ চেষ্টা কৰিম । যদি অতিৰিক্ত আঁচনি ভাৰত চৰকাৰে অনুমোদন দিয়ে তেন্তে সেই আঁচনিৰ কামো চলিব । ঠিকাদাৰসকলৰ কামৰ কোৱালিটি চাবলৈ এই পিৰিয়ডটো ৰাখিছিলো গতিকে এই কামবিলাক এতিয়া আগবাঢ়ি গৈ থাকিব ।

**শ্ৰীনুৰুল হুদা , ৰূপহীহাট ঃ** অধ্যক্ষ মহোদয়, আমি জানিব পাৰিছো যে ঠিকাদাৰসকলে যি বিল পাব লাগিছিল সেইখিনি নোপোৱাৰ বাবেহে এই কামবিলাক লেহেমীয়া হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৩ শ্ৰী নুৰুল হুদা, ডাঙৰীয়া।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে যে আমাৰ যিসকল জলমিত্ৰ আছে কিন্তু তেখেতেসকলে ভালদৰে কাম কৰা দেখা নাযায়। চৰকাৰে যিহেতু ইমান টকা খৰচ কৰি জলজীৱন আঁচনিখন আৰম্ভ কৰিছে, কিন্তু সেই জলমিত্ৰ সকলে ভালদৰে কাম কৰা দেখা পোৱা নাজায় যেনে ভালদৰে পানীবোৰ নিষ্কাষন নকৰে ইতাদি। কিন্তু মই এইটো কব লাগিব যে সেই জলমিত্ৰ সকলক স্থায়ী ভাৱে ৰখাৰ ব্যৱস্থা কৰিব লাগে, এই বিষয়ে চৰকাৰে বিশেষ ব্যৱস্থা ল'ব বুলি মই চৰকাৰক অনুৰোধ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** আমাৰ আগৰ বিধায়ক কিছুমানে অভিযোগ অনাৰ দৰে কোনো ঠিকাদাৰে JJM আঁচনিৰ অধীনত যোৱা আগষ্ট মাহলৈকে বিল অহা পিছত পইচা নোপোৱাকৈ থকা নাই। যেতিয়াৰ পৰা আমি Stencil period দিছিলো তাৰ পিছৰ পৰা কোনো ঠিকাদাৰে পইচা নোপোৱাকৈ থকা নাই। যদিহে কোনো ঠিকাদাৰে Work Order আনিব পৰা নাই, বিল দিব পৰা নাই তেওঁলোকে কেনেকৈ পইচা পাব।যিসকলে বিল আনিছে পইচা পাইছে। গতিকে পইচাৰ অভাৱত কাম বন্ধ হৈছে সেইটো মিছা কথা। JJM ভাৰত চৰকাৰে ২০২৮ চনলৈকে বঢ়াই দিছে আৰু টকা আহি থাকিব আমি কাম কৰি যাম। দ্বিতীয়তে, জলমিত্ৰ সকল কেৱল স্বেচ্ছা সেৱকহে, তেওঁলোক চৰকাৰী কৰ্মচাৰী নহয়, আৰু তেওঁলোকক PHE বিভাগে নিযুক্তি দিয়া নাই। আমি যেতিয়া JJM ৰ আঁচনি আৰম্ভ কৰিছিলো তেতিয়া আমাৰ মূল কথাটো আছিল যে আমি এই আঁচনিবোৰ আৰম্ভ কৰি পঞ্চায়ত লৈ হস্তান্তৰ কৰিম, আৰু পঞ্চায়তে এখন উপভোক্তা সমিতি গঠন কৰিব এই আঁচনিটো চলাই নিয়াৰ বাবে। আৰু এই উপভোক্তা সমিতিৰ প্ৰথম কামটো আছিল যে তেওঁলোকে এই কামটো চলাই নিয়াৰ বাবে যিসকল ৰাইজে Connection লৈছে তেওঁলোকৰ পৰা পইচাটো সংগ্ৰহ কৰিব। কিন্তু অসমত যিহেতু মানুহে পানীৰ বাবে পইচা দিব নিবিছাৰে তাৰ কাৰণে আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশ মতে আমি 15th Finance Commission ৰ Tide Fund ৰ পৰা JJMৰ কামখিনি চলাই নিয়াৰ বাবে আৰু জলমিত্ৰ জনক মাননী হিচাপে আমি যি ৬৫০০ টকা দিওঁ তাৰ লগতে বিদ্যুতৰ মাছুল আদিকে ধৰি আমি Tide Grant ৰ পৰা দি থকা হৈছে। প্ৰতি মাহৰ ১০ তাৰিখে প্ৰতেক জন জলমিত্ৰৰ Bank Account ত টকাটো ভৰাই দিওঁ। ইয়াৰ লগতে ৩০ হাজাৰ টকালৈকে বিদ্যুৎ বিচ্ছিন্ন কৰা নহয়। এতিয়া যিহেতু বেছিভাগ ক্ষেত্ৰতে আমাৰ Smart Meter ৰ ব্যৱস্থা কৰা হৈছে তাত মাত্ৰ Recharge টো কৰি দিলে হ'ল। কিন্তু ৩০ হাজাৰ টকা পাৰ হৈ গ'লে APDCL য়ে এইটো বিচ্ছিন্ন কৰি দিয়ে। এনেকোৱা ধৰণে আমি এই JJM আঁচনিখন চলাই আছো। আৰু

আপোনালোকেওঁ আপোনালোকৰ ঠাইত থকা আঁচনিবোৰ ভালদৰে চলোৱাৰ বাবে কাম কৰক ।

**অধ্যক্ষ মহোদয়ঃ** হ'ব আৰু প্ৰশ্ন আছে। এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ উত্তৰত আমি গম পালো যে ২৭৯৩১ হাজাৰ খন আঁচনিৰ ভিতৰত মাত্ৰ ১৭৩১৫ খন আঁচনিৰ কামহে সম্পূৰ্ণ হৈছে। কিন্তু ইয়াত মোৰ এটা সন্দেহ আছে আৰু আগতেও মই মন্ত্ৰী মহোদয়ক কৈছিলো যে মোৰ গাঁওৰ মোৰ চুবুৰি লৈকে এতিয়াও পানীৰ connection হোৱা নাই। আৰু সেই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক মোৰ ঘৰলৈকে নিমন্ত্ৰণ দিছিলো যে আপুনি এপাক আহি সেই কামখিনি চাই যাব। আৰু আপুনিযে কৈছে ১৭৩১৫ খন আঁচনি সম্পূৰ্ণ হৈছে তাত মোৰ সন্দেহ আছে যে তাৰ ভিতৰটো বহুটো আঁচনি এতিয়ালৈকে কাৰ্য্যক্ষম হোৱা নাই আৰু মই ভাবো যে এই বিষয়ত বিষয়া সকলে বহুত ভুল তথ্য দিয়ে। সেইহে মই ভাৱো যে মন্ত্ৰী মহোদয়ে যদি সদনৰ সকলো পক্ষৰ দুই চাৰি জন বিদায়কক লৈ নিজে চৰজমিন তদন্ত কৰে তেতিয়াহ'লে তেখেতে গোটেই বস্তু খিনি গম পাব।যদি ভাৰত চৰকাৰে ২০২৮ চনৰ ডিচেম্বৰ মাহলৈকে এই আঁচনিখনৰ কাৰ্য্য কাল বৃদ্ধি নকৰিলে হেতেন , তেতিয়াহ'লে মই ভবাৰ দৰে এই আঁচনিখন কাৰ্য্য কৰি নহলেহেতেন। কাৰণ এতিয়ালৈকেও ১০ হাজাৰ সম্পূৰ্ণ হোৱা নাই। এতিয়া সময় পাইছে এইটো মন্ত্ৰী মহোদয়ৰে সৌভাগ্য। আৰু এই যে সম্পূৰ্ণ হোৱা১৭৩১৫ খন আঁচনি বিলাকৰ অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰিছে। যাৰ ফলত বহুত টেপৰ পৰা পানী নোলাই বা কোনোবাটো টেপৰ পৰা পানী এনে ওলাই থাকে। গতিকে এই ক্ষেত্ৰত এটা চৰজমিন তদন্তৰ প্ৰয়োজন আছে, কিন্তু বিষয়াৰ দ্বাৰা নহয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মই কেতিয়াবা তালুকদাৰ ডাঙৰীয়াৰ ঘৰলৈ যাবলৈকে মন যায় কিন্তু বহুতো ৰাজনৈতিক কাৰণত যাব পৰা নাই।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** এই বিলাক কথা কৈ লাভ নাই।

**অধ্যক্ষ মহোদয়ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি বহক। অখিল গগৈ ডাঙৰীয়াক প্ৰশ্নকালীন ঘণ্টাৰ সময়খিনিৰ বাবে সদনৰ পৰা বহিষ্কাৰ কৰা হ'ল।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া JJM ৰ Details Online Portal ত আপোনালোকে চাব পাৰিব, আৰু এই তথ্য খিনি আমালৈ জিলাৰ প্ৰশাসন পৰা আহে। আৰু আঁচনি বিলাক আমি ADC সকলৰ দ্বাৰাই Verify কৰো। গতিকে এই বিভাগে দিয়াৰ কৰবাত খেলি-মেলি আছে তেতিয়াহ'লে Online ওলাই আছে। আপুনি Online চাই লগে লগে কৈ দিব যে Online Portal ত ইমান আঁচনিৰ ইমান টা connection দেখুৱাই আছে। ইমান মানুহে পাই আছে, ইমান মানুহে পোৱা নাই। তেতিয়া মই Immediately Action ল'ব পাৰিম। কাৰণ Online Portal সকলোবোৰ দিছে সেই কাৰণে Public এ সকলো গম পাই থাকে। ৰাইজে যেতিয়া গম পাই থাকিব আপুনি এতিয়া মোক নিৰ্দ্দিষ্ট আঁচনিটো কৈ দিলে তেতিয়া মই বিভাগীয় বিষয়াক নিৰ্দেশ দিব পাৰিম যে অমুকটো আঁচনি বেয়া হৈ আছে, অমুকত Pipe ফাটি থাকে। এনেটো কলে নহব, বিধান সভাত আহি আপুনি কৈ দিলে যে আঁচনিবিলাক এনেকোৱা বেয়া হৈ আছে অমুকৰো বেয়া হৈ আছে আপুনি মোক তথ্য দিয়ক মই লগে লগে Enquiry দিম। Enquiry দিম মই আপুনি লগে লগে এই আঁচনিটো ইমান আছিল আৰু Online data টো চাই তথ্য দিব।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে

ক'লে যে জলমিত্র সকল আমাৰ নহয় তেওঁলোকক Users কমিটি বিলাকেহে লয়। কিন্তু মোৰ প্ৰশ্ন হ'ল যে জলমিত্র সকলক নিযুক্তি পত্ৰ কোনে দিলে? ইয়াৰ লগতে আমি জানো যে JJM ত জলমিত্র সকলৰ ভূমিকা যথষ্টে পৰিমানে আছে। কিন্তু তেওঁলোকে এতিয়া আন্দোলন কৰিবলগীয়া হৈছে। যদিহে চৰকাৰে জলমিত্র সকলৰ লগত সংঘাতত লিপ্ত হয় আৰু যদি তেওঁলোকে কাম বন্ধ কৰি দিয়ে তেতিয়া হ'লে অসমত জলজীৱনৰ পৰা মানুহে পানী নাপায়। এইখিনিতে এটা কথা উল্লেখ কৰিছো যে বিশ্বনাথৰ হাকুমতা চাহ বাগিচাৰ জলমিত্র সঞ্জীৱ কুৰ্মীয়ে উপযুক্ত মজুৰি নাপায় আত্মহত্যা কৰিছে। এইদৰে আজি অসমৰ সকলোবোৰ জলমিত্রয়ে আন্দোলনত নামিব লগীয়া হৈছে। এই ক্ষেত্ৰত চৰকাৰে কৈছে জলমিত্র সকল আমাৰ মানুহ নহয়, Users কমিটিয়ে কৈছে আমাৰ নহয় তেনেহ'লে তেওঁলোকক কাৰ মানুহ, কোনে নিযুক্তি দিছে। গতিকে এই ক্ষেত্ৰত তেখেতসকলৰ যি দাবী আছে সেইখিনি আলোচনাৰ কৰা বাবে চৰকাৰে তেখেত সকলৰ লগত আলোচনাত বহিব লাগে, যিটো বস্তু আজিলৈকে হোৱা নাই। মোৰ কথা হ'ল জলজীৱন আঁচনিৰ নামত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে, কিন্তু মানুহে যদি পানী নাপায় এইটো অতি লাজ লগা কথা হ'ব। জলমিত্র সকলৰ সমস্যাৰ সমাধানৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মই দাবী জনাইছো।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে ধন্যবাদ ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় জলমিত্র সকলক নিয়োগ পত্ৰ Users কমিটিয়ে দিয়ে। তেওঁলোকৰ যিখন নিয়োগ পত্ৰ থাকে এইখন উপভোক্তা সমিটিয়ে তেওঁলোকে Appointment letter দিয়ে, আমি নিদিওঁ। গতিকে আপোনালোকৰ বহুতোৰে ধাৰণা আছে যে PHE Department দিয়ে, কিন্তু তেওঁলোকক Users কমিটিয়ে দিয়ে। তেওঁলোকক দৰমহা দিয়াৰ পদ্ধতিতো আছিলে যে আমি Users কমিটিলৈ পইচা দিওঁ আৰু তেওঁলোকে দৰমহা দিছিলে। এতিয়া যদি কেতিয়াবা Users কমিটিয়ে দিগদাৰ দিয়ে বা টকাতো দিয়া অসুবিধা পায় তেতিয়া আমি চি ই অ' জিলা পৰিষদৰ পৰা প্ৰত্যক্ষভাৱে টকাখিনি ট্ৰেন্সফাৰ কৰি দিওঁ তেওঁলোকৰ সুবিধাৰ কাৰণে। তেওঁলোক আমাৰ কৰ্মচাৰী নহয়, তেওঁলোক Users কমিটিৰ কৰ্মচাৰী। জলমিত্র সকলৰ দৰমহা ক লৈ যিটো কথা কৈছে যোৱা আমাৰ চৰকাৰে, হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰ অহাৰ পৰা প্ৰত্যেকটো মাহত ১০ তাৰিখে দৰমহা দিয়াৰ চেষ্টা কৰিছো। আমাৰ হুছেইন ডাঙৰীয়াৰ যিখন চৰকাৰ আছিল ১৫ বছৰ চলাৰ সময়ত এই জলমিত্র হিচাপে যিসকলে কাম কৰিছিল ১৫ বছৰত দুবাৰ দৰমহা দিছিল। দুবাৰ দৰমহা ৬ হাজাৰকৈ মাত্ৰ ১২ হাজাৰ টকা। এই চৰকাৰখনৰ মানুহে যদি আমাক দোষ দিয়ে তেতিয়া হ'লে এইটো কেনেকুৱা কথা হ'ব।

**শ্ৰীজাকিৰ হুছেইন, সৰুক্ষেত্ৰী ঃ** ... (interruption) .. আপোনালোকে জলমিত্র সকলক 15th Finance ৰ টকা দি আছে। 15th Finance ৰ টকা বেলেগ কামৰ উন্নয়নৰ কাৰণে দিছে।

... (interruption) ..

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ঃ** জলমিত্র সকলৰ জীৱনৰ কথা এই কাৰণে ক'ম যে কাৰণ বিধান সভাৰ পৰা এটা message যাব, জলমিত্র সকলৰ লগত আমাৰ বিভাগে আলোচনা কৰিছোঁ।

সদস্যগৰাকীয়ে চুইচাইড কৰাৰ কথা কৈছে, কোনো জলমিত্রই দৰমহা নাপাই চুইচাইড কৰা নাই।

... (interruption) ..

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ অসমীয়া প্ৰতিদিন কাকত ১৭ ফেব্ৰুৱাৰীত কৈছে.......

... (interruption) ..

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আপোনালোকে chamber ত কথা পাতি ল'ব।

এতিয়া প্ৰশ্ন নং ৬৪, সন্মানীয় সদস্য শ্ৰীসুৰেন ফুকন।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীসুৰেন ফুকন, ডিগবৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঐতিহাসিক তৈলনগৰী ডিগবৈ ব্ৰিটিছৰ দিনতে প্ৰতিষ্ঠিত এছিয়া মহাদেশৰ প্ৰথমটো তেল শোধনাগাৰ আৰু সেই শোধনাগাৰটো বৰ্তমান ০.৬৫ মিলিয়ন মেট্ৰিকটনৰ পৰা ১ মিলিয়ন মেট্ৰিকটনলৈ বৃদ্ধি কৰাত আৰু চহৰখনৰ প্ৰায় ৯০ শতাংশ পথ ইতিমধ্যে নিৰ্মাণ হৈছে, তাৰ কাৰণে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই ডিগবৈ বাসীৰ হৈ ধন্যবাদ জনাইছোঁ।

এতিয়া কথা হ'ল, ডিগবৈ এখন ঐতিহাসিক চহৰ, ব্যস্ত চহৰ, সেই চহৰখনত জনসংখ্যা বৃদ্ধি হৈছে, যানজট যথেষ্ট সৃষ্টি হৈছে, ছাত্ৰ-ছাত্ৰী অনুপাতে যথেষ্ট সংখ্যক স্কুল কলেজ বাঢ়িছে, ব্যৱসায় বৃদ্ধি হৈছে। সেই অনুপাতে ঘন্টা ঘন্টা জুৰি জনসাধাৰণ আৱদ্ধ হৈ থাকিব লগীয়া হয়।

গতিকে মোৰ প্ৰশ্নটো আছিল যে ডিগবৈ চহৰত এটা মাল্টি পাৰপাছ পাৰ্কিং (এটি অত্যাধুনিক পাৰ্কিং) ৰ ব্যৱস্থা কৰিব লাগে। মই মাননীয় বিভাগীয় মন্ত্ৰী লগতে মুখ্যমন্ত্ৰী মহোদয়কো অনুৰোধ কৰিছো, বিশেষকৈ মোৰ সমষ্টিটো দুখন চহৰ আছে, এখন মাকুম চহৰ আৰু ডিগবৈ চহৰ। মাকুম চহৰৰ যিটো মাকুম junction আছে, সেই অঞ্চলৰ যথেষ্ট যানজটৰ সৃষ্টি হয়, ঘন্টা ঘন্টা গাড়ী মটৰ আৱদ্ধ হৈ থাকে লগতে ডিগবৈ চাৰিআলিৰ ৰেল লাইনটো। গতিকে তাত দুখন উৰনীয়া সেতু নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে আৰু অত্যাধুনি এটা মাল্টি পাৰপাছ পাৰ্কিঙৰ ব্যৱস্থা কৰিব লাগে, গতিকে মই ডিগবৈ বাসীৰ হৈ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আৰু অতি শীঘ্ৰে কামখিনি যদি হয়, তেতিয়া হ'লে আমি সন্তোষ লাভ কৰিম। ধন্যবাদ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে আমি বিভাগীয় ভাৱে সংশ্লিষ্ট স্থানীয় কৰ্তৃপক্ষ বা municipality যি আছে, তাৰ পৰা আমি তেনেকুৱা মাল্টি পাৰপাছ পাৰ্কিঙৰ কাৰণে কোনো প্ৰস্তাৱ পোৱা নাই আৰু আমি আপোনাৰ প্ৰশ্ন অহাৰ পিছত আমি এটা খবৰ লৈছিলো, তেতিয়া director ৰ ফালৰ পৰা জনাইছে যে স্থানীয় ভাৱে তাত তেনেকুৱা ধৰণৰ চৰকাৰী অনুমোদিত মাটি বা স্থল নাই। গতিকে আপুনি নিৰ্দিষ্ট স্থান উলিয়াই দি বিভাগীয় ভাৱে আবেদন কৰক, পুঁজি সাপেক্ষে মই নিশ্চয়কৈ চেষ্টা কৰিম। এইটো কথা অনস্বীকাৰ্য্য যে ডিগবৈ চহৰত পাৰ্কিঙৰ অসুবিধা আছে বা তেনেকৈ যদি প্ৰয়োজন হয়, এই কথাটো আমি লক্ষ্য কৰিম, কিন্তু আপুনি বিভাগীয় ভাৱে যিটো প্ৰস্তাৱ, সেই প্ৰস্তাৱটো পঠাওঁক আৰু তাৰ লগে লগে প্ৰয়োজনীয় যি মাটি চহৰৰ মাজত ক'ত আছে, সেইখিনিও প্ৰস্তাৱৰ সৈতে পঠাওঁক, আমি নিশ্চয়কৈ পুঁজি সাপেক্ষে এই কথাটো চিন্তা কৰিম।

**শ্ৰীসুৰেন ফুকন, ডিগবৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে ডিগবৈ চহৰৰ প্ৰায় ৯০ শতাংশ মাটি IOCL ৰ অন্তৰ্গত। গতিকে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিম যে IOCL ৰ লগত যোগাযোগ কৰি অন্তত ২-৪ বিঘা মাটি IOCL ৰ পৰা আৱন্টন লৈ ভৱিষ্যতলৈ এটা পাৰ্কিঙৰ ব্যৱস্থা কৰিব লাগে বুলি মই প্ৰস্তাৱ ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্থানীয় বিধায়ক হিচাপে IOCL ৰ লগত আপুনিও কথা পাতক আৰু চৰকাৰৰ ফালৰ পৰা যদি কিবা কথা পাতিব লাগে, নিশ্চয়কৈ পাতিম। কিন্তু প্ৰথম কথা হ'ল যে মাটি থাকিব লাগিব আৰু বিভাগীয় ভাৱে প্ৰস্তাৱটো আহিব লাগিব। এই দুটা কাম হোৱাৰ পিছত পুঁজি সাপেক্ষে এই কথাটো চিন্তা কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬৫, সন্মানীয় সদস্য শ্ৰীওৱাজেদ আলি চৌধুৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মই পাইছো। কিন্তু এটা কথা মই বুজিব নোৱাৰিলো, Construction Committee গঠন কৰাৰ সম্পৰ্কে মোৰ প্ৰশ্নটো আছিল। তেখেতে উত্তৰত দিছে যে এইটোত BDO য়ে Construction Committee গঠন কৰিব। আমি যিটো জানো যে গাওঁসভা মিটিং পাতি Construction Committee গঠন কৰিব লাগে। কিন্তু ধুবুৰী জিলাৰ বীৰসিং জৰুৱা উন্নয়ন খণ্ডত কোনো গাওঁসভা মিটিং অনুষ্ঠিত হোৱা নাই। গাওঁসভা মিটিং নকৰাকৈ সচিব আৰু বি ডি অ য়ে মিলি এই Construction Committee বিলাক গঠন কৰিছে। গতিকে এই ক্ষেত্ৰত মই এটা তদন্ত বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ পঞ্চায়তৰ কাৰ্য্যকাল শেষ হৈছিল আৰু শেষ হোৱাৰ পিছত যোৱা ২০২৪ চনৰ ১ মাৰ্চ তাৰিখে আমাৰ যিসমুহ জিলা পৰিষদ ভিত্তিত জিলা আয়ুক্ত সকলক আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত মুখ্য কাৰ্য্যবাহী বিষয়া লগতে গাঁও পঞ্চায়তৰ ক্ষেত্ৰত Block Development Officer সকলক দায়িত্ব দি এই 15th Finance ৰ কামবোৰ কৰাৰ বাবে দায়িত্ব অৰ্পন কৰা হৈছিল। সেই সময়ত লগত এইটোও কোৱা হৈছিল অন্য এটা notification ৰ যোগে যে, জিলা পৰিষদৰ Construction Committee গঠনৰ ক্ষেত্ৰত Guardian Minister জন অধ্যক্ষ হ'ব লগতে জিলা আয়ুক্ত Member Secretary হ'ব, মুখ্য কাৰ্য্যবাহী বিষয়াজন সদস্য হ'ব। আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত আমাৰ স্থানীয় বিধায়ক গৰাকীয়ে অধ্যক্ষ হ'ব, ADC বা Chief Executive Officer গৰাকী Member Secretary হ'ব আৰু BDO গৰাকী সদস্য হ'ব। গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত Block Development Officer জন অধ্যক্ষ হ'ব, আৰু গাওঁ পঞ্চায়তৰ সদস্য গৰাকী হৈছে সদস্য হ'ব। গতিকে গাওঁ পঞ্চায়ত যি গৰাকী সচিব, তেওঁ যিহেতু পঞ্চায়তখনৰ লগত জড়িত, তেওঁলোকক যিসকলে আবেদন নিবেদন কৰে, সেই সকলৰ আবেদন নিবেদনৰ ভিত্তিত আৰু ৰাইজৰ লগত আলোচনা কৰি, সেই পঞ্চায়তত থকা যিটো টকা, সেই টকাৰ বিপৰীতে কিমান কাম কৰিব পাৰিব, সেইটোৰ আধাৰত সমিতিয়ে কামবোৰ কৰে। এই ক্ষেত্ৰত Monitoring Committee ৰ এটা দায়িত্ব থাকে।

**মাননীয় অধ্যক্ষ ঃ** 2nd Supplementary।

**শ্ৰীওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিশেষ ক'ব লগীয়া নাই। কথাটো এইটোৰে যে মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে গাঁৱৰ মানুহৰ লগত আলোচনা-

বিলোচনা কৰি কৰিব দিছে। কিন্তু সেইটো কৰা হোৱা নাই। কোনো এটা পঞ্চায়তে কৰা নাই। গতিকে এই ক্ষেত্ৰত কিবা তদন্তৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীআবুল কালাম ৰছিদ আলম, গোৱালপাৰা পূৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ...

**মাননীয় অধ্যক্ষ** ঃ এইটো আপোনাৰ supplementary নহয়, আপুনি বেলেগৰ প্ৰশ্নত কৈ থাকিব নালাগে। আপুনি discipline কিয় নামানে, আপুনি discipline মানি চলিব লাগে। আপুনি এজন responsible Member গতিকে আপুনি এটা নিয়মত আহক, কিমান জনক মই suspend কৰিম।

**শ্ৰীআবুল কালাম ৰছিদ আলম, গোৱালপাৰা পূৰ** ঃ আপুনি suspend কৰিব, কৰক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী।

(................সদনত হুলস্থূল...............)

**শ্ৰীআবুল কালাম ৰশিদ আলাম, গোৱালপাৰা পূৰ** ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে মই জ্ঞাত নহয়।

**মাননীয় অধ্যক্ষ** ঃ Please. বেলেগৰ প্ৰশ্নৰ উত্তৰত কৈ থাকিব নালাগে। আপুনি discipline কিয় নামানে? নহয়, নহয়, discipline মানি চলিব লাগে। আপুনি সন্মানীয় সদস্য। মাছৰ বজাৰৰ দৰে কৰি থাকে বিধান সভা খনক। আপুনি দায়িত্বশীল সদস্য। এটা নিয়মত আহক। কিমান জনক মই suspend কৰিম?

**শ্ৰীআবুল কালাম ৰশিদ আলাম** ঃ আপুনি suspend কৰিব, কৰক।

**মাননীয় অধ্যক্ষ** ঃ You are suspended. He is challanging the Hon'ble Speaker. তেখেত suspend হ'ল। তেনেকুৱা সদনত কোনো সদস্যই ব্যৱহাৰ কৰিব নালাগে। সদন আপোনাৰ মতে চলিব নোৱাৰে, সদন সদনৰ নিয়ম মতে চলিব। মাননীয় সদস্যসকল তেনেকুৱা হোৱাতো দূৰ্ভাগ্যজনক। এতিয়া শিৰামণি বৰা।

**শ্ৰীমতী শিৰামণি বৰা, বটদ্ৰবা** ঃ মাননীয় অধ্যক্ষ মহোদয়, 15th Financeৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত পৰিষদ আৰু গাঁও পঞ্চায়তৰ প্ৰতিটো কিস্তিৰ পৰা ৫০ শতাংশ জলজীৱন আঁচনিৰ মেৰামতিৰ বাবে কাটি ৰখা হয়। এতিয়া জানিব পাৰিছো যে জলজীৱন আঁচনিটো সম্পূৰ্ণ হোৱাই নাই বহুত ঠাইত। গতিকে যিখিনি আঁচনি সমগ্ৰ অসমতে কাটি ৰখা হৈছে ৫০ শতাংশ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী** ঃ এক মিনিট অসুবিধা কৰিলো। ছাৰ, মোৰ ৰিপ্লাইটো।

**মাননীয় অধ্যক্ষ** ঃ একেলগে দি দিব মাননীয় মন্ত্ৰীয়ে।

**শ্ৰীমতী শিৰামণি বৰা, বটদ্ৰবা** ঃ এই বৃহৎ পুঁজি খৰচ নোহোৱাকৈ পৰি আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে আগন্তুক যি পৰৱৰ্তী কিস্তি 15th Finance ত আহিবলগীয়া আছে, ইয়াত অসুবিধা নকৰিবনে, যিহেতু খৰচ নোহোৱাকৈ বহুত খিনি অংশ সমগ্ৰ অসমতে পৰি আছে। দ্বিতীয়তে আমাৰ সমষ্টিত বহুত জলজীৱন আঁচনি এতিয়ালৈকে সম্পূৰ্ণ হোৱাই নাই, মন্ত্ৰী মহোদয়ৰ পৰা জানিলো যে জলজীৱন আঁচনি ২০২৮ চনলৈকে চলিব। গতিকে এই যে যি খৰচ নোহোৱাকৈ আমাৰ বিভিন্ন গাওঁ পঞ্চায়তত পইচাটো পৰি আছে, অন্য টাইড আঁচনিত খৰচ কৰিবলৈ অনুমতি দিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী। একেবাৰতে ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই তদন্তৰ ওপৰত কৈছে এটা, সেইটোও কৈ দিব।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক ওৱাজেদ আলী চৌধুৰীয়ে যিখিনি কথা কৈছে, যে specific যদি কিবা তেনেকুৱা কেছ আছে মোক জনালে মই নিশ্চিতভাৱে বিহীত ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিম। যদি কিবা আঁচনি আপোনাৰ কৰিব লগীয়া আছে যে আপুনি ভাবিছিল বা বিডিঅ'ক দিছিল, কাৰণ কিয় বিডিঅ'ৰে হওঁক বা পঞ্চায়তৰ সচিবে হওঁক, কাৰণ আপুনিও তাৰে জনসাধৰণ, মণিটৰিং কমিটীত আপুনি যিহেতু আঞ্চলিক পঞ্চায়তৰ কামটো চাই, তেনেকুৱা কিবা আছে যদি মোলৈ লিখি দিলে মই সেইখিনি আগন্তুক দিনত ধৰি দিম। আমাৰ বিধায়িকা ডাঙৰীয়ানীয়ে যিখিনি কথা কৈছে, হয় কথাষাৰ, যে বহু পইচা তেনেকুৱাকৈ পৰি আছে। আমাৰ ভাৰত চৰকাৰে যি ধৰণে নিৰ্দেশনা দিছে 15th Financeৰ, যিহেতু আমাৰ ৬০ শতাংশ টকা আমি টাইড গ্ৰেণ্ট ৰাখিব লাগে আৰু টাইড গ্ৰেণ্টত ৰখাৰ কাৰণে তাৰে ভিতৰত আমি আকৌ তাৰ ৩০ শতাংশ খোৱা পানীৰ ক্ষেত্ৰত দিব লাগে। খোৱা পানীৰ ক্ষেত্ৰত যিহেতু আমাৰ গ্ৰাম্য অঞ্চলত জলজীৱনৰ কাম চলি আছে বা কোনো বিভিন্ন ধৰণৰ পানী যোগান আঁচনিৰ জৰিয়তে আমি ইতিমধ্যে কাম কৰি আছো। বাকী ৫০ শতাংশ আমাৰ জলজীৱনৰ মিছনৰ যিটো আঁচনি, যেনেকুৱাকৈ প্ৰতিমাহে আমি ৬৫০০ টকাকৈ জলমিত্ৰ সকলক প্ৰদান কৰি আহিছো। মাহে electrification charge আমি প্ৰদান কৰি আহিছো আৰু chemical procurement ৰ কাৰণে আমি ইতিমধ্যে প্ৰদান কৰি আহিছো। যিহেতু ভাৰত চৰকাৰৰ পৰা তেনেকুৱা নিৰ্দেশনা আমালৈ অহা নাই কিন্তু এই বিষয়টোকলৈ ইতিমধ্যে আমি ভাৰত চৰকাৰলৈ চিঠি লিখিছো। কাৰণ কিয় আঞ্চলিক পঞ্চায়তে হওঁক বা জিলা পৰিষদতে হওঁক প্ৰত্যেকতে এনেকুৱাকৈ আমাৰ ৬০ শতাংশ পইচা ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। যিহেতু টকাটোৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ পৰা একো নিৰ্দেশনা নহালৈকে আমি একো সিদ্ধান্ত ল'ব নোৱাৰিম। কাৰণ নিশ্চিত ৰূপত এইটোত আগন্তুক দিনত ভাৰত চৰকাৰে যদি সেইটো শিথিল কৰে তেতিয়াহলে আমি টাইড গ্ৰেণ্ট টকাটো আমি আনটাইড গ্ৰেণ্টলৈ পৰিৱৰ্তন কৰাৰ কাৰণে আমি জনাইছো। আপুনি জানি সুখী হ'ব যে ইতিমধ্যে 15th Financeৰ জৰিয়তে ২১২৪৮৫ টা আঁচনিৰ কাম চলি আছে সমগ্ৰ অসমত। আৰু এই ২১২৪৮৫ টাৰ ভিতৰত ইতিমধ্যে ৮২২৩৫ টা আমাৰ সম্পূৰ্ণ হৈছে ৬৪ হাজাৰ অনগইং হৈ আছে, কিন্তু আমি আৰু তেনেকুৱাকৈ বহুত আঁচনি ল'ব পাৰিম, গতিকে আগন্তুক দিনত ভাৰত চৰকাৰে যদি এইটো আমাক শিথিল কৰি দিয়ে তেতিয়াহলে আমি কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীআব্দুচ চোৱাহান আলী সৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিশেষকৈ মোৰ সমষ্টিত মই দেখা পাইছো বিডিঅ' সকলৰ লগত আলোচনা কৰি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বহুত লেহেমীয়া হৈছে। এখন এখন গাঁও পঞ্চায়তত এজন এজন সচিবক দুটা বা তিনিটাকৈ গাঁও পঞ্চায়তত কাম কৰিব দিয়া হৈছে। ইয়াৰ কাৰণে বহু গাঁও পঞ্চায়তৰ কাম লেহেমীয়া হৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বিশেষকৈ প্ৰতি গাঁও পঞ্চায়তত এজনকৈ সচিব দিব লাগে কামখিনি ত্বৰান্বিত কৰাৰ বাবে আৰু লগতে যোৱা দুটা বছৰ আগত এটা অৰ্ডাৰ উলিয়াই দিছিল যে সচিব সকলে নিজৰ সমষ্টিত থাকিব নোৱাৰিব, বেলেগ সমষ্টিলৈ বদলিকৰণ কৰি দিয়া হৈছিল। কিন্তু এনেকুৱা অৱস্থা হৈছে মই চাইছো নিজৰ সমষ্টিত হোমব্ল'কত আহি সচিব সকলে পোষ্টিং লৈছে। এনেকুৱা হ'ব নালাগে। মই এটা কথা কব বিচাৰিছো যে সচিব সকলক neighbour সমষ্টিবিলাকত দিয়া হওঁক home block বা home constituency ত দিব নালাগে। নহলে ইয়াত ৰাজনৈকিত ভাৱে কেতবোৰ affect হয়, বহু ধৰণৰ

কথা আমি ৰাইজৰ মাজৰ পৰা শুনিব লাগে। ৰাইজেও ইয়াত অসুবিধা অনুভৱ কৰে। এইখিনিয়ে মোৰ প্ৰশ্ন, মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে ইয়াত।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কোৱা কথাষাৰ হয় যে আমাৰ পঞ্চায়তৰ সচিব আৰু এতিয়াৰ পঞ্চায়তৰ সচিবৰ পদ প্ৰায় ৪০ শতাংশ খালী আছিল যাৰ কাৰণে আমি মুখমন্ত্ৰী ডাঙৰীয়াক এই বিষয়টো অৱগত কৰাত ডাইৰেক্ট ৰিকুইটমেন্ট বোৰ্ডৰ জৰিয়তে পঞ্চায়তৰ সচিব সকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে আগন্তুক দিনত প্ৰতিটো পঞ্চায়তত আমি এজনকৈ সচিব যাতে দিব পাৰো তাৰ কাৰণে প্ৰচেষ্টা অব্যাহত আছে। পূৰ্বতে আমি যদি চাও অসমত ৫০ শতাংশ ব্ল'কত বিডিঅ' নাছিল। আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত প্ৰতিটো ব্ল'কত যাতে বিডিঅ' দিব পাৰো তাৰ কাৰণে পূৰ্ণ পৰ্য্যায়ত আমি সফলতা লাভ কৰিছো। এতিয়া হয়তো অসমত ৪/৫ ব্ল'ক আছে য'ত হয়তো incharge BDO আছে। যাৰ কাৰণে আমাক বহুতে অনুৰোধ জনাই যে incharge BDO ক বিডিঅ' হিচাপে দিয়াৰ কাৰণে। যিহেতু আমি এচিএচ য়ে হওঁক বা এনআৰএচয়ে হওঁক তেওঁক যিহেতু বিডিঅ' হিচাপে নিয়োগ কৰিছো, গতিকে সেইক্ষেত্ৰত এতিয়া incharge BDO দিয়াতো বন্ধ কৰিছো। আপুনি যি কথাষাৰ কৈছে মই আজি আহ্বান জনাইছো যে যি সকল পঞ্চায়তৰ সচিব নিজৰ সমষ্টিত কোনোৰে যাতে কাম কৰিব নোৱাৰে তাৰ কাৰণে এখন তালিকা প্ৰস্তুত কৰে, মই বিভাগক ইয়াৰ পৰা নিৰ্দেশ দিছো, কোনো পঞ্চায়তৰ সচিবে বেলেগ সমষ্টিত, নিজৰ সমষ্টিত যাতে কাম কৰিব নোৱাৰে আগন্তুক দিনত নিশ্চিত ৰূপত ব্যৱস্থা লোৱা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৬৬, শ্ৰীআফতাৱ উদ্দিন মোল্লা। মাননীয়া মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ Supplementary.

**শ্ৰীআফতাব উদ্দিন মোল্লা, জলেশ্বৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। কিন্তু ইয়াত Supplementaryত এটা কথা কম । মোৰ সমষ্টিত জলেশ্বৰ যিটো ICDS ৰ প্ৰজেক্ট, ইয়াৰ আগত লক্ষিপুৰত এটা প্ৰজেক্ট আছিল, সেই প্ৰজেক্টটো চলি আছিল। ২০০৩ চনত জলেশ্বৰত আন এটা প্ৰজেক্ট হয়। ভৌগলিক এৰিয়া হিচাপে আগৰ পৰাই লক্ষিপুৰৰ প্ৰজেক্টৰ পৰা জলেশ্বৰ এৰিয়াত ভৌগলিক যিটো Geographical এৰিয়া তাত ICDS চেন্টাৰ দিয়া আছিল। কিন্তু যেতিয়া নতুনকৈ জলেশ্বৰত ICDS প্ৰজেক্ট হ'ল তেতিয়া ইয়াৰ অধীনতে বহুত চেন্টাৰ হ'ল, এতিয়া অভাৰলেপিং হোৱাৰ এটা সম্ভৱনা হৈছে বা তেনেকুৱা অভাৰলেপিং মই দেখিবলৈ পাইছো। দুয়োটা প্ৰজেক্টৰ মানুহ এখন গাঁৱত এনেকুৱাকৈ আছে। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী বাইদেউক সুধিছো যে আপুনি যদি পাৰে তেনেহলে জলেশ্বৰটো পৃথক কৰি দিলে লক্ষীপুৰ এৰিয়াৰ প্ৰজেক্টটোৰ অধীনত যিখিনি কেন্দ্ৰ আছে, সেই কেন্দ্ৰখিনি জলেশ্বৰৰ অধীনত দি দিলে ভাল হয়। এইটো এটা কথা। আৰু দ্বিতীয়টো কথা হৈছে যে যিটো নিযুক্তিৰ কথা কৈছিলো নিযুক্তিৰ কথা কৈছিলো, নিযুক্তিৰ যিটো প্ৰক্ৰিয়া ICDS Project ত ইয়াত কোনো জনপ্ৰতিনিধিক ৰখা হোৱা নাই। মোৰ কথাটো এনেকুৱা এখন গাওঁত এটা ICDS যিটো কেন্দ্ৰ আছে, সেই কেন্দ্ৰত দেখা যায় দুজন তিনিজন বা পাঁচজন candidate য়ে application কৰে যে মোক চাকৰিটো লাগে। মই কাৰো বিৰুদ্ধেও নকওঁ, আকৌ ক'ব লাগিব এই কাৰণে কোনোবা চক্ৰই এনেকুৱা এটা কাম কৰে যিজনী ভাল ছাত্ৰী যাৰ বেছি নম্বৰ কেন্দ্ৰৰ পৰা বাহিৰত নামটো দি দিয়ে। কেন্দ্ৰটোৰ এটাই এৰিয়া। ১ কিলোমিটাৰৰ

ব্যাসার্দ্ধৰ মাজত তাৰ মাজৰ পৰাই সেই নামটো নাই। ICDS কেন্দ্ৰত তেওঁৰ নম্বৰটো নাই। এনেকুৱা বিলাক আমি দেখি আছো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক এই যিটো বিষয় নিযুক্তিৰ প্ৰক্ৰিয়াৰ যিটো খেলি-মেলি এই কথাটো কেনেকৈ settle up কৰা যায় সেই কথাটোৰ কাৰণে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্ত নেওঁগ, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়া তেখেতৰ সমষ্টিৰ জ্বলেশ্বৰ আৰু লক্ষীপুৰ ICDS Project ৰ মাজত যিখিনি সমস্যাৰ কথা কৈছে, এই গোটেই কথাখিনি মই বুজিছো। অতি শীঘ্ৰে আপোনাক লগত লৈ আমি এটা সমাধান কৰিম। আমাৰ ইতিমধ্যে গোটেই সমষ্টি ভিত্তিক কামবিলাক চলি আছে । অসমত যেতিয়া Sub-District বিলাক হৈ যোৱাৰ লগে লগে ইয়াত ICDS যিবিলাক Development Project আছে আমি quo turminus চেষ্টা কৰিছো। আগতে এনেকুৱা সমস্যা আছিল যে, একোটা একোটা বিধান সভা সমষ্টিত দুটা-তিনিটা বা বাহিৰৰ পৰা আহিও তাত ICDS Project বিলাক আছিল। তাৰ কাৰণে জনপ্ৰতিনিধিসকলৰ অসুবিধা হৈছিল, monitor কৰিবলৈ আমাৰো  অসুবিধা হয় আৰু আপোনালোকৰো অসুবিধা হয়। এইখিনি নাইকিয়া কৰিবৰ কাৰণে আমি Per LAC quo turminus চেষ্টা কৰি আছো। আপুনি যিখিনি সমস্যাৰ কথা কৈছে মই নিশ্চয় নোট কৰি লৈছো আৰু এইখিনি নাইকিয়া কৰিবৰ কাৰণে চেষ্টা কৰিম। দ্বিতীয়তে, আপুনি যিটো নিযুক্তিৰ কথা কৈছে আমি এইখিনি কথা Government of India ৰ guideline মতে কৰি থাকো। কাৰণ ইয়াত নিয়মটোৱে হৈছে যাৰ বেছিকৈ নাম্বাৰ থাকে, মেধাভিত্তিত নিযুক্তিবিলাক হ'ব লাগে। এনেকুৱা যদি অনুৰূপ হৈছে, আপুনি যদি মোক specific  ভাবে কথা কয়, মই নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ডাঃ আচিফ মহম্মদ নাজাৰ।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী ডাঙৰীয়ানি, যোৱা ২০২৪-২৫ ত ছাত্ৰ-ছাত্ৰী সকলৰ পুষ্টিকৰ খাদ্যৰ বাবে পুঁজি আৱণ্টন কৰা হৈছিল, এই পুঁজি আৱণ্টন কৰাৰ পিচতো যোৱাবছৰ  চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ মাহত খাদ্য দিয়াৰ পিছত যোৱাবছৰ ডিচেম্বৰ মাহৰ পৰা কোনো খাদ্য দিয়া হোৱা নাই। মোৰ সমষ্টিত ৪৬৩ অঙ্গনবাড়ী চেণ্টাৰ আছে। ইয়াৰ পিছতো ডিচেম্বৰ মাহৰ পৰা কোনো খাদ্য নাই। ৬ মাহৰ পৰা ৩ বছৰ ল'ৰা-ছোৱালীক যি মটৰ, চাউল দিয়া হৈছিল, এইবোৰ সম্পূৰ্ণ ৰূপে বন্ধ। ইয়াৰ কাৰণটো জানিব বিচাৰিছো ইয়াৰ লগতে যিটো চুজিৰ পেকেট দিয়া হয়, কেৱল চুজিৰ পেকেট দিলেই নহ'ব, গেছৰ কাৰণে পইচা নাই, চেনীৰ কাৰণে পইচা দিয়া নহয়, গাখীৰৰ কাৰণে পইচা দিয়া নহয়। গতিকে কি ধৰণে এই চুজি খোৱ হ'ব আৰু সেই চুজি বহুত ল'ৰা-ছোৱালীয়ে খাব নিবিচাৰে। গতিকে ইয়াৰ বাবে মন্ত্ৰী ডাঙৰীনিয়ে ইমানখিনি পইচা আৱণ্টন দিয়াৰ পিছতো কিয় খাদ্যৰ যোগান দিব পৰা নাই তাৰ কাৰণটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানি।

**শ্ৰীমতী অজন্ত নেওঁগ, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো মোৰ জ্বলেশ্বৰ সমষ্টিৰ আছিল। মাননীয় বিধায়ক ডাঙৰীয়াই specific তেনেকুৱা ধৰণৰ প্ৰশ্ন সোধে বা মোক লিখিতভাৱে দিয়ে। মই আপোনাক উত্তৰ দিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আব্দুৰ ৰচিদ মণ্ডল। জ্বলেশ্বৰ সমষ্টিৰ কথা।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, উত্তৰ গোৱালপাৰা** ঃ ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নকৰ্তাই ইতিমধ্যে কথাখিনি কৈছে। যিটো juridiction, contradiction দুটা লক্ষীপুৰ আৰু জুলেশ্বৰ project. আগতে এই কথাখিনি আহিছিল মন্ত্ৰী মহোদয়ে action লোৱা কাৰণে ধন্যবাদ জনাইছো। কিন্তু ইয়াত আৰু এটা ক'ব লাগিব যে, জুলেশ্বৰ project ত CDPO নাই, লক্ষীপুৰ project ত CDPO এজনে তেওঁৰেই জুলেশ্বৰৰ project টো চলাই আছে। আজি মোল্লা ডাঙৰীয়াৰ যিখিনি আহিছে প্ৰায় আমি দুই এজন বিধায়ক একেটা সমষ্টিৰ হৈ গৈছো। গতিকে দুই এজনে ক'ব লগাত পৰিছো। গতিকে মই বাইদেউক অনুৰোধ কৰিম যে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এখন চিঠি আপোনালৈকে দিয়া হৈছিল আপুনি agree ও কৰিছিল last budget session ত। বিভাগক instruction ও দিছিল এগৰাকী মহিলাক। মই আজি সদনত পুনৰবাৰ আপোনাক অনুৰোধ কৰিছো সেই গৰাকী মহিলাক জুলেশ্বৰ project ত transfer দিয়ে। মই ভাৰো ৰাইজৰ উপকাৰ কৰে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়ানি।

**শ্ৰীমতী অজন্ত নেওগ, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক কৈছিলো যে transfer posting বিলাক সকলো সময়তে কৰি থাকো, তেতিয়াহ'লে disturb হয়। গতিকে যিহেতু আমি এটা সময়ত transfer posting বিলাক কৰিম সেইখিনি সময়ত আপোনাৰ প্ৰস্তাৱটো বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং-৬৭ ড০ ৰফিকুল ইছলাম। মাননীয় মন্ত্ৰী ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ Supplementary.

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল বৰপেটা গোটেই জিলাত জলজীৱন মিছনৰ কিমানখিনি progress হৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ আগতেও এটা প্ৰশ্ন উত্তৰত তেখেতে কৈছে যে portal ত দিছে বা কাগজে-কলমে আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম কেৱল portal আৰু কাগজ-কলমৰ ওপৰত ভৰষা কৰি থাকিব নালাগে। Practically মানুহে পানী পাইছেনে নে নাই তাৰ প্ৰতি লক্ষ্য কৰিব লাগে। মোৰ সমষ্টিত ১৬৭ আঁচনি চেংশ্যন আছিল, তাৰে ১১৫ সম্পূৰ্ণ দেখুৱাইছে। ৫২ টা সম্পূৰ্ণ হোৱা নাই। মন্ত্ৰী মহোদয়ৰ প্ৰতি প্ৰশ্ন থাকিল যে ৫২ টা এতিয়াও incomplete হৈ আছে। এইখিনি অতি সোনকালে complete কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু যি ১১৫ টা সম্পূৰ্ণ হোৱা বুলি কৈছে, সেইখিনি কাগজে-কলমেহে হৈছে। মন্ত্ৰী মহোদয়ক মই এই বিষয়ে দায়িত্ব সহকাৰে ক'ব পাৰো আৰু যিমানসংখ্যক মানুহক দিছিল, পানী পাই আছে। মানুহে পানী পাই থকা নাই বহুত সমস্যাও হৈছে আৰু সমস্যা নতুনকৈ create ও হৈছে। জলমিত্ৰ সকলে আন্দোলন কৰি আছে, পইচা বঢ়াব লাগে তাৰপ্ৰতিও গুৰুত্ব দিব লাগে। গতিকে মানুহক পানী দিব বিচাৰিলে জলমিত্ৰ সকলৰ সুবিধাৰ লগে লগে পানী পাই আছে নে নাই এই খবৰখিনি নিয়মিতভাৱে ৰাখিব লাগে আৰু যিখিনি পেপাৰত দিছে ঠিক তেনেকৈ নহয়, living example দিছো। মোৰ কলগাছিয়াত দুটা scheme দিছে। মোৰ নিজৰ ঘৰৰ কাষতে পানী নাই। মোৰ ঘৰৰ সন্মুখত যি পাইপ এবছৰৰ আগত বহুৱাইছে, তাত কিন্তু এতিয়াও মোৰ গাওঁৰ মানুহখিনিয়ে পানী পাই থকা নাই। মই কলগাছিয়াৰে ল'ৰা। গতিকে এইটো এটা বুজিব পাৰে যে বাকী ঠাইবিলাকত কেনেকুৱা হৈ আছে। হয়, কিছুমানে পানী পাই আছে, মই কোৱা নাই যে একেবাৰে পোৱা নাই। কিন্তু pa-

per আৰু portal ৰ দৰে নহয়। গতিকে এইখিনি বাস্তৱত যাতে মানুহে পায়. কিমানদিনৰ ভিতৰত সকলো যিখিনি ১১৫ টা সম্পূৰ্ণ দেখুৱাইছে, সেইখিনি মানুহে পানী পাব নে? সেইখিনি কথা মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ বিচাৰিছো।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত সমষ্টিত যিখিনি ১১৫ টা আঁচনি সম্পূৰ্ণ হৈছে, তাৰ তথ্য যদি আপুনি বিচাৰে, আমাৰ IMS ত ইমানলৈকে আছে যে আপোনাক নামো যদি লাগে কোন কোন মানুহে পানী পাইছে, তাৰ নামো দি দিম। কেৱল সংখ্যা কোৱা নাই মানুহ গৰাকীৰ নামো দি দিম যে এই কেইজন মানুহৰ ঘৰত পানী দি আছো। তাত যদি পোৱা নাই মোক লিখিতভাৱে specific দিয়ক যে এইটো scheme ত এই কেইজন মানুহে পানী পোৱা নাই আপোনালোকে পোৱা বুলি দেখুৱাইছে। মই তেতিয়া immediately action ল'ব পাৰো। মই immediately action ল'ব পাৰো। মই immediately কামটো কৰিব পাৰো আপুনি specific ক'ব লাগিব যে ইমানেই পোৱা নাই বুলি ক'লেতো নহ'ব। ১১৫ টা আমাৰ scheme ত পানী গৈ আছে তাত আপুনি তথ্য সহকাৰে মোক দি দিয়ক যে এইটো scheme ইমান জন মানুহ portal ত দেখাইছে ইমান জনে পোৱা নাই। মই তেতিয়া আপোনাক নাম দি দিম যে এইকেইজনে পাই আছে। নামটো চেক কৰি লওঁক। যদি তাতো কিবা থাকে তেতিয়াহ'লে মই immediately action ল'ম। কথাটো হ'ল যে অসমৰ এতিয়াও ২৭ হাজাৰ scheme ত এজন এজন মানুহ পঠিয়াই চাব নোৱাৰো। গতিকে চোৱাৰ দায়িত্বটো আপোনালোকৰ গাওঁৰ মানুহ লৈ মোক দিব লাগিব আৰু আমি ৰাইজৰ কাৰণে উপলব্ধ কৰি দিছো। আপোনালোকে চাই মোক কৈ দিয়ক যে এইটোত চলি থকা নাই। দ্বিতীয় কথাটো এইটোনে যে জলমিত্ৰ সকলৰ কতো এনেকুৱা নহয় ২-৪ জন মানুহ মাজে মাজে আহে, প্ৰদৰ্শনী কৰিব খুজে কিন্তু অসমৰ জলমিত্ৰ সকলে সুন্দৰ ভাৱে কামকৰি আছে। কিন্তু জলমিত্ৰ সকলে আন্দোলন কৰি আছে বুলি উচতাই নিদিব। আমাৰ সমষ্টি বিলাকত, আমাৰ অঞ্চলবিলাকত কোনো জলমিত্ৰ আন্দোলন নকৰে, সুন্দৰভাৱে কাম কৰি আছে। নিশ্চয়কৈ মই তেওঁলোকৰ এই কথাটোও কওঁ যে তেখেত সকলৰ চাৰে ছয় হাজাৰ টকা কেনেকৈ বঢ়াব পাৰি, অন্যান্য তেওঁলোকৰ কিবা security ৰ ব্যৱস্থা কৰিব পাৰি নেকি যে তেওঁলোকৰ হঠাৎ ঢুকাই গ'লে কি সুবিধা দিব পাৰি, কিবা insurence ৰ ব্যৱস্থা কৰিব পাৰি নেকি এই ধৰণৰ পৰিকল্পনাবিলাক মই তেওঁলোকৰ লগত পাতি আছো। কিন্তু কিছুমান মানুহে ইচ্ছাকৃতভাৱে ৰাজনৈতিক ব্যৱস্থাৰ মাজেৰে তেওঁলোকক উচতাই আছে আন্দোলন কৰক, আন্দোলন কৰক। এইটো নহ'ব নহয়। যিসকলে বছৰ বছৰ ধৰি দৰমহা পোৱা নাছিল।

**ড০ ৰফিকুল ইছলাম, জনীয়া** ঃ উচতাই দিয়া নাই। মানুহৰ সমস্যাৰ কথা যদি জনপ্ৰতিনিধি হিচাপে আমি আনো আমাক আপুনি blame দিব নোৱাৰে যে আমি উচতাই আছো। সেইটো কথা নহয়।

(সদনত কথাৰ মাজত গণ্ডগোল)

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, গতিকে তেখেত সকলৰ যিখিনি অসুবিধা আছে সেইখিনিৰ প্ৰতি আমি সমাধান কৰাৰ চেষ্টা কৰিম। তাৰ কাৰণে আমাৰ দৃষ্টি আছে, কিন্তু এইটো ক'ব নালাগে যে regular পাই থকাৰ পাছত আমি অকমান তেওঁলোকৰ সমস্যা বিলাক চাব বিচাৰিছো। আমি অস্বীকাৰ কৰা নাই যে নহয় বুলি।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon'ble Speaker Sir, I have submitted one Breach of Privilege Motion. I may kindly be allowed to move the motion under Rule 162.

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো Breach of Privilege Motion আনিছে তাৰে এটা Question ৰ ওপৰত আছে। Question ৰ ক্ষেত্ৰত আপুনি যি অভিযোগ আনিছে সেইটো বিভাগলৈ পঠিয়াবলৈ মই নিৰ্দ্দেশনা দিছো। বিভাগৰ ফালৰ পৰা view আহিলে আপোনাক এই বিষয়ে জনাম। তাৰ ওপৰত যদি এনেকুৱা কিবা থাকে নিশ্চয়কৈ ব্যৱস্থা গ্ৰহণ কৰিম। দ্বিতীয়তে, আপোনাৰ আৰু এটা আছিল যে....

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা এটা Breach of Privilege আছিল, সেইটো move কৰাৰ বাবে অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ নোটিচ মই পোৱা নাই।

**শ্ৰী ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা নোটিচ দিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। মই ইয়াৰ ওপৰত কৈ আছো। মই আৰু এটা পাইছিলো যে আমাৰ সন্মানীয় মন্ত্ৰী এজনৰ ভাষণৰ ওপৰত অভিযোগ আনিছে। কিন্তু এনেকুৱা ধৰণৰ Breach of Privilege ৰ কথা মই পোৱা নাই। সেইকাৰণে এইটো Disallow কৰিছো।

**শ্ৰী ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা নোটিচ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** 11 hour ত দিলে Rule কে আদি কৰি সকলোখিনি চাব লাগিব। সেয়েহে এইটো under consideration আছে।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, time over হৈছে, আমি পিছত দিব পাৰিম নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপেনালোকে দি থাকিব পাৰে। আজি আৰু নহ'ব কাৰণ Rule কে আদি কৰি সকলোখিনি চাব লাগিব।

**শ্ৰী ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কালিয়েই দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ আছে। মই ইয়াৰ ওপৰত কৈ আছো। আপোনালোকে যি বিষয়ৰ ওপৰত উত্থাপন কৰিব খুজিছে তেনেকুৱাধৰণৰ Breach of Privilege ৰ বাবে যিখিনি প্ৰমাণ নিয়ম মতে পাব লাগে সেইখিনি পোৱা নাই। সেইকাৰণে মই Disallow কৰিছো।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন মাননীয় মন্ত্ৰীয়ে সংবিধানৰ শপত খাই অসমত যিমান সম্প্ৰদায়ৰ লোক আছে, সকলোৰে লগত ন্যায় কৰিব, সম দৃষ্টিত চাব বুলি সংবিধানৰ শপত খাইছে আৰু সেইজন মন্ত্ৰীয়ে মই তেখেতৰ নামটো কৈ দিছো মাননীয় অশোক সিংহল ডাঙৰীয়া। তেখেতে কৈছে যে 'মিঞা জনগোষ্ঠীৰ লগত তেওঁ এশ শতাংশই নাই। মই এই জনগোষ্ঠীৰ বিৰোধী।' বাকী জনগোষ্ঠীক তেখেতে উচটাইছে যে তেওঁলোকে এই জনগোষ্ঠীৰ লগত গ'লে তেওঁ তেওঁলোকৰ লগতো নাথাকে। এজন মাননীয় মন্ত্ৰী হৈ এনেকুৱাধৰণৰ অ-দায়িত্বশীল মন্তব্য কোনো ধৰণে গ্ৰহণযোগ্য নহয়। .........interruption.........

**মাননীয় অধ্যক্ষ ঃ** .........interruption.......এই সকলোবোৰ Rule ত আহিব লাগিব। Rule ত আছে, সেই মতেহে আগবাঢ়িব পাৰিম।..........interruption.........

**শ্ৰী ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে মন্ত্ৰীৰ যোগ্যতা হেৰুৱাইছে।

তেখেতে এক কোটি জনগোষ্ঠী থকা মানুহৰ লগত নাই আৰু তেওঁলোকক বেয়া পায়। তেওঁলোকৰ লগত থাকিলে বেলেগ জনগোষ্ঠীকো তেওঁ ভাবুকি দি আছে। এনেকৈ তেখেতে কাম কেনেকৈ কৰিব। তেখেতে বহু কেইটা গুৰুত্বপূৰ্ণ বিভাগ চলাই আছে। ..........interruption......... এই জনগোষ্ঠীৰ মানুহ গোটেই অসমত বসবাস কৰে।

**মাননীয় অধ্যক্ষ ঃ** .........interruption.......আপুনি কথাখিনি ক'লে আৰু মই মোৰ কথাখিনি ক'লো।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়,..........interruption......... তেখেতক বৰ্খাস্ত কৰিব লাগে। তেখেতৰ মন্ত্ৰীত্বৰ যোগ্যতা হেৰুৱাইছে। যিহেতু তেখেতে সকলোকে সম দৃষ্টিত চাব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** .........interruption.......মাননীয় ৰফিকুল ডাঙৰীয়া, মই ইতিমধ্যে আপোনালোকক ক'লো যে আপোনালোকে যি Notice আনিছে, as per Rule Privilege ত অনাৰ নিয়মটো নাই।.........interruption....... বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু সহযোগীসকলৰ আৰু এটা Privilege ৰ নোটিচ আছে। .........interruption....... আপোনালোকে কিহৰ কাৰণে আনিছে আপুনি ক'লে। এতিয়া আপুনি বহক। আপুনি যি দুখত কৈছে সেইটো ঠিকেই আছে। কিন্তু মই কৈছো যে এই নোটিচ খন যিটোৰ ওপৰত দিছে, ইয়াৰ ওপৰত সদনৰ মজিয়াত Breach of Privilege Motion আনিবৰ বাবে যিখিনি প্ৰমাণ লাগে আৰু নিয়ম মতে যিখিনি হ'ব লাগে, সেইখিনি পোৱা নাই। .........interruption.......

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অভিযোগ খিনি গ্ৰহণ কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। কিন্তু আপোনাৰ আসনৰ পৰা আমি বিচাৰো যে এজন মন্ত্ৰী হৈ কেনেকৈ এই ধৰণৰ মন্তব্য ..........interruption.........

**মাননীয় অধ্যক্ষ ঃ** .........interruption.......সকলোৱে এনেকৈ ভাষণ দি থাকে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ..........interruption........ তেখেতৰ এই বক্তব্য গৰিহণাযোগ্য। বিধান সভাত গৰিহণাৰ প্ৰস্তাৱ লোৱা হওঁক। তেখেতে যদি মন্ত্ৰীৰ আসনত থাকিব বিচাৰে তেখেতে এই জনগোষ্ঠীক ক্ষমা খুজক।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ ঃ** .........interruption.........

The House is Adjourn for 20 minutes.

**(The House resumed its proceedings from 11:00 AM)**

**(Hon'ble Deputy Speaker in the Chair)**

**মাননীয় উপাধ্যক্ষঃ** এতিয়া Members' Hour- Diganta Ghatowal

........interruptions...

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যোৱাকালি breach of privilege ৰ এটা notice দিছিলো। বিষয়টো বহুত গুৰুত্বপূৰ্ণ গতিকে ইয়াৰ ওপৰত ক'বলৈ সুযোগ দিব লাগে ...interruptions...

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মন্ত্ৰী মহোদয়ে শপত ভংগ কৰিছে। তেখেতে শপত লৈছিল যে বিদ্বেষহীন ভাৱে সকলোৰে প্ৰতি সম দৃষ্টি ৰাখি কাম কৰিব। যিহেতু এই শপত তেখেতে ভংগ কৰিছে গতিকে শপত ভংগ কৰি তেখেত এজন মন্ত্ৰীৰ চকীত থাকিব নোৱাৰে। আমি তেখেতৰ resignation দাবী কৰিছো ..interruptions...

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** তেখেতে শপত ভংগ কৰিছে, গতিকে আমি তেখেতৰ পদত্যাগ দাবী কৰিছো ....interruptions...

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** বহুত গুৰুত্বপূৰ্ণ কথা আছে চাৰ, সদনত কথাখিনি ৰাখিব দিব লাগে। আমি কালি ৭ঃ৩০ বজাতে breach of privilege ৰ notice দিছিলো চাৰ। নিয়ম মতে ১ ঘণ্টা আগত দিব লাগে কিন্তু আমি ১৪ ঘণ্টা আগতে দিছো ..interruptions...

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই অনা breach of privilege ৰ notice খন আলোচনাৰ বাবে সুযোগ দিব লাগে .......interruptions.....

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় উপাধ্যক্ষঃ** সকলো বহক। মই থিয় হৈছো। অধ্যক্ষ থিয় হ'লে আপোনালোক বহিব লাগে। এইটো নিয়ম। গতিকে সকলো বহক। মই ক'ম তাৰ পিছত আপোনালোকৰ যি থাকে ক'ব।

মাননীয় সদস্যসকল, কোকৰাঝাৰত আমাৰ বিধান সভাৰ যি এদিনীয়া অধিবেশন হৈছিল, তাত Governor's Speech আছিল। Governor's Speech ৰ ওপৰত আপোনালোকে সদনত privilege motion আনিছে, ঠিকে আছে। এই privilege motion টো Governor's speech ৰ ওপৰত অনা বুলি কৈছে আপোনালোকে। কিন্তু Sixth Schedule area ৰ discussion ৰ ওপৰতহে মন্ত্ৰী মহোদয়ে debate কৰোঁতে statement টো দিছিল। আপোনাকে in order ত এই privilege motion টো অনা নাই। সেয়েহে এইটো turn down কৰা হৈছে। আপোনালোকে motion টো proper way ত আনক। আপোনালোকৰ procedure টো ভুল হৈছে। সেইটো শুদ্ধ কৰক। এতিয়া Members' Hour .... ...interruptions......

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** উপাধ্যক্ষ মহোদয়, আমি দিয়া motion টো procedure maintain কৰি আনিছিলো । অসমত ........ ...interruptions...

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকে Governor's Speech ৰ ওপৰত বুলি কৈছে ... ...interruptions...

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** চাৰ, তেখেতে অসমীয়া জাতিৰ বিৰুদ্ধে কৈছে। তেখেতে ক্ষমা খুজিব লাগে। তেখেতে পদত্যাগ কৰিব লাগে। তেখেতৰ মন্ত্ৰীত্বৰ কোনো অধিকাৰ নাই ... ...interruptions...

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকে Proper way ত আনক। এইখন বিধান সভা হয়। আপোনালোকৰ কথা মতে নহয়। ইয়াত Rule আছে, Rule মতে হ'ব ........... ...interruptions....

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** তেখেতৰ কিয় বিদ্বেষ ...interruptions...

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকৰ Notice খন turn down কৰা হৈছে। আজি আপোনালোকক সুযোগ দিয়া নহ'ব। আপুনি যিটো accuse কৰিছে, সেইটো proper way

ত কৰা নাই। You failed to bring that motion.... ...interruptions...

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** তেখেতে শপত লৈছিল.... ...interruptions...

**माननीय উপাধ্যক্ষঃ** আপোনালোকে Rule টো পঢ়ক। Try to read this Rule Book. সদন Rule ৰ মতে চলিব। আপোনালোকৰ মতে নহয়। I can not run the House according to your wish or my wish. আপোনালোকে Rule মতে আনক। আমি চিন্তা কৰিম। Please sit down. এনেকৈ নহয়।

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** আমি Rule মতে আনিছো ...interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** চাৰ এইটো বহুত sensitive matter হয়। মন্ত্ৰীয়ে লোৱা শপত ভংগ কৰিছে। অৰ্থাৎ তেওঁ মন্ত্ৰী হৈ থকাৰ যোগ্যতা হেৰুৱাইছে। এইটো আটাইতকৈ ডাঙৰ কথা ...interruptions...

**माननीय উপাধ্যক্ষঃ** You should understand......interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** It is your duty.......interruptions...

**माननीय উপাধ্যক্ষঃ** It is my duty. I am delivering my duty.You can not say like this. If you bring it in proper way, we will consider it. এনেকৈ নহয়। আপোনালোকে Rule পঢ়িব .....interruptions... সেইটো Sixth Schedule areaৰ ওপৰত debate হৈছিল, Governor's Speech ৰ ওপৰত নহয়। Please sit down......interruptions...

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** ভগৱানৰ নামত শপত গ্ৰহণ কৰি তেখেতে সন্দেহ কৰিছে......interruptions...

**माननीय উপাধ্যক্ষঃ** আপোনালোকে হাজাৰ হাজাৰ লোকক প্ৰতিনিধিত্ব কৰিছে। সেই লোকসকলে ভাৱিব আমাৰ বিধায়ক সকলে Rule নজনাকৈ এইটো কেনেকৈ আনিছে। Proper way ত আনক। এনেয়ে আনি জোৰ জবৰদস্তী হাল্লা কৰি থাকিলে নহ'ব নহয় ...interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** माननीय উপাধ্যক্ষ মহোদয়.......interruptions...

**माननीय উপাধ্যক্ষঃ** শ্বেৰমান আলী ডাঙৰীয়া, আপুনি Rule টো পঢ়ক ........interruptions...

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** উপাধ্যক্ষ মহোদয়, আমি proper way ত আনিছো

(সদনত এ.আই.ইউ.ডি.এফ দলৰ সদস্যসকলে প্লে' কাৰ্ড দেখুৱাই অধ্যক্ষৰ আসনৰ ফালে আগুৱাই যায় আৰু উপাধ্যক্ষৰ সন্মুখত তীব্ৰ প্ৰতিবাদ কৰে)

**माननीय উপাধ্যক্ষঃ** আপোনালোক গোটেইকেইজনকে ১০ মিনিটৰ কাৰণে suspend কৰা হ'ল। তেওঁলোকক বাহিৰত লৈ যাওঁক।

( माननीय উপাধ্যক্ষই প্ৰতিবাদী সদস্যসকলক সদনৰ পৰা বাহিৰত উলিয়াই দিবলৈ মাৰ্শ্বালক নিৰ্দেশ দিয়ে)

আমি বাৰে বাৰে সদন স্থগিত কৰিব নোৱাৰো। ৰাইজৰ tax ৰ টকাৰে চলা সদনখন মই বাৰে বাৰে স্থগিত ৰাখিব নোৱাৰো।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** চাৰ, সকলোকে অকণমান শালীনতা ৰাখিবলৈ ক'ব লাগে। এই ঘটনাটো উদ্ভৱ হৈছে মন্ত্ৰী মহোদয়ৰ এটা বক্তব্যৰ বাবে। সদনৰ ভিতৰতে হওঁক বা বাহিৰত হওঁক, বিধায়ক পদৰ মৰ্যাদা যাতে সকলোৱে ৰাখে তাৰ বাবে আপুনি আহ্বান জনাওক। এইয়ে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষঃ** ইয়াৰ ওপৰত আমি আলোচনা কৰিম। এতিয়া Members' Hour- Diganta Ghatowal, তেওঁ আছে নে নাই? Rupsing Teron.

**শ্ৰী ৰূপসিং টেৰণ (বৈঠালাংচ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়.... interruptions....

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** উপাধ্যক্ষ মহোদয়, Members' Hour ত মোৰ এটা submission আছে... interruptions....

**মাননীয় উপাধ্যক্ষঃ** আপুনি কি হিচাপত উঠি কৈছে? Members' Hour ত সদস্য গৰাকীয়ে কথা কৈ আছে। তেখেতক ক'বলৈ দিয়ক। আপুনি বহক।

**শ্ৰী ৰূপ সিং টেৰণ (বৈঠালাংচ)ঃ** মোৰ সমষ্টিত basically মেঘালয় সীমান্তৰতী অঞ্চলত ঘনে ঘনে border dispute হৈ থাকে। এই সমস্যাবোৰ সমাধান কৰিবলৈ তাত উপযুক্ত থানা বা BOP ৰ ব্যৱস্থা নাই। আপোনালোকে জানে যে হামৰেণৰ পৰা ৪৪ কিঃমিঃ দূৰত্বত মেঘালয় সীমান্ত আৰু Ulukunchi approach ৰ পৰা border লৈকে ৫৫ কিঃমিঃ। কিন্তু তাত হঠাৎ কিবা law and order situation হ'লে লগে লগে control কৰিবলৈ উপযুক্ত ব্যৱস্থা নাই। বৰ্তমান ৬ টা BOP ৰ ব্যৱস্থা কৰিছে কিন্তু BOP ৰ জৰিয়তে এই সমস্যাৰ সমাধান নহয়। সেইকাৰণে Khanduli, Umplapher এনে ঠাইবোৰত থানা বা BOP স্থাপন কৰাৰ বাবে ৰাইজে বহুত দিনৰ পৰা দাবী কৰি আছে। সেয়েহে, BOP স্থাপন কৰাৰ বাবে মইও আজি এই পৱিত্ৰ সদনত অনুৰোধ কৰিছো। মেঘালয়ৰ সীমান্তৰতী অঞ্চলত থকা ১৭ খন গাঁৱে Meghalaya Council Election ত ভোটদান কৰিছে। অকল ভোটদান বুলিয়েই নহয়, Umplapher নামৰ ঠাইত প্ৰতিদ্বন্দিতা কৰিছে। এইটো পক্ষত নিৰ্বাচন হওঁতে DC আৰু SP ৰ অধীনত বৃহত্তৰ প্ৰচাৰ হোৱাটো মই দেখা নাই। আপোনালোকে জানে যে সীমান্তৰতী অঞ্চলত চৰকাৰৰ আঁচনি ৰূপায়ণ কৰাৰ সুবিধা নিদিয়ে। ফলত সেই অঞ্চলৰ মানুহে সমস্যাত ভুগি আছে। যেতিয়া border dispute ৰ কথা ওলায় তেতিয়া মানুহক assurance দিয়া হয় যে থানা আৰু BOP বনাই দিয়া হ'ব। কিন্তু situation control হোৱাৰ পিছত এই commitment টো নাইকিয়া হৈ যায়। সেইকাৰণে আজি সীমান্ত এলেকাত শান্তি বৰ্তাই ৰাখিবৰ কাৰণে আৰু লগতে উন্নয়ণৰ কাম-কাজৰ সুবিধা কৰিবৰ কাৰণে বিশেষকৈ তাৰ Law & order situation কৰিবৰ কাৰণে মই পুনৰ demand কৰিব বিচাৰিছো, basically সীমান্ত অঞ্চলৰ থানা নতুবা POP স্থাপিত হ'ব লাগে। ইয়াৰ জৰিয়তে আপোনালোকে জানে যে basically সীমান্ত অঞ্চলৰ থানা control ৰাখিবৰ কাৰণে আৰু Law & order situation চাবৰ কাৰণে লগতে উন্নয়ণৰ কাম-কাজৰ কাৰণে আৰু এই সুযোগতে ক'ব বিচাৰো Article-244 যাতে সোনকালে ৰূপায়ণ কৰে, এই সুযোগতে মই পৱিত্ৰ সদনত demand আৰু অনুৰোধ কৰিছো। এই সুযোগতে মই সীমান্ত এলেকাৰ সমস্যা বিলাক সদনত দাঙি ধৰিছো আৰু লগতে কাৰ্বি আংলংৰ ৰাইজে Article-244 পদক্ষেপ লয় তাকে মই পৱিত্ৰ সদনত demand আৰু অনুৰোধ কৰিছো।

মাননীয় উপাধ্যক্ষঃ ধন্যবাদ। সন্মানীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী ৰূপসিং টেৰন ডাঙৰীয়াই যিটো বিষয় আনিছে under rule 23(d), Rules of Proceedure and conduct of business in Assam Legislative Assembly এই সম্পৰ্কত চৰকাৰ serious আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ মই উত্তৰ

দিছো। মুখ্যমন্ত্ৰী মহোদয়ো এই বিষয়ত বহুত serious. আমাৰ অসম আৰু মেঘালয়ৰ সীমা লৈ

বহুত বিবাদ চলি থাকে যিটো তেখেতে উল্লেখ কৰিছে। তেখেতৰ এলেকাটোৰ বহু খিনি ঠাই মেঘালয় সীমান্তৰ লগত লাগি থকা, সেইকাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসম মেঘালয় সীমান্ত যাতে ঠিক হয়, কোনো ঠাইত গণ্ডোগোল নহয়, Law & Order situation ভালকৈ maintain হয়, তাৰ কাৰণে তেখেতে মন্ত্ৰী পৰ্য্যায়ত ৬ খন সমিতি গঠন কৰি দিছে। সেইমতে সমিতি কেইখনে কাম কৰি মুখ্যমন্ত্ৰী পৰ্য্যায়ত আলোচনা কৰি বহু খিনি কথা নিষ্পত্তি কৰিছে আৰু কিছু কথা নিষ্পত্তি কৰিবলৈ বাকী আছে। মাননীয় সদস্য গৰাকীৰ ক্ষেত্ৰত এটা কথা ক'ব বিচাৰিছো, অসম চৰকাৰে ইতিমধ্যে অসম মেঘালয় আন্তঃৰাজ্যিক সীমাভূমিত বেদখল, সীমান্তত হোৱা ঘটনা আৰু অৰণ্য সংৰক্ষণৰ কাৰণে ৬ খন সীমান্ত চকী নিৰ্মাণ কৰিছে। Border Outpost টোত ৬ খন নিৰ্মাণ কৰা হৈছে। মেঘালয় সীমান্তৱৰ্ত্তী এলেকাত বন বিভাগৰ Range Office এটা আছে। আনহাতে উম্বাং, মক্ৰো আৰু কাৰ্বি হিডিত তিনিটা নতুন সীমান্ত চকী নিৰ্মাণৰ বাবে চৰকাৰে অনুমোদন দিছে। এই তিনিটা চৰকাৰে ইতিমধ্যে চেংচন কৰিছে। বৰ্তমান খান্দুলী আৰু উম্ৰা খেৰাত থানা নিৰ্মাণৰ পৰিকল্পনা নাই। অৱশ্যে যিকোনো আইন শৃংখলা জনিত কাৰণত অতিৰিক্ত বেটেলিয়ন নিয়োগ কৰা হয়। উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ ইতিমধ্যে যিটো খান্দুলীৰ proposal সেইটো চৰকাৰলৈ আহিছে, DGP অফিচৰ পৰা আৰু বাকী দুটাৰ proposal মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে সেইকেইটা proposal অহা নাই। গতিকে আজি তেখেতে ইয়াত যিটো Rule 23(d) এই বিষয়টো আনিছে নিশ্চয় চৰকাৰে DGP অফিচত জনাব আৰু তাত থানাৰ যদি প্ৰয়োজন হয়, তেতিয়াহ'লে সেই proposal টো আহিব। ইতিমধ্যে তিনি খন তাত চেংচন কৰা হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় বঙাগাওঁত যিখন SP Conference হৈছিল তাত মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যিটো আমি সকলোৱে appreciate কৰা উচিত আৰু আমি সকলোৱে appreciate কৰিছোও। তেওঁ কৈছিল যে পেট্ৰ'ল পোষ্ট আৰু আউট পোষ্ট বিলাক phase ban ৰ উঠাই দিব লাগে আৰু উঠাই দি প্ৰতিটো পেট্ৰ'ল পোষ্ট আৰু আউট পোষ্ট থানালৈ ৰূপান্তৰিত কৰিব লাগে, তেতিয়াহ'লে তাত বৃহৎ এলেকাও হয় আৰু বহুখিনি পৰিমাণে ভাল হয়। সেইবাবে মাননীয় সদস্য গৰাকীক মই এইখিনি কথা ক'লো যে এটা প্ৰস্তাৱ আহিছে, বাকী দুটা প্ৰস্তাৱ DGP অফিচত জনোৱা হ'ব, সেইটোৰ প্ৰয়োজন আছে নে নাই তেওঁলোকে DGP য়ে সেইটো কথা জনাব লাগিব। গতিকে অধ্যক্ষ ডাঙৰীয়া, বাকী তিনিটা ইতিমধ্যে চেংচন হৈ আহিছে, সোনকালে কাম আৰম্ভ হ'ব আৰু বাকীটো মই ইতিমধ্যে ক'লো যে ৬ খন সীমান্তচকী তাত আছে আৰু এটা range অফিচো আছে forest ত আৰু তাৰ উপৰিও তাত কাৰণ মাজতে এটা ঘটনা হৈছিল আমি জানো গতিকে anytime তাত যিমান লাগে সিমান বেটেলিয়ন মোটায়ন কৰাৰ বাবে পুলিচ বিভাগে এইটো ব্যৱস্থা ৰাখিছে। গতিকে মই ভাৱো সীমান্তৱৰ্ত্তী এলেকাত তেখেতৰ যিটো শংকা হৈছে সেই শংকাটো নহয়। আমাৰ মানুহখিনি সম্পূৰ্ণৰূপে নিৰাপদে থাকিব পাৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী দিগন্ত ঘাটোৱাল, আপোনাৰ তিনিটা বিষয় আছে, শিক্ষা, বন আৰু পৰিৱেশ, উদ্যোগ আৰু বাণিজ্য ৫ মিনিট কৈ তিনিটা বিষয় ১৫ মিনিটত শেষ কৰিব।

**শ্ৰী দিগন্ত ঘাটোৱাল, বিহালীঃ** ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ দুটা শিক্ষা বিভাগৰ লগত জড়িত কথা আছিল। বিহালী সমষ্টিত এতিয়ালৈকে প্ৰাথমিক বিদ্যালয়ত ২৪ খন স্কুলত single teacher আছে, ইয়াৰ কাৰণে কেতিয়াবা শিক্ষক জনৰ অসুবিধা হ'লে সেই স্কুল খন বন্ধ থকাৰ নিচিনা হৈ পৰে। মই জনাত জিলা খনত বহুতো স্কুল আছে য'ত নেকি শিক্ষক বেছি

আছে, তাৰ পৰা শিক্ষক লৈ আহি যিবিলাক স্কুল single teacher ৰে চলাই আছে তাত দিব লাগে। তেতিয়া কম শিক্ষকেৰে চলাই থকা স্কুলবোৰ উপকৃত হ'ব বুলি মই মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। দ্বিতীয়তে আছিল সোতৰপাৰৰ পৰা জোনাইলৈকে বহুতো দুখীয়া ল'ৰা ছোৱালী আছে, পঢ়াশুনাত যথেষ্ট ভাল, তেওঁলোকে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পৰীক্ষা প্ৰস্তুতিকৰণৰ বাবে বা UPSC বা APSC হওঁক coaching centre বিশ্বনাথ জিলাতে হওঁক বা বিহালী সমষ্টিতে চৰকাৰীভাৱে আবাসগৃহ কৰি তাত coaching ৰ ব্যৱস্থা কৰিব পাৰি নেকি ? তাৰ কাৰণে মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

বন বিভাগৰ এটা কথা জনাইছো। বিহালী সমষ্টিত হাতী-মানুহৰ সংঘাত প্ৰায় হৈয়ে থাকে। এই চলিত বছৰত প্ৰায় ২ জন মান ব্যক্তি মৃত্যুমুখত পৰিছে। কাজিৰঙা সংযোগ যিবোৰ অঞ্চল আছে, সেই অঞ্চলত যাতে বন্য-সুৰক্ষা শিবিৰ স্থাপন কৰি, বন্য প্ৰাণীক সুৰক্ষাৰ লগতে হাতী-মানুহৰ সংঘাতো কিছু পৰিমাণে নাইকিয়া হ'ব বুলি মই আশা ৰাখিছো। আৰু যেনেধৰণে বানপানীত আমাৰ খেতি-পথাৰ নষ্ট হয়, insurance ৰ যোগেদি যাতে লাভান্বিত হয় আৰু বন্য প্ৰাণীয়ে যদি খেতি-পথাৰ নষ্ট কৰে তেতিয়াহ'লেও যাতে খেতিয়ক সকলে insurance ৰ সুবিধাটো লাভ কৰিব পাৰে তাৰ বাবে মই বিহিত ব্যৱস্থা কৰিবলৈ মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। তৃতীয়টো আছিল উদ্যোগ আৰু বাণিজ্য বিভাগৰ। মই মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ লগতে অসম চৰকাৰক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো যে অসমৰ সৰ্বাঙ্গীন উন্নয়ণৰ কাৰণে আজি Advantage Assam ত যি বিনিয়োগৰ ব্যৱস্থা কৰিছে উদ্যোগ গঢ়িবৰ কাৰণে, তাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ বিহালী সমষ্টিটো আজি উদ্যোগ বিভাগৰ প্ৰায় ২০০ বিঘা মাটি সংৰক্ষিত আছে। তাতো যাতে এই Advantage Assam ৰ কিবা এটা উদ্যোগ স্থাপন কৰাৰ ব্যৱস্থা কৰে, তেতিয়া সেই অঞ্চলৰ নিবনুৱা সমস্যা সমাধান হোৱাৰ লগতে অৰ্থনৈতিক ভাৱেও স্বাৱলম্বী হ'ব পাৰে। এইখিনি হ'লে আমাৰ ৰাইজ নিশ্চয় উপকৃত হ'ব বুলি মই ভাৱো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় শিক্ষা মন্ত্রী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্রী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক দিগন্ত ঘাটোৱাল ডাঙৰীয়াই বিহালী সমষ্টিৰ একাংশ বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি থকাৰ যি বিষয় উত্থাপন কৰিছে, সেই সন্দৰ্ভত মই জনাওঁ যে বিদ্যালয় সমূহত শিক্ষকৰ rationalization প্ৰক্ৰিয়া চলি আছে। কিছুদিন আগলৈকে বিহালীত প্ৰায় ৫৪ খন বিদ্যালয় আছিল য'ত এজনীয়া শিক্ষক আছিল। এটা সময়ত আমি তাত শিক্ষক দিবই পৰা নাছিলো। Attachment ৰ ভিত্তিত চলাবলগীয়া হৈছিল আৰু শেহতীয়াভাৱে ১৮ খন বিদ্যালয়ত শিক্ষক দিয়া হৈছে। বাকী ৩৪ খন বিদ্যালয়ো আছে। Rationalization ৰ প্ৰক্ৰিয়াটো যিহেতু চলি আছে, বাকী কেইখন বিদ্যালয়তো আমি আৰু একোজনকৈ অতিৰিক্ত শিক্ষক দিয়াৰ ব্যৱস্থা সোনকালে গ্ৰহণ কৰিম বুলি মই মাননীয় বিধায়ক গৰাকীক জনাইছো।

দ্বিতীয়তে, যি coaching ৰ ব্যৱস্থা কৰাৰ কথা কৈছে, সম্প্ৰতি আমি মাধ্যমিক বিদ্যালয় সমূহত career counselling ৰ কাৰণে একোখনকৈ পুঁথি প্ৰদান কৰিছো আৰু online যোগেদি আমাৰ যি Tally Education Smart Class Room আছে, তাৰ জৰিয়তে আমি বিদ্যালয় সমূহত career counselling ৰ ব্যৱস্থা কৰিছো। যিসকল ছাত্ৰ-

ছাত্ৰীৰে নিৰ্দ্দিষ্ট ভাৱে coaching কৰিব বিচাৰে, তাৰবাবে অসম চৰকাৰৰ যুৱ আয়োগ আছে আৰু এই আয়োগৰ অধীনত ডিব্ৰুগড় আৰু তেজপুৰত বিশেষ coaching ৰ ব্যৱস্থা কৰিছে বুলি মই অৱগত। তেজপুৰত প্ৰায় ২০০ জন ছাত্ৰ-ছাত্ৰীৰ কাৰণে coaching ৰ ব্যৱস্থা আছে। যুৱ আয়োগৰ অধ্যক্ষ মাননীয় বিধায়ক তৰঙ্গ গগৈ, মই জনাত প্ৰায় প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ১,২০,০০০ টকাকৈ খৰছ কৰি খুব ফলপ্ৰসূ coaching ৰ ব্যৱস্থা কৰিছে। এই coaching ব্যৱস্থাৰ সুবিধা সমূহ ছাত্ৰ-ছাত্ৰী সকলে গ্ৰহণ কৰিবৰ কাৰণে বা ছাত্ৰ-ছাত্ৰী সকলক তাৰবাবে motivate কৰিবৰ কাৰণে বিধায়ক সকলক মই অনুৰোধ জনাওঁ। তাৰোপৰি আমাৰ প্ৰত্যেক মাধ্যমিক বিদ্যালয়ত যি career counselling ৰ ব্যৱস্থা কৰা হৈছে, তাতো সহায় সহযোগিতা আগবঢ়াবলৈ বিধায়ক সকলক মই অনুৰোধ জনাওঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Minister, Forest.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য দিগন্ত ঘাটোৱাল ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে,তাৰ ওপৰত মই আপোনাৰ জৰিয়তে এইখিনি কথা জনাব বিচাৰিছো যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনত ৩৫ টা বন শিবিৰত থকা বনৰক্ষী সকলে প্ৰতি মূহুৰ্তত বন্য প্ৰাণীৰ সুৰক্ষাৰ বাবে নিজ নিজ কৰ্তব্য পালন কৰি আহিছে। এই সম্পৰ্কত যদি তেখেতে তালিকা বিচাৰে মই তালিকাখন দিব পাৰিম। অনাগত দিনত এই শিবিৰৰ সংখ্যা প্ৰয়োজন সাপেক্ষে বৃদ্ধি কৰাৰ কথাও চিন্তা কৰা হৈছে। এই বৃদ্ধিৰ বাবে পশ্চিম আঞ্চলিক বন (The West Range)গাইখুটীত বন শিবিৰ এটা আৰু কেন্দ্ৰীয় আঞ্চলিক বন বিষয়াৰ কাৰ্য্যালয়ৰ অন্তৰ্গত (Under Central range) বেৰেক এটা আৰু বিশ্বনাথ বন্য প্ৰাণী সংমণ্ডলৰ কাৰ্য্যালয়ত বেৰেক এটা নিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। উল্লেখ থাকিল যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সীমা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ সীমিত। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা দক্ষিণ দিশে শোণিতপুৰ East Division য়ে এই গোটেইখিনি নিয়ন্ত্ৰণ কৰে। সেই মৰ্মে হাতী-মানুহ তথা অন্যান্য জীৱ-জন্তু আৰু মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে-

১) গামেৰীত এটা নিৰীক্ষণ চকী মানে Watch Tower এটা নিৰ্মাণ কৰা হৈছে।

২) কাঠনীত Watch Tower এটাৰ নিৰ্মাণৰ কাম চলি আছে।

৩) হাতীমৰা আৰু ঠাণ্ডাপানীত দুটা চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰৰ নিৰ্মাণ কাৰ্য্য চলি আছে আৰু স্পৰ্শকাতৰ এলেকাসমূহত বলুৱা পাৰাৰ পৰা বৈতাবাৰীলৈ ১০ কিঃমিঃ, বৰগাৰঁৰ পৰা বুৰৈ দলঙলৈ ৩০ কিঃ মিঃ, শিলডুবিৰ পৰা শিলাধাৰী মুখলৈ ৫ কিঃ মিঃ, ভৈৰবীৰ পৰা শ্ৰীলংকা তাপুলৈ ৪ কিঃ মিঃ আমি ইতিমধ্যে Solar Fencing লগাইছো। Solar Fencing লগোৱাৰ বাবে তাত হাতী প্ৰতিৰোধ কৰিব পৰা গৈছে। হাতীৰ উপদ্ৰৱত ২৪ জনীয়া প্ৰতিনিধিৰ দল এটা অহৰ্নিশে তাত টহল দি আছে আৰু স্থানীয় লোকৰ মাজতো সজাগতা বৃদ্ধি কৰা হৈছে। লগতে জীৱ- জন্তুৰ গতি বিধি চোৱা বা সুৰক্ষাৰ বাবে নিয়োজিত বনকৰ্মী সকলক বেটেৰী, টৰ্চ বা অন্যান্য rain coat, জোতা আদি উপলব্ধ কৰা হৈছে। গতিকে চৰকাৰী ভূমি নথকা হেতুকে চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰ (Anti Poaching Camp) নিৰ্মাণ কৰাৰ কথা বৰ্তমান চিন্তা কৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, এইখিনি আমাৰ চৰকাৰী তথ্য। মই আপোনাৰ জৰিয়তে ঘাটোৱাল

ডাঙৰীয়াক জনাওঁ যে এতিয়া যিহেতু কাজিৰঙাৰ এৰিয়াটো expand হ'ল, তাৰবাবে এতিয়া ব্ৰহ্মপুত্ৰ নদীখনো কাজিৰঙাৰ ভিতৰত সোমাই গৈছে। গতিকে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটোত এই বিশ্বনাথ Wild Life ডিভিজনে কাম কৰে। তাৰ পিছৰখিনি কাম Tezpur East Division য়ে কৰিব লাগে। গতিকে দুয়োটাৰ সামঞ্জস্য ৰাখি কামখিনি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু হাতী আৰু মানুহৰ সংঘাতটো কমাবলৈ বহুতখিনি চেষ্টা কৰা হৈছে। আমি যি ব্যৱস্থা ল'লো সেইখিনি আপোনালোকক কোৱা হৈছে। এতিয়া হাতী-মানুহৰ সংঘাতটো বিশ্বনাথ বা শোণিতপুৰ জিলাত আগতকৈ কিছু পৰিমাণে কৰিছে। গতিকে আমি সকলোৰে সহযোগিতাত হাতী-মানুহৰ সংঘাত বা বন্য প্ৰাণীৰ সংঘাত সমস্যাটো সমাধান কৰিব লাগিব। আৰু তাৰ কাৰণে সহায় সহযোগ চৰকাৰৰ পৰাও লাগিব। এইখিনি আমি ব্যৱস্থা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য গৰাকীয়ে আন এটা প্ৰশ্ন শুধিছে Industry ৰ ওপৰত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য দিগন্ত ঘাটোৱাল ডাঙৰীয়াই উদ্যোগ বিভাগত আৰু এটা প্ৰশ্ন উত্থাপন কৰিছিল আৰু তাৰ উত্তৰটো এনেকুৱা- বিভাগত থকা তথ্য অনুসৰি বিশ্বনাথ জিলা প্ৰশাসনে বাগমৰা মৌজাৰ অন্তৰ্গত ২ নং ধেমাজী গাৱঁৰ ১২৮ নং দাগৰ ৭৫ বিঘা ভূমি চিঠি নং-BLS5/2019/5 তাৰিখ জুন, ২০২০ মৰ্মে অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ণ নিগম অৰ্থ্যাৎ AIDC ক উদ্যোগ পাম নিৰ্মাণৰ বাবে অগ্ৰিম দখলিস্বত্ব প্ৰদান কৰে। ২০২১ চনৰ চেপ্তেম্বৰ মাহত AIDC ক ভাৰত চৰকাৰৰ অতি ক্ষুদ্ৰ Micro, Small আৰু মজলীয়া MSME প্ৰতিষ্ঠানৰ মন্ত্ৰালয়ৰ অধীনত উত্তৰ পূৰ্বাঞ্চল আৰু চিকিমৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান উন্নয়ণৰ আঁচনিখনৰ 'Promotion of MSMEs in the NER and Sikkim Scheme' ৰ জৰিয়তে উদ্যোগ স্থাপনৰ এটা প্ৰস্তাৱ প্ৰেৰণ কৰে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান মন্ত্ৰালয়ে প্ৰকল্প অনুমোদন আৰু নিৰীক্ষণ সমিতিয়ে সভাত লোৱা সিদ্ধান্ত অনুসৰি ২০২৩ চনৰ ৭ নৱেম্বৰ তাৰিখে পত্ৰ নং-1/NER/Miscelleneous/2020-21(E)4115369 যোগে ৩১৫৩.৮১ লাখ টকা অনুমোদন জনায়। ইয়াৰে ১৩৫০ লাখ টকা ভাৰত চৰকাৰ আৰু বাকী ১৮০৩.৮ লাখ টকা ৰাজ্য চৰকাৰৰ অংশীদাৰ হিচাপে থাকিল।

ইতিমধ্যে অসমৰ উদ্যোগৰ আন্তঃগাঁথনি AIDC য়ে প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰি ২০২৪ চনত নিবিদা আহ্বান কৰে আৰু সেই অনুসৰি যোৱা মাহৰ পৰা প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ হয়। প্ৰস্তাৱ অনুসৰি আবন্টিত ভূমি ৬৫ শতাংশৰ বিভিন্ন মাটিকালিৰ অনুসৰি ৫২ টা উদ্যোগ খণ্ড কৰিব পৰাকৈ প্ৰস্তুত কৰি তোলা হ'ব আৰু ইয়াৰ পিছত হে পৰ্য্যায়ক্ৰমে অতি ক্ষুদ্ৰ ক্ষুদ্ৰ, মজলীয়া উদ্যোগিক গোটটোক আবন্টন দিয়া হ'ব। এই উদ্যোগ সমূহৰ অন্তৰ্গত খাদ্য প্ৰস্তুতকৰণ, হস্তশিল্প, গৃহ সামগ্ৰী নিৰ্মাণ কৰাৰ লগতে বিভিন্ন উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হ'ব। এই উদ্যোগ সমূহৰ জৰিয়তে ইতিমধ্যে প্ৰায় ৪৩৫ জন প্ৰত্যক্ষভাৱে আৰু ৮০০ ৰ পৰা ১০০০ জন লোক পৰোক্ষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে। গতিকে এই পাৰ্কখনৰ কাম আৰম্ভ হ'ব আৰু পাৰ্কখন অতি সোনকালে সম্পূৰ্ণ হ'ব। তেখেতৰ ওচৰতে থকা বালিপাৰাত ইতিমধ্যে পাৰ্কখন সম্পূৰ্ণ হৈ উঠিছে। তাত এতিয়া মাটি বিশেষ নাই। তাত ইতিমধ্যে পতঞ্জলি, Dabur কে ধৰি বিভিন্ন উদ্যোগ সমূহ আহিল। শোণিতপুৰ জিলাত এখন উদ্যোগিক ফাৰ্মৰ প্ৰয়োজন আছিল আৰু সেই অনুসৰি এই উদ্যোগিক ফাৰ্মখন কৰা হৈছে। গতিকে ইয়াত Micro MSME আৰু মিডিয়াম উদ্যোগ সমূহ

তাত প্ৰতিষ্ঠা .কৰিবলৈ সুবিধা হ'ব। উদ্যোগ সমূহ সদায় cluster হিচাপে হ'লেহে আগবাঢ়ি যাব পাৰে। বালিপাৰাৰ উদ্যোগ ফাৰ্মখন যিহেতু সম্পূৰ্ণ হৈ উঠিছে আৰু তাত যিহেতু আৰু ঠাই নাই গতিকে এই ফাৰ্মখন শোণিতপুৰ জিলাৰ কাৰণে বহুত সহায়ক হ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৩। মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই "The Inter-State Migrant workman (Regulation of Employment and Conditions of Service) Assam Amendment Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব। প্ৰশ্নটো হ'ল-

সদনৰ সন্মতি আছেনে

যিসকল সপক্ষে আছে, তেওঁলোকে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় সদস্য গৰাকীক বিধেয়কখন উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Inter-State Migrant workman (Regulation of Employment and Conditions of Service) Assam Amendment Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৪। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম( জ্যেষ্ঠ) ডাঙৰীয়াই "The Assam(Regulation and Rehabilitation of people Affected by River Erosion) Bill, 2025" বিধেয়কখন উত্থাপন কৰিবলৈ অনৰোধ জনালো।

তেখেত সদনত অনুপস্থিত। তেখেতক ১০ মিনিটৰ কাৰণে সদনৰ পৰা বহিস্কাৰ কৰা হৈছিল। কিন্তু এতিয়া ১৫ মিনিট হৈ গ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৫। মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়া। তেখেত সদনত অনুপস্থিত।

এতিয়া কাৰ্যসূচী নং ৬, সংকল্প প্ৰস্তাৱ। Under Rule 115. এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া আপোনাক আপোনাৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি আৰু ইয়াৰ ওপৰত আপোনাৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "That this House urges upon the Government to take immediate steps to prohibit the practice of printing images of Hindu Deities by the manufacturers on packets containing incense sticks and candles.".......

মাননীয় অধ্যক্ষ মহোদয়, বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। উপাধ্যক্ষ মহোদয়, সনাতন ধর্ম ও সংস্কৃতিতে বলা হয়েছে মহামৃত্যুঞ্জয় মন্ত্র — "ওঁ ত্ৰৈয়ম্বকম্ য়জামহে সুগন্ধিম্ পুষ্টিবৰ্ধনাম্ উৰ্বাৰূকমিব বন্ধনাম্ মৃত্যৰমোক্ষিয় মামৃতাত "।। অৰ্থাৎ সবার কল্যাণ সবার পুষ্টি এই কথা বলা হয়েছে। এবং আরও বলা হয়েছে যে "ধর্ম কি জয় হো, অধর্ম কা বিনাশ প্রাণিও মে স্বদভাবনা হো, বিশ্ব কা কল্যাণ হো"। আমাদের সনাতন ধর্মে রয়েছে "বাসুদেব কুটুম্বকম্" অর্থাৎ সবাইকে নিয়ে পরিবেশ সৃষ্টি করা। কোন ধর্ম এগিয়ে কোন ধর্ম

পিছিয়ে সেকথা আমি বলতে যাচ্ছি না। আমরা সনাতন সভ্যতা সংস্কৃতিতে গ্রহ পূজা করি। আমরা গৃহ প্রবেশে নবগ্রহের পূজা করি। আমাদের জ্যোতিষ শাস্ত্রে নয়টি গ্রহের কথা বলা হয়েছে। সেই নবগ্রহের পূজো একশ দু'শ বছর নয়, সেটা প্রায় হাজার হাজার বছর আগের থেকে এই পূজোর প্রথা চলে আসছে। সেই সভ্যতায় সনাতন সংস্কৃতি চলছে। সেই ১০-২০ হাজার বছর আগে আমাদের পূর্বপুরুষরা কিভাবে বুঝতে পেরেছিলেন যে নয়টি গ্রহ আছে যেটা আমরা নবগ্রগহ বলে থাকি। তখন তো টেলিস্কোপও ছিলনা, নাসাও ছিল না। সেই সময় মুনি-ঋষিরা আধ্যাত্মিকতার মাধ্যমে নয়টি গ্রহের কথা বলেছিলেন। কোন বিজ্ঞান ছিল না তখন। আমাদের সভ্যতা সংস্কৃতি যার জন্য সনাতনীরা বিশ্ববাসীর কাছে সমাদৃত। কিন্তু আজ দেখা যাচ্ছে কিছু ব্যক্তি নিজের মুনাফা লাভের জন্য মোমবাতি ধূপকাঠির প্যাকেটের গায়ে দেব-দেবীর ফোটো লাগায় তাদের ব্যক্তিগত স্বার্থে। আমরা আমাদের মাতা-পিতার ছবি কোথাও লাগাই না কারণ আমরা তাদের সম্মান করি,ভক্তি করি তাদের ফোটো লাগালে হয়তো অন্য কোথাও গিয়ে পড়বে। বিশেষ করে যে দেব-দেবী আমরা সিংহাসনে রাখি, আমাদের অন্তরে রাখি, পূজা করি সেই দেব-দেবীকে অনেক সময় দেখা যায় রাস্তায়, নালা নর্দমায় পড়ে আছে। এই ক্ষেত্রে সরকার যাতে কঠোর হয়। অনেক সময় দেখা যায় কেউ রাম মন্দিরে যায়না। কুম্ভমেলা, যেখানে আস্থা-বিশ্বাসের জায়গা সেই যায়গায় যদি কেউ যেতে চায় না সেটা তার ব্যক্তিগত ব্যাপার। কিন্তু আমাদের সেই দেব-দেবী যাদেরকে আমরা পূজা করি আরাধনা করি সেই দেবদেবীকে যাতে রাস্তায় নালা নর্দমায় ফেলা না হয় সেজন্য সরকারের তরফ থেকে নোটিফিকেশন বের করা হয়। সরকার সেই ব্যাপারে যাতে কঠোর হয় এবং কঠোর হাতে দমন করে সামনের দিনে যাতে অবমাননা করা না হয়। প্রার্থনা এবং বিশ্বাস দুইটাই অদৃশ্য। কিন্তু দুটোর মধ্যেই অফুরন্ত শক্তি আছে। তাই সনাতন সভ্যতা, সংস্কৃতি নিয়ে আজকের দিনে বিশ্ববাসী যে আলোচনা করছে সেই সময় আমি করি আমাদের সরকার কঠোর হবে এবং যাতে আমাদের দেব-দেবীর ফোটো কোনো ধরণের মোমবাতি ধূপকাঠির গায়ে বা অন্য কোন যায়গায় লাগানো না হয়। এবং পরবর্তী সময়ে যাতে রাস্তা-ঘাটে, নালা নর্দমায় ফেলা না থাকে। ইতিমধ্যে আমরা দেখেছি যে বিশ্বহিন্দু পরিষদ, আরএসএস ওনারা অনেক কার্যসূচী নিয়েছেন তার ফলে অনেক ক্ষেত্রে রেস্ট্রিকশন হয়েছে। কিন্তু তাও আমরা একশ শতাংশ করতে পারছি না। তাই আমি সরকারে কাছে অনুরোধ করব এই ক্ষেত্রে সরকার নোটিফিকেশন জারি করুক যাতে ধূপকাঠি মোমবাতির প্যাকেটের গায়ে ছবি না লাগিয়ে সুষ্ঠ সুন্দর পরিবেশ সৃষ্টি হোক যাতে আমরা আমাদের সভ্যতা সংস্কৃতিকে আরোও এগিয়ে নিয়ে যেতে পারি। সেই কথাগুলো বলে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ ঃ** এই resolution ৰ ওপৰত মাননীয় সদস্য আৰু কোনোবাই ক'ব বিচাৰে নেকি ? যদি কোনো নাই তেন্তে মই মাননীয় গৃহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ Hon'ble Parliamentary Affairs Minister ক উত্তৰ দিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই Rule -115 ৰ মতে Rules of Procedure and Conduct of Buisiness in Assam Legislative Assembly সেই মতে তেখেতে যিটো বিষয় উত্থাপন কৰিছে সেই কথাটো হয়। তেখেতৰ কথাৰ লগত ময়ো একমত। কিন্তু কথাটো হৈছে যে - আমাৰ ধূপকাঠি বা অন্যান্য মমবাত্তিয়েই হওক বা পূজাৰ সামগ্ৰীয়েই হওঁক , ভগৱানৰ ফটো কিছুমান দিয়ে আৰু ভগৱানৰ ফটো কিছুমান দি ধূপখিনি শেষ হৈ যোৱাৰ পিছত সেই ধূপৰ

পেকেটটো জাৰৰৰ আৱৰ্জনাত পেলাই দিলে বা ৰাস্তাতে পেলাই দিয়ে। গতিকে মানুহ বিলাকে সেই ভগৱানৰ ফটোখন গচকি যাবলৈ বেয়া পায়, বা যি ভগৱানক পূজা কৰে সেই ভগৱানৰ ফটোখন আৱৰ্জনাৰ দ'মত দেখিলে মানুহে কথাটোত অলপ দুখ পায়। এইটো সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হয়। গতিকে এই কথাটো নিশ্চয় গুৰুত্ব পূৰ্ণ বুলি আমি বিবেচনা কৰিছো। তাৰ ভিতৰতো কিছুমান ধূপ আছে যেনে- Cycle Brand. তেওঁলোকে অকল চাইকেলৰ ফটোখনহে দিয়ে। গতিকে তেনেকুৱা দুই- এটা ধূপকাঠি আছে যিয়ে নিজৰ ব্ৰেণ্ডৰ ফটো ধূপকাঠিত দিয়ে। গতিকে তেনেকুৱা ধৰণৰ কিছুমান কথা আাছে। এতিয়া কথাটো হ'ল যে আপোনাৰ লগত মই কথাটোত সম্পূৰ্ণৰূপে একমত হ'লেও এই ক্ষেত্ৰত আমাৰ ভাৰতীয় ন্যায় সংহিতা ২৯৯ ৰ মতে কোনোবা ধৰ্মক যদি অপমান কৰে, বা কোনো মুৰ্তিক যদি অপমান কৰে তেনে ক্ষেত্ৰত কাৰাদণ্ড আৰু আইনৰ ব্যৱস্থাও আছে। গতিকে সেই হিচাপত যদি আছে সেইটোতো আৰু অপমান বুলি ক'ব নোৱাৰে । আপুনি আজি যিটো কথা উত্থাপন কৰিছে এই বিষয়ত আমাৰ এখন notification উলিয়াবলৈ চৰকাৰে ব্যৱস্থা কৰিব লাগে। তেনেকুৱা ধৰণৰ ধূপ কাঠি বন্ধ কৰা বা অন্যান্য ক্ষেত্ৰত ভগৱানৰ ফটো দিয়া, খোৱা বস্তুৰেই হওঁক বা ধূপকাঠিয়েই হওঁক বা মমবাতিয়েই হওঁক তেনেকুৱা বন্ধ কৰা ধৰণৰ কোনো ব্যৱস্থা বা আইন অসম চৰকাৰৰ নাই। এই সম্পৰ্কত আমাৰ কমলাক্ষ দে পুৰকায়স্থৰ নিচিনাকৈ যিয়ে বেয়া পাইছিল এই কথাটোত সেই হিচাপত আমাৰ ভাৰতৰ উচ্চতম ন্যায়ালয়ত ২০১৫ চনত এখন PIL কৰিছিল। উচ্চতম ন্যায়ালয়ত PIL যেতিয়া কৰিলে তেতিয়া আমাৰ মুখ্য ন্যায়াধীশ H L Datta, ন্যায়াধীশ অৰুণ মিশ্ৰ আৰু অমিতাভ ৰায়েৰে গঠিত বিচাৰপীঠে ক'লে যে ৩৩ কোটি দেৱ- দেৱী আছেই। গতিকে এই ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা আমি ক'ৰ্টে নলওঁ। গতিকে তেওঁলোকে PIL খন গ্ৰহণ নকৰিলে । তাৰ পিছত কোনোবা এজনে গৈ দিল্লী উচ্চতম ন্যায়ালয়ৰ দিল্লী হাইক'ৰ্টত এখন PIL কৰিলে আৰু দিল্লী হাইক'ৰ্টে PIL খন খাৰিজ কৰি দিলে। তাৰ পিছতো মানুহ শান্ত হোৱা নাই আৰু ২০২১ চনত ব'ম্বে হাইক'ৰ্টতো এখন PIL কৰিলে । ব'ম্বে হাইক'ৰ্টেও এইখন খাৰিজ কৰি দিছে আৰু PIL খনত তেওঁলোকে কোনো সিদ্ধান্ত নিদিলে। গতিকে এই ধৰণৰ যি নিৰ্দেশনা আপুনি বিচাৰিছে এই নিৰ্দেশনাৰ ক্ষেত্ৰত অসম চৰকাৰৰ কোনো আইন -কানুন নাই বা উচ্চতম ন্যায়ালয়ে এই ক্ষেত্ৰত তেওঁলোকক কোনো সিদ্ধান্ত দিব নোৱাৰিলে । দিল্লী হাইক'ৰ্ট, ব'ম্বে হাইক'ৰ্টত PIL হৈছিল তাতো কোনো সিদ্ধান্ত দিব নোৱাৰিলে। গতিকে সেই কথাটো ধূপকাঠিৰ মালিক সকলেই বুজিব লাগিব ধূপকাঠিৰ পেকেটত ভগৱানৰ ফটো দিব নে নাই। বহুত ধূপ আছে য'ত ভগৱানৰ ফটো নিদিয়াকৈ তেওঁলোকে কৰিছে। সেইটোৰ ওপৰত বৰ্তমান অসম চৰকাৰৰ হাতত কোনো ধৰণৰ আইন কৰাৰ ব্যৱস্থা নাই। দ্বিতীয় কথাটো হ'ল, যদিও বা আমি অসমত এখন Genius State আইন কৰিলো কিন্তু মহাৰাষ্ট্ৰ , উৰিষ্যা বা অন্ধ্ৰপ্ৰদেশত বনোৱা ধূপকাঠিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যিক আইন খনে এই কথা ঢুকি নাপাব। আমি as per Rule restriction ও দিব নোৱাৰিম যে তাত বনোৱা ধূপকাঠিত ভগৱানৰ ফটো দিলে আমাৰ অসমলৈ পঠিয়াব নোৱাৰিব । সেই কাৰণে All India Rule বা Act এখন যদি এইক্ষেত্ৰত হয়, গোটেই ভাৰতবৰ্ষতেই এইটো প্ৰযোজ্য হ'ব। এইটো ৰাজ্যিক Act ৰ জৰিয়তে নহ'ব কাৰণ অসমত এতিয়ালৈকে Cycle Brand ৰ লগত উদ্যোগ বিভাগৰ MoU এখন হৈছিল। কিন্তু অসমত এতিয়ালৈকে উদ্যোগটো আৰম্ভ হোৱা নাই। তেনেকুৱা ধৰণৰ ধূপৰ ডাঙৰ ডাঙৰ ব্ৰেণ্ডৰ নিৰ্মানৰ কাম অসমত এতিয়াও আৰম্ভ হোৱা নাই। এই বিলাক বাহিৰৰ পৰ আহে , বাহিৰৰ পৰা আহিলেও সেইখন All India Act নহ'লে ইয়াৰ ওপৰত ব্যৱস্থা ল'বলৈ অসম

চৰকাৰৰ অসুবিধা হয়। মাননীয় উপাধ্যক্ষ মহোদয় এই কথা খিনি মাননীয় সদস্য গৰাকীক আপোনালোকৰ জৰিয়তে জনালো। এইক্ষেত্ৰত তেখেতে যি সংকল্প প্ৰস্তাৱ আনিছে মই উঠাই ল'বলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সংকল্প প্ৰস্তাৱটো উঠাই লোৱাত বাধা নাই। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ যাতে তৎপৰতা থাকে আৰু এই ক্ষেত্ৰত মেছেজ এটা যাব লাগে। লগতে আমিও সচেতন হ'ব লাগে আৰু যিখিনি মালিক আছে তেওঁলোকো concern হ'ব লাগে। কাৰণ আমি যি দেৱতাক পূজা কৰো সেই দেৱতাক যদি ৰাস্তাত পেলাই থোৱা হয়, আমাৰ মনত, আৱেগত দুখ লাগিব। সেয়ে মই ভাৱো যে আইন নাই যদিও আইন নোহোৱাকৈয়ে যাতে বিধান সভাৰ পৰা এটা মেছেজ যায় যে - আমাৰ ৰাজ্যত যিখিনি উদ্যোগ আছে বা থলুৱা মানুহ আছে ,যিখিনিয়ে মমবাতি- ধূপকাঠি বনাই তেওঁলোকক আমি বিধান সভাৰ ফালৰ পৰা বিধায়ক হিচাপে অনুৰোধ কৰিছো আপোনালোকে দেৱতাৰ ফটো অৰ্থাৎ কালি, দুৰ্গা- আমাৰ যিখিনি দেৱ-দেৱী আছে তেওঁলোকৰ ফটো ধূপাকাঠি, মমবাতিত যাতে নলগায়, চৰকাৰৰ ফালৰ পৰা যাতে এই মেছেজ টো যায় আৰু এইটো বন্ধ হৈ যায়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিসকলে ধূপকাঠি বনাই বা trading কৰে তেওঁলোকৰো এইটো কৰ্তব্য যে তাত ভগৱানৰ ফটো দিব নালাগে। Cycle Brand লগতে বহুতো দামী দামী ধূপ কাঠি আছে য'ত ভগৱানৰ ফটো নিদিয়ে। আজিলৈকে ৰাস্তা, দলং , over bridge আদিৰ কথা আলোচনা কৰি আহিছো। কিন্তু আজি আপুনি এটা exceptional বিষয় আনিলে যে ভগৱানৰ ফটো ধূপৰ পেকেটত থাকিব নালাগে আৰু সেইটো য'তে ত'তে পেলালে মানুহৰ অসুবিধা হয় । গতিকে এই exceptional কথাটো press বা media ত যাব , সেয়ে নতুনকৈ মেছেজ দিব লগীয়া নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আৰু এটা মেসেজ যাব লাগে যে আমাৰ হস্পিতেল বা অফিচ বিলাকত থু-খেকাৰ পেলোৱা ঠাইত ভগৱানৰ ফটো আঁৰি থোৱা হয়। এইটোও ৰাইজে বন্ধ কৰিব লাগে।

মাননীয় সদস্য মহোদয়, আপুনি এই সংকল্প প্ৰস্তাৱটো উঠাই ল'বনে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিহেতু এই বিষয়টো লৈ সকলোৱে concern হৈছো গতিকে ভাবো যে আগন্তুক দিনত এইক্ষেত্ৰত এটা ভাল পৰিৱেশ হ'ব। সেয়েহে এই সংকল্প প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থই সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে। গতিকে উক্ত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক " হয়" আৰু যিসকল বিপক্ষে আছে কওঁক " নহয়"। মই ভাবো 'হয়' ৰ সপক্ষে , 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৭ সংকল্প প্ৰস্তাৱ মাননীয় সদস্য অখিল গগৈ। আপোনাৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১১৫ নং নিয়ম অনুসৰি মই সংকল্প প্ৰস্তাৱটো পাঠ কৰি দিছো। মোৰ প্ৰস্তাৱটো হ'ল অসমৰ চৰকাৰী কৰ্মচাৰী সকলে পূৰ্বৰ পৰা অৱসৰকালীন জীৱনৰ বাবে চৰকাৰী

পেঞ্চন লাভ কৰি আহিছিল। কিন্তু ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা শিক্ষক, কৰ্মচাৰী সকলৰ বাবে অসমত পুৰণি পেঞ্চন ব্যৱস্থাৰ পৰিৱৰ্তে নতুন ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা NPS আৰম্ভ হ'ল আৰু কৰ্মচাৰী সকলৰ অৱসৰকালীন জীৱনৰ সামাজিক সুৰক্ষা নাইকীয়া হ'ল। ফলত চৰকাৰী কৰ্মচাৰী সকলে ভৱিষ্যত জীৱনৰ সুৰক্ষা বিচাৰি নতুন পেঞ্চন ব্যৱস্থাৰ পৰিৱৰ্তে পুৰণি পেঞ্চন ব্যৱস্থা বিচাৰি আন্দোলনত নমা দেখা গৈছে। আগতে ভাৰত তথা অসম চৰকাৰে ঘোষণা কৰিছে যে সংযুক্ত পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। কিন্তু কৰ্মচাৰী সকল আৰু তেওঁলোকৰ সংগঠন সমূহ এই নতুন ব্যৱস্থাক লৈ সন্তুষ্ট নহয়। অসমৰ চৰকাৰী কৰ্মচাৰী সকলৰ ভৱিষ্যত সুৰক্ষাৰ বাবে আৰু জীৱনৰ কৰ্মৰ্থ সময়খিনিত চৰকাৰী তথা ৰাজহুৱা জীৱনৰ কাৰণে সমৰ্পণ কৰা স্বীকৃতি স্বৰূপে অসমৰ সকলো চৰকাৰী শিক্ষক কৰ্মচাৰীৰ বাবে পুৰণি পেঞ্চন ব্যৱস্থা OPS প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ অসম বিধান সভাত গ্ৰহণ কৰোৱা হওঁক। মই মোৰ প্ৰস্তাৱটোৰ সপক্ষে কিছু বক্তব্য দাঙি ধৰিব খুজিছো। উপাধ্যক্ষ ডাঙৰীয়া, ইয়াৰ পূৰ্বেও মই দুবাৰ কিয় NPS নালাগে আৰু কিয় OPS লাগে সেই সম্পৰ্কে বক্তব্য ৰাখিছিলো। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে NPS ৰ alternative হিচাবত আৰু এটা বস্তু আনিছে, তাক UPS বুলি কৈছে, আৰু এই UPS টো যোৱা 26 জানুৱাৰী তাৰিখৰ দিনা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমটো এতিয়া NPS নহয় UPS আমি আৰম্ভ কৰিম। এতিয়া UPS আৰু NPS এই দুটাৰ মাজত পাৰ্থক্যনো কি? আৰু OPS পুৰণি পেঞ্চন ব্যৱস্থা আৰু UPS যিটো United Pension Scheme এই দুটাৰ মাজটো পাৰ্থক্য কি? এই সম্পৰ্কে অকনমান আলোচনা কৰিলেই কিয়নো কৰ্মচাৰী সকলে আচলতে UPS নহয় OPS লাগে বুলি বাৰম্বাৰ দাবী জনাই আহিছে আমি স্পষ্টহৈ পৰিম। প্ৰথম কথা যে UPS যিটো ব্যৱস্থা এই ব্যৱস্থাত পেঞ্চন দিয়াৰ কথা কোৱা নাই। এইখন Gazette Notification, ইয়াত এই গোটেই পেঞ্চন ব্যৱস্থাটো কথা উল্লেখ কৰা গৈছে। এই পেঞ্চন ব্যৱস্থাটোত যদি আমি চাওঁ তেতিয়া হ'লে দেখা গৈছে যে ২৪ জানুৱাৰী, ২০২৫ তাৰিখে আমাৰ Gazette Notification ৰ পৰা এই ব্যৱস্থা অনুসৰি পেঞ্চন নহয় Assured PayOut আগতে আমাৰ যি পেঞ্চন স্কীমত যিটো পেঞ্চন দিম বুলি কৈছিল, এতিয়া কৈছে যে Assured Pay Out এটা নিচ্ছিত এটা পেমেন্ট মানুহ বিলাকক দিয়া হ'ব। এতিয়া এই পেঞ্চন ব্যৱস্থাৰ যেতিয়া গোটেই UPS ৰ ব্যৱস্থাটো মই যেতিয়া বাৰম্বাৰ পঢ়িছিলো। বাৰম্বাৰ পঢ়ি বুজি পালো, যেতিয়া তাৰ পিছফালে দিয়া অংকটো যেতিয়া বাৰম্বাৰ কৰি আছিলো, তেতিয়া দেখিছিলো য়ে কোনোবা ক্ষেত্ৰতটো NPS ত কৈ বেয়া বস্তু। এতিয়া দেখা গৈছে যে UPS ত এটা Corpus Fund কৰিব। এই United Pension Scheme ৰ, এই Corpus Fund টো হ'ব ১০ শতাংশ আমাৰ যিবিলাক চাকৰিয়াল, চাকৰিয়াল বিলাকৰ পৰা প্ৰত্যেক মাহে ১০ শতাংশ কৈ দৰমহাৰ ১০ শতাংশ কে পইচা Basic Pay + D.A তাৰ পৰা ১০ শতাংশ কে পইচা কাটি ৰাখিব। আমাৰ পুৰণি পেঞ্চন স্কীমত এনেকুৱা ধৰণৰ কাটি ৰখা কোনো চিচষ্টেম নাই, নিশ্চিতভাবে এজন কৰ্মচাৰীয়ে গোটেই জীৱনটো dedicatedly কাম কৰে কাৰণে তেওকঁ সদায় শেষৰ যিটো দৰমহা তাৰ আধা পেঞ্চন দিয়া হয়। ইয়াত কিন্তু কৈছে যে তোমালোকে কিন্তু ১০ শতাংশ দৰমহা জমা কৰি যাব লাগিব। তাৰ পাছত কেন্দ্ৰীয় চৰকাৰে ১০ শতাংশ যোগ ৮.৫ শতাংশ ১৮ শতাংশ পইচা এই corpus ত জমা দিব। এই দুয়োটা লগ লগাই যি পইচা হ'ব আৰু এই কৰ্মচাৰী বিলাকৰ কাটি ৰখা যিটো পইচা সেইটো যদি invest কৰি দিয়ে, কোনোবা company ত যদি invest কৰি দিয়ে, তাৰ পৰা যিটো সুদ পাব, সেইটোৰ পৰাহে এটা পেঞ্চন দিয়াৰ ব্যৱস্থা এটা গ্ৰহণ কৰা হ'ব। যিটো পেঞ্চন

বুলি কোৱা নাই, এইটো কৈছে assured payout . গতিকে UPSত কি হ'ব? কৰ্মচাৰীৰ দৰমহাৰ ১০ শতাংশ কৰ্তন কৰি ৰখা হ'ব, এই কথাটো মই ইতিমধ্যে ক'লো। গতিকে দৰমহা প্ৰত্যেকজন কৰ্মচাৰীয়ে প্ৰত্যেক মাহতে কমকৈ পাব প্ৰথম কথা। NPSত নিৰ্দীষ্ট পৰিমানৰ পেঞ্চন নাছিল। OPSত নিৰ্দীষ্ট পৰিমানৰ পেঞ্চন। শেষৰ যিটো দৰমহা তাৰ আধা। UPSত কি ? UPSত তিনিটা ভাগ । ১০ বছৰ যদি চাকৰি কৰিছে, তেতিয়া হ'লে ১০হাজাৰ মিনিমাম পেঞ্চন, অতি কমেও যদি ১০ বছৰ কৰিছে, তেতিয়া হ'লে ১০ হাজাৰ টকাৰ নিম্নতম পেঞ্চন, ১০ ৰ পৰা ২৫ বছৰ যদি চাকৰি কৰিছে আনুপাতিক আকাৰত পেঞ্চন আৰু ২৫ বছৰ যদি নিয়মীয়া চাকৰি কৰিছে একে ৰাহে আৰু সেই ২৫ বছৰত যদি ১০ শতাংশকৈ নিজৰ পইচা কাটি গৈছে, তেতিয়া হ'লে শেষৰ ১২ মাহৰ অৰ্থাৎ এবছৰৰ দৰমহা, তাৰ গড়টোৰ ৫০ শতাংশ তেওঁলোকে পেঞ্চন ৰূপে পাব, এইটো হ'ল UPS. আৰু যদি পেঞ্চন পোৱা মানুহজন ঢুকাই গ'ল তেওঁৰ পতি, পত্নি বা পৰিয়ালে ৬০ শতাংশ পেঞ্চন পাব। তাৰ পাছত মৰগীয়া সাহায্য যিটো dearness allowance সেইটো পেঞ্চনৰ লগত যোগ হ'ব আৰু কৰ্মচাৰীৰ D.A. বা মৰগীয়া বানচৰ সমানে হ'ব। সেইটো পেঞ্চনৰ লগত যোগ হ'ব। অৱসৰৰ সময়ত যিটো এককালীন সাহায্য দিব সেইটো old pension যদি ৩৫ লাখ টকা এক কালীন সাহায্য পাইছে, ইয়াত তিনি লাখ পঞ্চাছ হাজাৰ মান টকা এটা এককালীন সাহায্য পাব। ইয়াত অংকটো আছে, ইয়াত একে বাৰে কম এটা পাব, সেইটো অংক কৰি দেখুৱাবলৈ কোনোও মোক ইয়াত সময় নিদিব। কিন্তু মই amount টো কৈছো, এজন মানুহে ওলাই গ'লে আজিৰ দিনটোত যিটো ৩৫ লাখ টকা এক কালীন সাহায্য পাই সেইটো ইয়াত মাত্ৰ ৩ লাখ ৫০ হাজাৰ মানহে পাব। যদি অৱসৰৰ সময়ত এককালীন সাহায্য কিমান পাব? যদি আজিৰ দিনটোত শেষ বাৰ মাহৰ গড় দৰমহা ৬৮,৮৫০ টকা হয়, তেতিয়া হ'লে ১০ বছৰ চাকৰি কৰিলে তেওঁ এককালীন সাহায্য পাব ১,৩৭, ৭০০ টকা, ২০ বছৰ চাকৰি কৰিলে তেওঁ পাব ২,৭৫, ৪০০ টকা আৰু ২৫ বছৰ চাকৰি কৰাৰ পাছতহে মানুহ জনে পাব ৩,৪৪,২৫০ টকা। যিটো এতিয়া ২৫ বছৰ চাকৰি কৰিলে ৩৫ লাখ টকা মান পাই মানুহ এজনে সেইটো দৰমহাত। গতিকে এইটো ভয়ানক সাংঘাটিক ধৰণৰ কথা এটা। UPS ত OPS ৰ দৰে gratuity ৰ ব্যৱস্থাও নাই, আৰু নাই GPFৰ ব্যৱস্থাও। GPFও নিদিয়ে আৰু gratuity ও নিদিয়ে। UPS ত OPSৰ দৰে ১০ বছৰৰ মুৰ মুৰে যিটো দৰমহা বৃদ্ধিৰ কাৰণে যিবিলাক আয়োগ হয়, UPSত কিন্তু দৰমহা বৃদ্ধিৰ ওপৰত ভিত্তি কৰি পেঞ্চ ন বৃদ্ধিৰ যিটো ব্যৱস্থা এই ব্যৱস্থাটো নাই। কাৰণ আগতে দৰমহাৰ পৰা ১০ শতাংশ যে কাটিছিল তাৰ ওপৰতহে পেঞ্চন দিব। গতিকে নতুনকৈ যিটো দৰমহা বৃদ্ধি হ'ব, তাত কোনো ধৰণৰ পেঞ্চনৰ enhancement নাই। গতিকে এজন কৰ্মচাৰীয়ে খালি ইয়াত এটাই সুবিধা NPS ত কৈ। NPS ত কৰিলে কোনোবাই ২০০০ টকাও পেঞ্চন পায়, ইয়াত মিনিমাম ১০ বছৰ কাম কৰিলেহে পাব। ১০ বছৰ কাম কৰিলে তেওঁ fixed ১০ হাজাৰ টকা এটা পেঞ্চন পাব। কিন্তু ১০ হাজাৰ টকাৰ পেঞ্চনটো অকনমান ডাঙৰ যেন লাগিব পাৰে কিন্তু আজিৰ দিনটোত যিবিলাক মানুহে চাকৰিত অংশ গ্ৰহণ কৰিছে, তেওঁক ১০ বছৰৰ পাছত যদি ১০ হাজাৰ টকা পেঞ্চন পায় সেইটো আজিৰ দিনটোৰ ১০০০ টকা মান হ'ব। এই যে দৰমহা বৃদ্ধিৰ লগত dearness allowance থাকে দৰমহা বৃদ্ধিৰ লগত মুল্য বৃদ্ধিৰ যিটো সম্পৰ্ক এই সম্পৰ্কটোৰ ভিত্তিত যে প্ৰত্যেক ১০ বছৰৰ মুৰে মুৰে দৰমহা বৃদ্ধিৰ যিটো সিদ্ধান্ত, এই সিদ্ধান্তৰ অনুৰূপ পেঞ্চন বৃদ্ধিৰ কোনো ব্যৱস্থা নাই কাৰণে টকা ১০ হাজাৰ পালেও সেইটো গৈ ultimately ১০০০ টকাৰ নিচিনা হ'ব। গতিকে UPS system টো এটা ভয়ানক system

ক'ৰবাত ক'ৰবাত সেই কাৰণে NPS ব্যৱস্থা যিটো ১০ শতাংশ আপোনালোকৰ দৰমহাৰ পৰা কাটি যাব, সেইটো আপুনি যি দিনা অৱসৰ গ্ৰহণ কৰিব সেইদিনা আপুনি সেই ১০ শতাংশ একে লগে ঘূৰাই পাব। গতিকে যাবৰ সময়ত আপুনি অন্ততঃ ২০ লাখ টকা পাই যাব। NPS ব্যৱস্থা আপুনি ২৫ বছৰ চাকৰী কৰি পাব ৩,৪৪,২৫০ টকা পাব। যি সকল কৰ্মচাৰী ৬০ বছৰ বা ৬৫ বছৰলৈ চাকৰী কৰাৰ পাছত তেখেতসকলে তেওঁলোকৰ জীৱনৰ আটাইতকৈ ভাল সময় খিনি চৰকাৰৰ বাবে দিলে, ৰাইজৰ বাবে কি দিলে। ৬৫ বছৰলৈ চাকৰী কৰাৰ পিছত তেখেত সকলৰ উদ্যমিতা বা সৃষ্টিশীলতা নাইকীয়া হৈ যায় তেতিয়া তেওঁলোক তেতিয়াৰ মূল্যৰ হাৰত যদি ১,০০০ টকা বৰ্ত্তমান সময়ত ১০,০০০ টকা দিয়ে তেতিয়া সেই মানুহ জনৰ অৱস্থা আজি ২৫০ টকা “বৃদ্ধ পেঞ্চন” পোৱাৰ নিচিনা হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ হ'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ এইটো এটা ভয়ানক কথা। সেইকাৰণে মই ক'ব খোজো যে NPS ত থকা সকলে অৱসৰৰ সময়ত দৰমহাৰ ১০ শতাংশ, চৰকাৰে প্ৰদান কৰা ১৪ শতাংশ আৰু জমাকৃত ধন ৬০ শতাংশ ধন কৰ্মচাৰীক ওভতাই দিয়া হয় কিন্তু UPS ত এইটোও নিদিয়ে, এইটো এটা অতি ভয়াৱহ ব্যৱস্থা। সেইহে মই আজি অসম বিধান সভাৰ চৰকাৰী পক্ষত বহা সদস্য সকল, বিৰোধী পক্ষ কংগ্ৰেছ , AIUDF পক্ষ, CPI(M) দলৰ সদস্য সকল, UPPF দলৰ সদস্য সকল, BPF দলৰ সদস্য সকল, AGP দলৰ সদস্য সকল, আৰু BJP দলৰ সকলো সদস্যক হাতযোৰ কৰি অনুৰোধ জনাইছো যে আমি আজি অসম বিধান সভাত আমাৰ চৰকাৰী কৰ্মচাৰী সকলৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে সংকল্প লও প্ৰস্তাৱ লও যে অসমত NPS,UPS নহয় আমি অসমৰ কৰ্মচাৰীৰ সুৰক্ষাৰ বাবে OPS দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই যদি ৫ বছৰ বিধায়ক হৈ OPS পাওঁ আৰু মাত্ৰ এদিন চহী কৰি যদি সম্পূৰ্ণ পেঞ্চন পাওঁ, কিন্তু কৰ্মচাৰী সকলে যদি ২৫ বছৰ চাকৰী কৰি মাত্ৰ ১০ বা ১২ হেজাৰ পেঞ্চন পাই সেইটো কিমান অন্যায় হ'ব । সেই কাৰণে OPS বাহাল ৰখাৰ বাবে মই সকলোকে অনুৰোধ জনালো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ উপাধ্যক্ষ মহোদয়, অখিল গগৈয়ে যিটো প্ৰস্তাৱ আনিছে, গোটেইখিনি কথা বিতং ভাৱে উত্থাপন কৰিছে আৰু মই অখিল গগৈৰ সংকল্প প্ৰস্তাৱ সমৰ্থন কৰি দুআষাৰ মান ক'ব খুজিছো। এই ক্ষেত্ৰত বহুতো আলোচনা হৈছে আৰু সেইদিনা আমাৰ মুখ্যমন্ত্ৰীয়ে অতি কঠোৰ ভাৱে সমৰ্থন কৰিছিল আমি সেই সময়তো ইয়াৰ পূৰ্ণ বিৰোধিতা কৰিছিলো। কাৰণ যেতিয়া NPS আহিছিল NPS ৰ ওপৰত আমি অসম বিধান সভাত বহু সময় ধৰি আলোচনা বিলোচনা কৰিছিলো। BJP Government ৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুত strong কৈ NPS ৰ সপক্ষে কৈছিল আমি কিন্তু তেতিয়াও NPS ৰ বিৰোধ কৰিছিলো। কাৰণ কৰ্মচাৰীৰ সকলৰ জীৱনক লৈ তেওঁলোকৰ অৱসৰ কালীন পেঞ্চনৰ যি ধৰণৰ ব্যৱস্থা ভাৰতীয় জনতা পাৰ্টী, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰে কৰিলে এইটো লৈ এটা বিৰাট বিক্ষোভ আজি কৰ্মচাৰী সকলৰ মাজত বিয়পি গৈছে; ২৫ আৰু ১০ বছৰৰ সীমা দি, ১২ মাহৰ Average উলিয়াই এতিয়া UPS দিব লগীয়াটো হৈছে। এইটো হৈছে সৰ্ব ভাৰতেতে। এটা সময়ত মোৰ মনত আছে মুখ্যমন্ত্ৰী ৰ লগত যেতিয়া মোৰ Debate হৈছিল ৰেলৰ কথা কৈছিল, ৰেলৰ শ্ৰমিক সকলে NPS ৰ বিৰোধিতা নকৰাৰ কথা কৈছিল, সেই কথাটো সচা নাছিল কাৰণ মই তেতিয়া পিছত খবৰ লৈছিলো, তেওঁলোকৰ যিটো গণভোট হৈছিল তাত তেওঁলোকে NPS ৰ বিৰোধিতা কৰি পুৰণি পেঞ্চন নীতি লৈকে যাব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু গোটেই ভাৰত বৰ্ষৰে বিভিন্ন খণ্ডতে

কেন্দ্ৰীয় চৰকাৰৰ বা ৰাজ্যিক চৰকাৰৰ এইটো আমি দেখা পাইছো যে নতুন পেঞ্চন নীতিৰ বিৰোধিতা কৰি OPS লৈকে যাব খোজে। এই দাবীটো যেতিয়া বহুত বেছি হৈ গ'ল তেতিয়া ভাৰত চৰকাৰে এটা Assured Pay Out দিয়াৰ কাৰণে এটা নতুন Scheme আগবঢ়াই দিছে যাৰ ভয়াবহতাৰ বিষয়ে অখিল গগৈ ডাঙৰীয়াই স্পষ্ট ভাৱে কৈছে। এতিয়া কথাটো হৈছে যে NPS ৰ অধীনস্থ কৰ্মচাৰী সকলে অৱসৰৰ পিছত কি পেঞ্চন পাইছে সেইটো আমি দেখা পাইছো। এতিয়া UPS টো যদি তেনেকুৱাই হয় কাৰণ কোনোৱা এজনে যদি ৩৮ বছৰ বয়সত চাকৰী পায়, যিহেতু চাকৰীৰ উৰ্ধ সীমা হৈছে ৩৮ বছৰ, তেতিয়া তেওঁৰ চাকৰীৰ কাৰ্য্যকাল ২২ বছৰ হ'ব আৰু তেতিয়া তেওঁলোকে ২৫ হেজাৰৰ যিটো সীমা আছে সেইটো তেওঁলোকে নাপাব। বেছিভাগৰ ক্ষেত্ৰতে এইটোয়ে হ'ব, যাৰ ফলত তেওঁলোকে জমা টকাৰ অৰ্থাৎ তেওঁলোকৰ নিজৰ দৰমহাৰ পৰা ১০ শতাংশ কৈ টকা কাটি তেওঁলোকক অৱসৰৰ সময়ত দিয়া হ'ব। যিটো কৰ্মচাৰী সকলে কোনো কাৰণতে মানি লোৱা নাই। কিন্তু মই এই ক্ষেত্ৰত এইটো অতি দুৰ্ভাগ্যৰ কথা বুলি কওঁ যে আমাৰ BJP শাষিত কেন্দ্ৰীয় চৰকাৰে হওঁক বা ৰাজ্য চৰকাৰে হওঁক এই ক্ষেত্ৰত আকোৰগোজ কৈ প্ৰথমতে NPS ৰ পিছত লাগি থাকিল আৰু পিছত UPS ত লাগিল যে ২৫ বছৰৰ চাকৰী কৰিলে আমি দিম। এইটো এটা নিশ্চয়তা দিব বিচাৰিছে যে তেওঁলোকৰ শেষ বৰ্ষৰ দৰমহাৰ ২৫ হেজাৰ বা ৩০ হেজাৰ টকা গড় হিচাপে দিম বুলি এটা Assurance দিব বিচাৰিছে। কিন্তু এই Assurance টো দিবলৈ যাওতে কৰ্মচাৰী সকলৰ পৰা ১০ শতাংশ কৈ যে কাটিব সেইটো অতি ভয়ংকৰ কথা, যি বিলাকে বহু বেছি পৰিমানে দৰমহা পায় তেওঁলোকৰ ক্ষেত্ৰত বেলেগ কথা কিন্তু যি বিলাক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে, তেওঁলোকৰ পৰা ১০ শতাংশ কৰ্তন কৰাৰ লগে লগে বহুত অসুবিধা হ'ব যেনে ২০ বা ২৫ হেজাৰ টকা পোৱা মানুহ জনৰ পৰা ১০ শতাংশ কৰ্তন কৰিলে তেওঁলোক কেনেকৈ চলিব। আচলতে এইটো হৈছে মাছৰ তেলেৰে মাছ ভজা কাম। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ১৮ শতাংশ দিম বুলি কৈছে আৰু বাকী খিনি কৰ্মচাৰীৰ পৰা আদায় কৰিব। আৰু এইটো কৰ্মচাৰী সকলে মানি ল'বলৈ কোনো পধ্যে ৰাজী নহয়। গতিকে মই ৰাজ্য চৰকাৰৰ অনুৰোধ কৰিম যে তেওঁলোকে যিটো Assumed Pay Out ৰ ব্যৱস্থা কৰিছে সেইটো নকৰি, UPS লৈ নাযায় আমাৰ OPSটো বাহাল ৰাখিব লাগে। ইতিমধ্যে কেইবাখনো চৰকাৰে তেওঁলোকৰ নিৰ্বাচনৰ প্ৰতিশ্ৰুতি অনুসৰি OPS লৈকে গৈছে সেইটো আদৰণীয়। যদি পশ্চিম বংগই OPS ত থাকিব পাৰে যদিও তেওঁলোকৰ নতুন দৰমহা আয়োগ হোৱা নাই। গতিকে আমাৰ চৰকাৰেও OPS লৈ যাব বুলি মই আশাবাদী।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় শ্ৰী আশ্ৰাফুল হুছেইন ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই ইয়াত যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে তাক আমি সমৰ্থন জনাইছো। NPS,UPS আৰু OPS ৰ ক্ষেত্ৰত যদি আমি চাবলৈকে যাওঁ NPS ৰ সময়চোৱাত কৰ্মচাৰী সকলে গোটেই চাকৰী জীৱনটো অনিশ্চয়তা মাজেৰে পাৰ কৰি যেতিয়া শেষৰ অৱস্থাত উপনীত হয় আৰু এতিয়া ভাৰত চৰকাৰে ঘোষণা কৰা UPS টো হৈছে এটা Hybrid system হিচাপে লোৱা হৈছে NPS বা UPS ত যি বিলাক সিমাৱদ্ধতা দেখা দিছে তাৰ ভিতৰত মূলত ইয়াত কোৱা হৈছে যে চাকৰীয়াল জনে বা তেওঁৰ পৰিয়ালে এটা নিশ্চিত পেঞ্চন লাভ কৰিব। কিন্তু এই নিশ্চত পেঞ্চন কিমান পৰিমানে লাভ কৰিব আৰু কি ধৰণে লাভ কৰিব সেইটো কিন্তু ধূসৰ। সদ্যহতে এই UPS ৰ ক্ষেত্ৰত সাম্ভাব্য কৰ ৰেহাইৰ কথা কোৱা হৈছে আৰু DA ৰ ক্ষেত্ৰত কিছু লাভ হব পাৰে আৰু নহবও পাৰে। বৃদ্ধ

অৱস্থাত এক নিশ্চিত পেঞ্চন লাভ কৰিব বুলি ক'লেও ইয়াত পৰিমানটো কম হোৱাৰ কাৰণে বৰ্তমানৰ মূল্য বৃদ্ধিৰ সময়ত সেই পইছাৰে নহব বুলি শংকা প্ৰকাশ কৰিছে। আমি বছৰত প্ৰায় ১৭ হেজাৰ কোটি মান টকা পেঞ্চনৰ নামত খৰছ কৰি আছো এই সংখ্যাটো যদি কিছু বঢ়োৱা যায় তেতিয়া হ'লে আমাৰ কৰ্মচাৰী সকলে যি শংকাৰ মাজত কাম কৰি আছে তাৰ পৰা সকাহ পাব আৰু কৰ্মচাৰী সকলৰ মাজত Efficiency ও বাঢ়িব। ২০১৩ চন বা ২০১৮ চনত যি সকল শিক্ষকৰ পদ নিয়মীয়া কৰণ হৈছিল বা যি সমূহ স্কুল প্ৰাদেশীকৰণ হৈছিল তেওঁলোকৰ দুখ আৰু কষ্ট যদি আপুনি আজি চায় তেতিয়া হ'লে দেখা পাব যে সেই সকল মানুহে ১২ শ ১৫ শ টকাত অৱসৰ ল'বলগীয়া হৈছে, যিয়ে গোটেই জীৱনটো সমাজৰ কাৰণে কাম কৰিছে ১০ জনক শিক্ষিত কৰিছে এটা সময়ত তেওঁলোকে গাওঁৰ মানুহে খোলা স্কুলত Graduation লৈ শিক্ষকতাৰ জীৱন আৰম্ভ কৰিছিল আৰু ২০১৩ চনৰ পৰা ২০২৪ চনলৈ তেওঁ দৰমহা পালে, কিন্তু শেষ বয়সত তেওঁ ২ হাজাৰ ৫হেজাৰ টকাত অৱসৰ লব লাগে। যিজনে গোটেই জীৱনটো সমাজৰ কাৰণে কাম কৰিছে, ১০ জনক সু-শিক্ষিত কৰিছে, এটা সময়ত তেওঁলোকে graduation লৈ গাওঁৰ মানুহে মিলি স্থাপন কৰা সেই স্কুলখনত শিক্ষকতা আৰম্ভ কৰিছিল আৰু জীৱনৰ শেষ বয়সত গৈ ২০১৩ চনৰ পৰা ২০২৩ -২৪ চনলৈ শিক্ষকৰ দৰমহা লাভ কৰিলে, তাৰ পিছত তৎক্ষণাত যদি সেই মানুহজনৰ টকাখিনি গৈ ২-৩ হাজাৰৰ ভিতৰত সীমাবদ্ধ থাকিব লগীয়া হয়, তেখেতৰ জীৱনটো আকাশৰ পৰা পাতালত পৰি যোৱাৰ নিচিনা এটা অৱস্থা হ'ব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আমি পুৰণি পেঞ্চন আঁচনিলৈ ঘূৰি যাব লাগে, তাৰ উপৰিও ২০০৫ চনৰ পিছৰ পৰা কম দিনৰ কাৰণে যিসকলে চাকৰি বা সেৱাত নিয়োজিত হৈছিল, তেখেতসকলৰ কাৰণে আজিৰ সদনে বিশেষভাৱে চিন্তা কৰিব লাগে যে, এই পৰিয়াল সমূহক বা এই ব্যক্তিসকলক কি ধৰণে সকাহ দিব পাৰি।

মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাটো অসমৰ প্ৰতিজন চৰকাৰী কৰ্মচাৰী সকলে কয় যে বিধায়ক সকলে আজি পেঞ্চন পাইছে। মহোদয়, আমিও বিচাৰিম যে, যদি আমাৰ নিচিনা জনপ্ৰতিনিধিক আপোনালোকে পেঞ্চন দিব পাৰিছে বা চৰকাৰে ব্যৱস্থা ল'ব পাৰিছে, গতিকে তেওঁলোকক পেঞ্চন দিয়ক নহ'লে আমাকো বাদ দি দিয়ক, তাত কোনো আপত্তি নাই। তেখেতসকলে গোটেই জীৱনটো মানুহৰ কাৰণে উচৰ্গা কৰি, সমাজৰ ১০ জনৰ কাৰণে কাম কৰি আৰু শেষৰ বয়সত যেতিয়া তেওঁ কোনো কামেই কৰিব নোৱাৰিব, তেওঁলোকৰ বহুতৰ ঠিকনা বৃদ্ধাশ্ৰম হৈ যাব পাৰে আৰু সেই সময়ত আমি চৰকাৰে তেওঁলোকৰ কাৰণে কি কৰিম। ভালৰ দিনত, ভালৰ সময়ত তেওঁলোকৰ পৰা যিমানতকৈ যিমান বেছিকৈ পাৰে আমি সেৱা ল'ম, দেশ আৰু দহৰ প্ৰগতিৰ কাৰণে কাম কৰাম আৰু এইটো এটা নিৰ্মম পৰিস্থিতি পৰিবেশৰ কথা। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, অৱসৰকালীন সময়ত মানুহে শান্তিত কেইটামান দিন জীয়াই যাব বিচাৰে আৰু জীৱনৰ অন্তিম সময়চোৱাত যাতে কৰ্মচাৰীসকলে ক'ব পাৰে, আমি যিসকলক সেৱা কৰিছিলো, তেখেতসকলে আমাক উচিত মৰ্য্যদা আৰু উচিত সন্মান আমাক দিছে ।

গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আমি আশা কৰিম যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে, এই সদনৰ সকলোৱে বিবেচনা কৰি গ্ৰহণ কৰিব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে, নতুন পেঞ্চন আঁচনিৰ পৰিবৰ্তে পুৰণি পেঞ্চন আঁচনি

আকৌ লাঘৱ হ'ব লাগে। এই প্ৰস্তাৱক আমি আমাৰ কংগ্ৰেছ বিধায়িনী দলে সম্পূৰ্ণ ভাৱে সমৰ্থন জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ দলে ভাৰতবৰ্ষৰ যিকেইখন ৰাজ্যত শাসনভাৰ চলাই আছে, প্ৰতিখন ৰাজ্যতে পুৰণি পেঞ্চন আঁচনি বলবৎ কৰা হৈছে আৰু আমাৰ কংগ্ৰেছ দলৰ মুকলিকৈ সিদ্ধান্ত কেন্দ্ৰীয় নেতৃত্বৰ, যিকেইখন ৰাজ্যত আহি থকা দিনত কংগ্ৰেছ দলে শাসন কৰিব, সকলো ৰাজ্যতে নতুন পেঞ্চন আঁচনিৰ পৰিবৰ্তে পুৰনি পেঞ্চন আঁচনি বলবৎ কৰা হ'ব।

অখিল গগৈ ডাঙৰীয়াই এই আঁচনিৰ সম্পৰ্কে ক'বলৈ গৈ গোটেইখিনি কথা এই বিধান সভাত উত্থাপন কৰিছে। আমাৰ একেবাৰে স্পষ্ট কথা যে এই ৰাজ্যখন বা এই দেশখন ভালকৈ পৰিচালিত হ'বলৈ হলে, প্ৰশাসনৰ লগত যিসকল বিষয়া কৰ্মচাৰী জড়িত, তেখেতসকলৰ যিখিনি ভূমিকা, সেই ভুমিকাখিনি যথেষ্ট গুৰুত্বপূৰ্ণ আৰু তেখেতসকলৰ ভাল ভূমিকাই এখন ভাল সমাজ, ভাল ৰাজ্য এখন, ভাল ৰাষ্ট্ৰ নিৰ্মাণ কৰাত যথেষ্ট সহায়ক হৈ পৰে। গতিকে তেখেতসকলে চাকৰি কালত যিধৰণে ৰাজ্যখনৰ কাৰণে, ৰাজ্যখনৰ জনতাৰ কাৰণে, দেশখনৰ কাৰণে, দেশৰ জনতাৰ কাৰণে, যিধৰণে দিনে-ৰাতিয়ে কষ্ট কৰে তেখেতসকলে, তেখেতসকলে যেতিয়া অৱসৰ লয় আৰু জীৱনৰ যেতিয়া অন্তিম সময়চোৱাত তেখেতসকলে উপনিত হয়, সেই সময়খিনিত তেখেতসকলে যাতে অৰ্থনৈতিক দিশত অসুবিধাৰ সন্মুখীন হ'ব লগীয়া নহয়, তাৰ প্ৰতি লক্ষ ৰাখি এই চৰকাৰে, আজিৰ সদনে পুৰনি পেঞ্চন আঁচনি বলবৎ কৰাৰ সিদ্ধান্তত পূৰ্ণ সমৰ্থন জনোৱাৰ কাৰণে আমি বিধায়নী দলৰ পৰা সকলোকে আহ্বান জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে কৈছো যে সমগ্ৰ দেশৰ লগতে অসমৰো বিষয়া কৰ্মচাৰী সকলে সময়ে সময়ে কৰ্ম বিৰতি পালন কৰে, তেখেতসকলে সময়ে সময়ে পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ কাৰণে চৰকাৰৰ ওচৰত দাবী জনায় আৰু ১০০ শতাংশ কৰ্মচাৰীয়ে যেতিয়া এই দাবী উত্থাপন কৰিছে, তেখেতসকলৰ দাবীৰ প্ৰতি চৰকাৰে সন্মান প্ৰদৰ্শন কৰিব লাগে আৰু সেই কাৰণে আমি চৰকাৰকো সকলো বিষয়া কৰ্মচাৰী সকলৰ হৈ অনুৰোধ জনাইছো পুৰণি পেঞ্চন আঁচনি বাহাল ৰাখিব লাগে, পুৰিন পেঞ্চন আঁচনি আকৌ বলবৎ কৰিব লাগে। আকৌ কৰ্মচাৰী সকলৰ যিটো ন্যায্য দাবী, কৰ্মচাৰী সকলে যাতে চাকৰি কাল শেষ হোৱাৰ পিছত যাতে তেওঁলোকে কোনো ধৰণৰ অসুবিধা সন্মুখীন নহয়, তেওঁলোকে যাতে জীয়াই থকা দিন কেইটা স-সন্মানে ভালকৈ নিজৰ জীৱনটো পৰিচালিত কৰিব পাৰে, নিজৰ পৰিয়ালক পৰিচালিত কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি এই বিধান সভাই সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱৰ প্ৰতি সন্মতি ৰাখি পুৰনি পেঞ্চন আঁচনি বলবৎ ৰখাৰ সিদ্ধান্ত বাহাল ৰাখক, তাকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, জনিয়া** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াই পুৰণি পেঞ্চন আঁচনি বাহাল ৰখাৰ কাৰণে যি প্ৰস্তাৱ আনিছে, আমিও সেই প্ৰস্তাৱটোৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো।

ইতিমধ্যে বহু কেইজন মাননীয় সদস্যই ইয়াৰ ওপৰত বক্তব্য ৰাখিছে। গতিকে মই খুৰ দীঘলীয়া এটা আলোচনা নকৰো। আমি লক্ষ্য কৰিছো, বৰ্তমানৰ NPS বা UPS, যিটো প্ৰক্ৰিয়ালৈ আমি গৈ আছো, এটা সময়ত গৈ এনেকুৱা হ'ব যে বিভিন্ন ৰাজ্যত অৰুণোদয়ৰ দৰে যিবোৰ আঁচনি আমি জনসাধাৰণক দি আছো, চৰকাৰী পেঞ্চন আৰু এই আঁচনিৰ ধনৰ পৰিমানটো সমান হৈ যাব।

যেনেকৈ সন্মাননিধিৰ আঁচনিৰ জৰিয়তে দিল্লীত ৩ হাজাৰকৈ টকা প্ৰত্যেক জন জনসাধাৰণক দিয়া হ'ব, তেনেকৈ বিভিন্ন দলে বিভিন্ন ৰাজ্যত প্ৰতিশ্ৰুতি দিয়ে যে ৫ হাজাৰকৈ দিয়া হ'ব বা হয়তো অহা পাঁচ বছৰৰ পিছত ৫ হাজাৰ হ'ব। কোনোবা ৰাজ্যত ১০ হাজাৰ বুলি ক'ব। এনেকৈ সৰ্বসাধাৰণৰ লগত Reverie politics চলি আছে। বিভিন্ন দলে commitment কৰে যে তেওঁলোকে শাসনত আহিলে ৫ ৰ পৰা ১০ হাজাৰলৈকে টকা দিব। গতিকে আমাৰ এই পেঞ্চনাৰ সকলে যে তাতকৈ কম পইচা ল'ব লগা হ'ব, তেনেকুৱা এটা অৱস্থা আমি উপলব্ধি কৰিছো।

গতিকে মই ক'ব বিচাৰিছো যে আমি ৰাষ্ট্ৰখন বহু আগুৱাই লৈ গলো। বিশ্বগুৰু হ'বলৈ আমি ভাৰতবাসী হিচাপে আশা কৰো আৰু গৌৰৱ কৰো। কিন্তু অকল মুখত ক'লেইতো নহ'ব, আমাৰ অৰ্থনৈতিক অৱস্থা কি হৈ আছে, যদি সঁচাকৈ আমি ভালকৈ আগবাঢ়িছো, তেতিয়াহলে কিয় আমি পুৰণি পেঞ্চন ব্যৱস্থা দিব পৰা নাই। এই বিলাক নতুন নতুন পেঞ্চন আঁচনি ওলাই আমি কিয় জনসাধাৰণক বঞ্চিত কৰি আছো। সামান্য পৰিমানৰ পইচাতে তেখেতসকলে সন্তুষ্ট থাকিব লাগে বুলি বাধ্য কৰাই আছো। গতিকে মই ভাৱো যে স্বাধীনতাৰ পিছৰ পৰা দীৰ্ঘদিন ধৰি যি পুৰণি পেঞ্চন নীতি আছিল, এতিয়াও বহু কেইখন ৰাজ্যত চলি আছে, আমাৰ অসমৰ কৰ্মচাৰী সকলকো সেই পুৰনি পেঞ্চন নীতিৰ অধীনত অন্তৰ্ভুক্ত কৰিব লাগে আৰু নতুন যিবোৰ পেঞ্চন নীতিলৈ আমি গৈ আছো, সেইবোৰ বাতিল হ'ব লাগে। সেই অনুসৰি মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ এই প্ৰস্তাৱ গ্ৰহণ কৰি সেই মতে সিদ্ধান্ত ল'ব লাগে। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত এষাৰ কথা ক'বলগীয়া আছে। যোৱা বছৰৰ বাজেট অধিবেশনত অন্তিম দিনাও এই বিষয়ত আলোচনা হৈছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে যদি নতুন পেঞ্চন নীতি বাহাল নাৰাখি পুৰণি নীতি প্ৰনয়ণ কৰিবলৈ যাওঁ, ৰাজ্যৰ অৰ্থনীতি বেয়া হৈ যাব। কিন্তু যোৱা সময়চোৱাত মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে যে আমাৰ ৰাজ্যৰ অৰ্থনীতি ভাল হ'ব। গতিকে এই বছৰ বিষয়টো consider কৰিবলৈ অনুৰোধ জনাইছো যাতে আমাৰ যেনেকৈ কোৱা হৈছিল OPS অৰ্থনীতি ভাল হওক, কাৰণ constitution ৰ article 309 & article 140 ৰ clause 5 অনুসৰি আমি কেনেকুৱা সেৱা বিধি নিয়োগ কৰিব লাগে, তাত পেঞ্চনৰ কথাও আহিব, সেইখিনি কৰিব পাৰো আৰু যোৱা সময়ত এই কথা কোৱা হৈছিল, বহুত ক্ষেত্ৰত চৰকাৰে আশ্বাস দিয়ে যে অৰ্থনীতি ভাল হ'লে নতুন নতুন আঁচনি ল'ব আৰু পেঞ্চনটো যিহেতু কোনো বক্সিচ নহয়, এইটো পূৰ্বতে কৰা কামৰ বাবে তেখেতসকলৰ প্ৰতি কৃতজ্ঞতা। গতিকে মই ভাৱো যে এই কথাখিনিক লৈ যি প্ৰস্তাৱ আহিছে, প্ৰস্তাৱটো সদনত গ্ৰহণ হ'ব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াই "Rules of Procedure and Conduct of Business" in Assam Legislative Assembly, under Rule 115 ৰ অধীনত যিটো বিষয় উত্থাপন কৰিছে, এই বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু ইয়াত মাননীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, জনিয়া সমষ্টিৰ বিধায়ক ডাঙৰীয়া, বিৰোধী দলৰ দলপতি ডাঙৰীয়াৰ লগতে কেইবাজনো বিধায়কে অংশগ্ৰহণ কৰিছে। আপোনালোকৰ কথাখিনি আমি ভালকৈ শুনিলো। কিন্তু কথাটো হৈছে যে ১ ফ্ৰেব্ৰুৱাৰী, ২০০৫ চনৰ আগৰ কৰ্মচাৰী সকলে পুৰনি পেঞ্চন নীতি মতে তেওঁলোকে থাকিব আৰু ১ ফ্ৰেব্ৰুৱাৰী, ২০০৫ চনৰ পিছত যিসকল কৰ্মচাৰী

নিযুক্তি হ'ল, তেওঁলোকৰ ক্ষেত্ৰত পুৰণি পেঞ্চনৰ ঠাইত নতুন পেঞ্চন নীতি এটা introduce কৰা হৈছে। নতুন পেঞ্চন নীতিটোত যিটো provision আছে, সেই provision ৰ মতে এজন কৰ্মচাৰীৰ total basic pay আছে তাৰ ১০ শতাংশ আৰু DA থাকিব, সেই ১০ শতাংশ তেওঁলোকৰ পৰা গৈ পেঞ্চন fund account ত জমা হ'ব। তেওঁলোকৰ পৰা ১০ শতাংশ আহিব আৰু অসম চৰকাৰে ১৪ শতাংশ দিব। এইটো আমাৰ ১-৪-২০১৯ তাৰিখে ঘোষণা কৰা হৈছে। মুঠ এমাউন্ট যিটো হ'ব সেইটো National Security Deposit Limited এই একাউন্টৰ জৰিয়তে সেইটো এইদৰে মেনেজ কৰা হ'ব। Supervise কৰিব pension fund regulatory development Authority য়ে। গতিকে Supervise কৰাৰ পিছত এই যিখিনি ১০ শতাংশ পইচা জমা হ'ল বা অসম চৰকাৰৰ পৰা ১৪ শতাংশ পইচা জমা দিছে, এই গোটেইখিনি যেতিয়া আমাৰ ফাণ্ডত জমা হ'ব যিজন চৰকাৰী চাকৰিয়ালে অৱসৰ ল'ব সেই সময়ত তেওঁ এই মুঠ যিখিনি জমা হৈছে তাৰ পৰা তেওঁ ৬০ শতাংশ পইচা পাব। বাকী ৪০ শতাংশ যি পইচা থাকিব সেই ৪০ শতাংশ পইচাখিনি এই একাউন্টত invest হ'ব, এই invest যে হ'ব insurance company তে হওঁক বা অন্যতে হওঁক সেই ইনভেষ্টৰ পৰা যিখিনি পইচা আহিব সেই পইচাখিনিৰ পৰা তেওঁলোকে, তেওঁলোকৰ কাৰোবাৰ যদি বেছি দৰমহা বেছি পইচা জমা হৈছে, কাৰোবাৰ কম দৰমহা কম পইচা জমা আছে, গতিকে সেই দৰমহাৰ সমানুপাতিক ভাৱে এই ইনভেষ্টমেন্টৰ পৰা যি পইচা আহিব তাকে তেওঁলোকক পেঞ্চন হিচাপে দিয়া হ'ব। গতিকে এই যিটো চিচ্‌টেম এই চিচ্‌টেমটো গোটেই ভাৰতবৰ্ষতে আৰম্ভ কৰিছে। গতিকে তাৰোপৰি এতিয়া আমাৰ মাননীয় সদস্য সকলে কৈছে যে আগৰ যিটো অ'পিএছ আছিল, অ'পিএছটোত কি হয় আমাৰ যে এজন কৰ্মচাৰীয়ে যিমান তেওঁ দৰমহা পাইছিল গতিকে দৰমহা পোৱাৰ পৰা ৫০ শতাংশ পইচা তেওঁ অবসৰৰ দিনাখনৰ পৰা পেঞ্চন হিচাপে পাই। আৰু এতিয়া এই আঁচনি মতে আমাৰ যিখিনি পইচা জমা হ'ব ১০ শতাংশ প্লাছ ১৪ শতাংশ অসম চৰকাৰৰ এই গোটেই পইচাখিনি যে জমা হ'ব তাৰ পৰা ৬০ শতাংশ পইচা এতিয়া এনপিএচ পলিচি মতে পাব। আৰু ৪০ শতাংশ পইচা এইটো তেঁওলোকৰ এই একাউন্টত জমা হ'ব যিটো পি পি এন একাউন্ট তাত জমা হ'ব। জমা হৈ তাৰ পৰা যিখিনি তেওঁলোকৰ income হ'ব তাৰ পৰা তেওঁলোকে বাকী পেঞ্চন হিচাপে পইচা পাই থাকিব পাৰিব। গতিকে এই ক্ষেত্ৰত আমাৰ নিউ পেঞ্চন পলিচি মতে আমাৰ অখিল গগৈ ডাঙৰীয়াই শিক্ষক সকলৰ কথা কৈছিল, হয়তো আজিৰ দিনটোত স্কুল বিভাগটোৰ পৰা প্ৰায় ৬২৮৪৫ employees falls under New Pension Scheme. গতিকে তেনেকুৱা ধৰণৰ এতিয়া আমাৰ এন পি এছ আঁচনিত প্ৰায় ২ লাখ ৮০ হাজাৰ কৰ্মচাৰী অন্তৰ্ভূক্ত আছে আৰু contribution from the financial year 2024-25. ২৩১০ কোটি টকা হৈছে আৰু তাৰ under this Grant No.23. গতিকে আজিৰ দিনটোত আমাৰ যিটো আমাৰ অখিল গগৈ ডাঙৰীয়াই কৈছে যে ইয়াৰ পিছত এটা আকৌ নতুন আঁচনি আহিল ইউপিএচ। ইউপিএচ যেতিয়া আহিল তেখেতে কৈছে যে ইয়াত জিপিএফ জমা নহ'ব, কিবা জমা নহ'ব সেইটো কথাটো সত্য অসত্য নহয়। কাৰণ জিপিএচটো জমা হ'ব এই যিটো একাউন্ট এই একাউন্টতে জমা হ'ব। জিপিএচটো কৰ্মচাৰী সকলৰ অধিকাৰ। গতিকে তেওঁলোকৰ প্ৰাপ্য ধনৰ পৰা বঞ্চিত কৰিব নোৱাৰে। গতিকে ইউপিএচ ৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে বুলি অখিল গগৈ ডাঙৰীয়াই কৈছে যে ইউপিএচ বলবৎ কৰিম। গতিকে ইউপিএচ বলবৎ কৰাৰ ক্ষেত্ৰত আমাক বিত্তবিভাগে জনাইছে যে জিপিএচ ৰ সম্পৰ্কত, আমাৰ বিত্ত বিভাগে এই গোটেই বস্তুখিনি এতিয়া বনাই আছে

যে কেনেকুৱা ধৰণৰ হ'ব কি হ'ব, তাৰ final sheet টো এতিয়াও হোৱা নাই। এইটো যিহেতুকে final sheet দিব পৰা নাই, গতিকে final sheet নিদিয়াৰ কাৰণে কথাখিনি মই এটা আন্দাজত নকওঁ। গতিকে final sheet টো দিয়াৰ পিছত এইখিনি ৰাজহুৱা কৰা হ'ব। আপোনালোক সকলোৱে জানিব পাৰিব। গতিকে মই ভাৱো যে অখিল গগৈ ডাঙৰীয়াই যিটো শংকা কৰিছিল যে আচলতে কৰ্মচাৰী সকলৰ অসুবিধা হ'ব নতুন পেঞ্চন আঁচনি মতে বা ইউপিএচ মতে, ইউপিএচ টো এতিয়ালৈকে আৰম্ভ হোৱা নাই, ইউপিএচটো পৰীক্ষা নিৰীক্ষা কৰি বিত্তবিভাগে প্ৰচেচ কৰি আছে। গতিকে প্ৰচেচ কৰাৰ পিছত যদি ইউপিএচটোৱে বেছি বেনিফিত হয় কৰ্মচাৰী সকলক আমি ইউপিএচটো দিম, যদি এনপিএচয়ে বেনিফিত হয় এনপিএচটো দিয়া হ'ব। গতিকে সেই হিচাপত।

**শ্ৰীঅখিল গগৈ** ঃ মানে অ'পিএচ টো দিবনে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ নাই অ'পিএচটো নহ'ব। কাৰণ যিহেতুকে গোটেই ভাৰতবৰ্ষত এইটো সিদ্ধান্ত হৈছে। কাৰণ মই মিছা কথা সদনত কিয় কম।

**মাননীয় উপাধ্যক্ষ** ঃ উত্তৰটো সম্পূৰ্ণ কৰিব দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ উপাধ্যক্ষ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়াই কৈছে অ'পিএচ নিদিয়ে নেকি? মই অ'পিএচ দিব বুলি কেনেকৈ কম? মই মিছা কথা কোৱা হ'ব। অসত্য কথা কোৱা হ'ব। গতিকে অ'পিএচটো নহয়, এনপিএচ হ'ব। আৰু এতিয়া ইউপিএচটোৰ কাম কৰি আছে বিত্ত বিভাগে যদি ইউপিএচটোত যদি কিবা বেছি বেনিফিত বুলি কৰ্মচাৰী সকলে ভাৱে তেতিয়া হলে ইউপিএচটো দিয়া হ'ব। যদি এনপিএচ ভাৱে তেতিয়া এনপিএছ হ'ব। গতিকে এনপিএচ টো হলে আমাৰ কৰ্মচাৰী সকলৰ কাৰণে যিখিনি কথা কোৱা হৈছে যে তেওঁলোকৰ অসুবিধা হ'ব কাৰণ তেওঁলোকৰ পৰা যিখিনি পইচা কাটি ৰখা হৈছে সেই পইচাখিনি ইনভেষ্ট হ'ব আৰু তাৰ পৰা ইনকাম হ'ব আৰু ইনকামৰ পৰা তেওঁলোকে পাই থাকিব পইচা যিখিনি বেনিফিটচৰ টকা পাব লাগে পাই থাকিব।

**শ্ৰীমনোৰঞ্জণ তালুকদাৰ** ঃ শ্যেয়াৰ যদি ডুবি যায়?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ শ্যেয়াৰ ডুবি নাযায়, ডুবি গলে চৰকাৰৰ চিকিউৰিটি থাকিব নহয় তাত। শ্যেয়াৰ চৰকাৰে ইনভেষ্ট কৰিব। চৰকাৰৰ চিকিউৰিটি থাকিব। দীঘলকৈ কব দিলে মই ভালকৈ বুজাই দিব পাৰো financial matter purely technical আৰু ধৰক আইটিটি শ্যেয়াৰ ইমান কমি গল, সেই বিলাক কথা নহয়, সেইবিলাক কথা লৈ আমি সকলোতে শ্যেয়াৰ ডুবি গ'ল বুলি কলে নহ'ব। গতিকে এইটোত চৰকাৰৰ চিকিউৰিটি থাকিব। চৰকাৰৰ ইনভেষ্টমেন্ট থাকিব। এই ক্ষেত্ৰত কৰ্মচাৰীৰ অসুবিধা নহয়। গতিকে মই ভাৱো উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় অখিল গগৈ ডাঙৰীয়াক মই অনুৰোধ কৰিম যে কৰ্মচাৰী সকলৰ যিখিনি অসুবিধা হ'ব বুলি তেখেতে শংকা কৰিছে সেই শংকা খিনি তেখেতে আতৰ কৰি দিয়ক। আৰু তেখেতে যি ইয়াত প্ৰস্তাৱ আনিছে সেইটো উঠাই লবলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই এটা কথা স্পষ্টীকৰণৰ কাৰণে কওঁ। এতিয়া তেখেতে এনপিএচৰ সপক্ষে কৈ আছে। এনপিএচ এক্টিভ থকাৰ ফলত কৰ্মচাৰীৰ যে অসুবিধা হৈছে সেইটো কেন্দ্ৰীয় চৰকাৰে বুজি পাইয়ে ইউপিএচ আনিছে। এনপিএচটো কেন্দ্ৰীয়

চৰকাৰে সলনি কিয় কৰিব বিচাৰিছে, ইউপিএচটোৰে উন্নত কৰিবৰ কাৰণে, কিন্তু আমি কৈছো যে এইটো ভয়ংকৰ।

**মাননীয় উপাধ্যক্ষ** ঃ Please.

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** এটা চিচটেমক মডিফাই কৰিব।

**শ্ৰীমনোৰঞ্জণ তালুকদাৰ** ঃ মডিফাই নহয়, বেলেগ চিচটেম এইটো। ইউপিএচ বেলেগ চিচটেম এনপিএচ বেলেগ চিচটেম।

**মাননীয় উপাধ্যক্ষ** ঃ Please. No argument please sit down.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ উপাধ্যক্ষ ডাঙৰীয়া, মই বক্তব্যত কৈ গৈছো যে UPS ৰ ওপৰত বৰ্তমান Finance Department য়ে কাম কৰি আছে। যদি UPS টো কৰ্মচাৰী সকলক benifited বেছি কৰে, আমি NPS নিদিও, UPS দিম। সেই কথাটো মই ক'লো। সেই বিষয়টো আপুনি মানিহে ল'ব লাগে যে হয়, যদি এইটো benifited হয়, সেইটোৰে দিয়ক। কৰ্মচাৰীৰ স্বাৰ্থতে হ'ব কথাটো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য আপোনাৰ সংকল্প প্ৰস্তাৱটো withdraw কৰিব নে?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ উপাধ্যক্ষ ডাঙৰীয়া, আচলতে ইয়াৰ আগতো এই প্ৰস্তাৱটো উত্থাপন কৰিছিলো আৰু এই সম্পৰ্কে details আলোচনা হৈছিল অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিবা এটা কৰিম বুলি সদনক প্ৰতিশ্ৰুতি দিছিল। সকলোৰে আমাৰ মনত আছে যে তেখেতে কৈছিল যে, যদি কিবা এটা gape থাকে, সেই gape টোৰ কাৰণে আমি অসম চৰকাৰৰ পৰা কিবা এটা কৰিম। কিন্তু মই ভাবিছিলো যে আজি অসমৰ মুখ্যমন্ত্ৰী, Pension Department ৰ মন্ত্ৰী, মুখ্যমন্ত্ৰী ডাঙৰীয়া তেখেত থাকিব আৰু তেখেতে reply টো দিব। কিন্তু এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু নাই আৰু আমাৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই আমাক উত্তৰটো দিলে। এতিয়া সকলো কথা আমি clear হ'ব নোৱাৰিলো। গতিকে আজি আপোনালোকে দেখিলে শ্ৰীমনোৰঞ্জন তালুকদাৰ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ কংগ্ৰেছৰ, শ্ৰীৰফিকুল ইছলাম এ. আই. ইউ. ডি এফ ৰ আৰু শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি আটাইসকলে ক'লে যে আমাক পুৰণি পেঞ্চন লাগে। গতিকে আজি সদনত প্ৰস্তাৱটো উঠাই নলওঁ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটোলৈ আহো। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো গৃহীত কৰাৰ সদনৰ সন্মতি আছে নে? যি সকলে সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল।

(সদনত হুলস্থুল)

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ আমাক division লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ No division. কাৰ্য্যসূচী নং ৮। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ, কোন কৰ্মচাৰীৰ পক্ষত আছে, কোন নাই এইটো দুধ কা দুধ পানী কা পানী। Division লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ Already নাকচ কৰা হৈছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ, এইটো নাকচ হোৱা নাই। Division লাগে। আমি আটাই বিৰোধী দলে কৈছো। (সদনত হুলস্থুল)

**माननीय উপাধ্যক্ষ** ঃ বেলেগৰ time ত disturb দিছে কিয়। Sit down please.

(সদনত হুলস্থুল)

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ, vote লাগে। (সদনত হুলস্থুল) আন party কেইটাকো সুধক। সকলো party য়ে কৈ আছে division লাগে।

**माननीय উপাধ্যক্ষ** ঃ Please. শ্ৰী দেৱব্ৰত শইকীয়া। Please sit down. Already এইটো time bound কৰা হৈছে। কিয় division আহিব লাগে। Rule নাজানে নেকি আপোনালোকে? Rule খন পঢ়ক। Already নাকচ কৰা হৈছে। Please sit down. শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াক ক'ব দিয়ক। Item No. 8, Rules 115. Hon'ble Member Shri Debabrata Saikia.

(সদনত হুলস্থুল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা), বিৰোধী দলৰ দলপতি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,

"That this House urges upon the Government to take up the matter of granting scheduled tribes status to Moran, Matak, Ahom, Chutia, Koch-Rajbongshi and Tea Tribes, with the Union Government without cutting any benefits of the existing declared tribes of Assam, keeping in view that the Joint Parliamentary Committee formed in 1996 also recommended for this."

(সদনত হুলস্থুল)

**माननीय উপাধ্যক্ষ** ঃ Please down. One minute. শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি অকনমান rule বিলাক পঢ়িব। Rule টো আপোনাক দিয়া হৈছে আৰু যদি লাগে আৰু এখন Rule Book আপোনাক provide কৰি দিম।¯ এইটো নাকচ কৰা হৈছে। Don't challenge the chair. Don't challenge the chair. Please sit down. Already আমি next item ত গৈছো। তাৰ পৰা ঘুৰি নাহে। Please sit down. Please sit down. শ্ৰী দেৱব্ৰত শইকীয়া। Next item ত আমি গ'লো। এইটো item ত ঘুৰি নাহে according to the rule. Please sit down.

(সদনত হুলস্থুল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা), বিৰোধী দলৰ দলপতি** ঃ চাৰ, একো শুনা নাই। বহুত হুলস্থুল হৈছে। কিবা এটা কৰি দিয়ক।

(সদনত হুলস্থুল)

**माननीय উপাধ্যক্ষ** ঃ House is adjourned for 3 minutes.

মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কওঁক। .........interruption...........

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাক Division লাগে।...

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত এই সংকল্প প্ৰস্তাৱটো আলোচনাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। প্ৰস্তাৱটো হ'ল "এই সদনে চৰকাৰক কেন্দ্ৰীয় চৰকাৰৰ সৈতে মিলিত হৈ, লগতে ১৯৯৬ চনত

গঠন হোৱা যুটীয়া সংসদীয় সমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰ প্ৰতি দৃষ্টি ৰাখি বৰ্তমানৰ স্বীকৃত জনজাতি সমূহৰ দৰে কোনো সুবিধা কৰ্তন নকৰাকৈ মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনজাতি সকলৰ জনজাতি মৰ্য্যদা প্ৰদানৰ বিষয়টো গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো।" মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য বৃটিছৰ শাসনাধীন আছিল আৰু প্ৰাক্ স্বাধীনতাৰ সময়ৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে নিজৰ নিজৰ বিকাশ আৰু উন্নয়ণৰ বাবে .............interruption...........পন্থা অৱলম্বন কৰিছিল। বিভিন্ন ব্যক্তি প্ৰয়াত সুৰেন্দ্ৰ বুঢ়াগোঁহাই.............interruption...........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাক Division লাগে,আমাক Division লাগে, আমাক Division লাগে, .. ....

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া You are suspended for the whole day.

**(মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াক গোটেই দিনটোৰ বাবে সদনৰ পৰা suspend কৰা হয়।)**

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ**.............interruption........... মাননীয় উপাধ্যক্ষ মহোদয়, ভীমবৰ দেউৰী আদি সকলে বৃটিছ শাসনকালতে All Party Leader's Conference বা সৰ্ব্বদল এনেকুৰাধৰণৰ গঠন কৰি ভূমি পুত্ৰসকলৰ বা বৃটিছ শাসনৰ বহু পূৰ্বে ইয়ালৈ অহা জাতি-জনগোষ্ঠী সকলৰ বিকাশৰ বাবে বিভিন্নধৰণৰ প্ৰচেষ্টা হাতত লৈছিল। মৰাণ, মটক, আহোম, চুতীয়া, কোচৰাজবংশী আৰু চাহ জনজাতি লোকসকলেও নিজৰ নিজৰ ভাষা-কৃষ্টি, সম্প্ৰদায়ৰ স্বকীয় বৈশিষ্ট ৰক্ষাৰ বাবে জনজাতি কৰণৰ দাবী উত্থাপন কৰি আহিছিল। আনকি স্বাধীনতাৰ পূৰ্বৰ সময়ত যেতিয়া শ্বিলঙত আমাৰ ৰাজধানী আছিল, সেইখিনি সময়ত ১৯৪৩ চনত সুৰেন্দ্ৰ নাথ বুঢ়াগোঁহাই ডাঙৰীয়াই এটা সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰাবলৈ যত্ন কৰিছিল। প্ৰস্তাৱটো আছিল- This Assembly is of opinion that the Ahom Community of this province included amongst the recognised minorities for future Indian Constitution and that the Govt. of Assam, the Govt. of India and his Majesties Govt. for consideration and acceptance of the community as a minority. সেই সময়ত scheduling ৰ কথা কোৱা নাছিল। সেই সময়ত যিহেতু মেজৰিটি আৰু মাইন'ৰিটিৰ কথা আছিল, সংখ্যালঘু সম্প্ৰদায় হিচাপে অন্তৰ্ভুক্ত কৰাৰ কথা কৈছিল। সেই কথাটো এই কাৰণেই আহিছিল কাৰণ দেশৰ সংবিধান গৃহীত হৈছিল আৰু সংবিধান সভাত বিভিন্ন আলোচনাৰ পিছত জনজাতি সকলৰ বাবে scheduling কৰি অনুসূচীত জাতি আৰু জনজাতি কৰা হ'ল। সেই সময়ত যিহেতু সেই ব্যৱস্থা নাছিল, ১৯৪৩ চনত সংবিধান হ'লে কি হ'ব সেইটো পূৰ্বানুমান কৰিব পৰা নাছিল। সেইকাৰণে তেনেধৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ আন্দোলন হৈ আছিল আৰু সেই আন্দোলন সমূহৰ ফল স্বৰূপে বিভিন্ন জাতি-জনগোষ্ঠী সমূহে অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰক দেশ স্বাধীন হোৱাৰ পিছত জনজাতি কৰণৰ দাবী উত্থাপন কৰিছিল। সেই দাবী অনুসৰি এই ছয়টা জনগোষ্ঠীৰ ভিতৰত কোচ-ৰাজবংশী সকলক ১৯৯৫ চনত মোৰ যিমান দূৰ মনত পৰে দুবাৰকৈ অধিসূচনাৰ জৰিয়তে জনজাতিকৰণ কৰা হৈছিল। সেইখিনি সময়ত মাজুলীৰ পৰা প্ৰয়াত কৰুণা দত্ত নামৰ কোচ ৰাজবংশী

সকলৰ এজন প্ৰতিনিধি অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। যেতিয়া কোচ ৰাজবংশী সকলক তৃতীয়বাৰৰ বাবে জনজাতি কৰণ কৰাৰ অধ্যাদেশখন লোক সভাত উত্থাপন কৰা হৈছিল, সেইখিনি সময়তে সংসদত কিছু আলোচনা হৈছিল। সেই আলোচনাত কোৱা হৈছিল যে তেখেতসকলক এনেদৰে কৰাতকৈ সকলো সময়ৰ কাৰণে কৰিব লাগে। তাৰ বাবে তেখেতসকলক চিলেক্ট কমিটি বা ষ্টেণ্ডিং কমিটিৰ জৰিয়তে জনজাতি কৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ১৯৯৬ চনৰ ২ আগষ্টত, The House will now take up Item No.24 and 25, disapproval of the constitution Schedule Tribe Order Amendment Third Ordinance 1996. অৰ্থাৎ তৃতীয় বাৰৰ বাবে কোচ-ৰাজবংশী সকলক এনেধৰণে Ordinance ৰ যোগেদি কৰা হৈছিল। This House disapprove of the constitution Schedule Tribe Order Amendment Third Ordinance 1996 No. 30 of 1996 promulgated by the Prsident on 27th June, 1996. এই কথাখিনি পিছত সংসদত আলোচনা হ'ল আৰু সাংসদ, মন্ত্ৰী, বিধায়ক আদি বিভিন্ন জনে তাত অংশ ল'লে। ৰাম নায়ক, গুৱাহাটীৰ ড° প্ৰবীণ চন্দ্ৰ শৰ্মা, লখিমপুৰৰ ড° অৰুণ কুমাৰ শৰ্মা, ডিব্ৰুগড়ৰ পৱন সিং ঘাটোৱাৰ, পি উপেন্দ্ৰ বিজয়, বলৱন্ত সিং আহুলুৱালিয়া, ঠিক তেনেকৈ পি চি সাকো, পি এম ছৈয়দ, অসমৰ সন্তোষ মোহন দেৱ, জয়ন্ত ৰংপি আৰু বিভিন্ন জনে এটা সিদ্ধান্ত গ্ৰহণ কৰিলে যে এই গোটেই কথাখিনি এটা চিলেক্ট কমিটিৰ যোগেদি ঠিক কৰা হওঁক আৰু প্ৰথম যিহেতু চিলেক্ট কমিটিখনত অকল কোচ-ৰাজবংশীসকলৰ Ordinance খনৰ কথা আহিছিল, সেয়েহে সেই সময়ত বেলেগ জাতি-জনগোষ্ঠী সকলেও বিচাৰি থকাৰ বাবে অন্য বিলাককো অন্তৰ্ভূক্ত কৰিব পাৰি নেকি তাৰ বাবে চিলেক্ট কমিটি গঠনৰ ব্যৱস্থা কৰা হ'ল। এই চিলেক্ট কমিটিখন অমৰ ৰয় প্ৰধান, শ্ৰী দ্বাৰকা নাথ দাস, ললিত ওৰাং, শ্ৰী ভগৎ সিং কুলেষ্টি, শ্ৰী পৱন সিং ঘাটোৱাৰ, শ্ৰী পি আৰ দাস মুন্সি, পিনাকী মিশ্ৰ, উদ্ধৱ বৰ্মন, পি প্ৰদান ৰামায়া, এচ এচ বালানি মাকম, ড° জয়ন্ত ৰংপি, ড° অৰুণ কুমাৰ শৰ্মা, ড° প্ৰবীণ চন্দ্ৰ শৰ্মা, শ্ৰী এম চালাভাৰ্চু, এচ কে কাবেদন এইসকলক লৈ কৰা হ'ল আৰু তেখেতসকলক চিলেক্ট কমিটিৰ ৰিপোৰ্ট ছয় মাহৰ ভিতৰত দিবলৈ কোৱা হ'ল। কিন্তু এই চিলেক্ট কমিটিখনে ১৪-০৮-১৯৯৭ তাৰিখে ৰিপোৰ্ট দিয়ে। কমিটিখনে সেইসময়ত নাগৰিকত্ব সংশোধনী আইনৰ বাবে গোটেই উজনি-নামনি অসম কেইবাবাৰো ভ্ৰমণ কৰিছিল। ১৯৯৬ চনৰ নৱেম্বৰ মাহ আৰু ১৯৯৭ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁলোকে গোটেই অসম ভ্ৰমণ কৰি বিভিন্নধৰণৰ মানুহক লগ ধৰি কিছু পৰামৰ্শ আগবঢ়ালে। সেই পৰামৰ্শ কি আছিল, মই এতিয়া উল্লেখ কৰিম। পৰামৰ্শটো আছিল যে-
The Committee felt that if the Koch-Rajbongshi are included in the list of Schedule Tribe a large number of people will be entitled for reservation benefitd by diluting the existing 15% reservation Quota of the Schedule Tribe, 10% Plains and 5% Hills which would create lots of repercussion dissatisfaction among the original Tribes who are competatively less advance. The Committee find that there are presently 15% reservation for the OBC. Thus, total reservation comes to 39%. As per Supreme Court Verdict a State Reservation can not have more than 50% reservation. The Committee thus observed that in view of Supreme Court Verdict there is still scope of

increasing the reservation quota by 11%. The Committee are of the opinion that the Govt. may explore the possibility to increase the adequate quota of Schedule Tribe. The quota reservation may be decreased from the OBC list if necessary, as a large chunk of Koch Rajbongshi, Chutia and others would be transferred from OBC list to the ST List. This proportional quota can also be added with the ST List. The Govt. may also explore the possibility of creating separate reserved quota for Koch Rajbongshi and other community to be scheduled by this Bill so that reservation benefit enjoyed by notified tribes are not affected. মহোদয়, মূল সাৰাংশটো হ'ল যে ইতিমধ্যে যিসকল ST আছে, তেওঁলোকৰ কোনো অনিষ্ট নকৰাকৈ যি ৬ জনগোষ্ঠীয়ে OBC ৰ পৰা ST লৈ যাব বিচাৰিছে, তেখেতসকলক OBC লৈ উত্তীৰ্ণ কৰোতে তেওঁলোকৰ OBC quota টো তালৈ লৈ যাব লাগে আৰু Supreme Court ৰ ৰায় অনুসৰি যি ১১% দিব পাৰি সেইখিনিও তালৈ transfer কৰিব লাগে। নতুন সকলে যাতে পুৰণা ট্ৰাইবেল জনজাতিসকলৰ কোনো অনিষ্ট বা কোনো আশা-আকাংক্ষাত ভুগিব নালাগে তাৰ বাবে তেখেতসকল আৰু নতুনখিনিৰ মাজত এটা বিশেষ ব্যৱস্থাও কৰিব পাৰি। এই কথাখিনি যেতিয়া দাখিল হ'ল, এখন বিলো দিয়া হ'ল কিন্তু সেই বিল মতে কোনো কাম যোৱা সময়ছোৱাত কৰা হোৱা নাই। এইখিনি কথা হ'ল ১৯৯৭ৰ। ১৯৯৭ ৰ পিছত আমি বহুত বাৰ অসম বিধান সভাতো এনেকুৱা ধৰণৰ প্ৰস্তাৱ লৈছিলো । ১০ নৱেম্বৰ ২০১৪ চনত এটা প্ৰস্তাৱ অসম বিধান সভাই সেই সময়ৰ কেন্দ্ৰীয় Tribal Affairs Minister, Jual Oram ডাঙৰীয়াক দিছিল। সেইটো গৃহীত হৈছিল ০৭-০৭-২০১৪* ত। সেই সময়ৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ভৰত নৰহ ডাঙৰীয়াই প্ৰস্তাৱ লৈছিল যে- The House do now unanimously resolve to impress upon the Govt. of India for inclusion of Six communities of Assam namely Koch-Rajbongshi, Tai-Ahom, Chutia, Moran, Matak and Communities belonging to Tea Garden and Ex-Tea Garden Tribes in the list of Scheduled Tribes (Plains) of the State of Assam. এইখনত স্বাক্ষৰ কৰিছিল সৰ্বদলীয় নেতৃত্ব লোৱা অসম বিধান সভাৰ অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়াই। দলটোৰ সদস্যৰূপে মন্ত্ৰীসকল ক্ৰমে-পৃথিৱী মাঝি, ৰকিবুল হুছেইন, নীলমণি সেন ডেকা, ৰাজীৱ লোচন পেগু আছিল আৰু জাতীয় কংগ্ৰেছৰ বিধায়ক আছিল মেম্বৰ গগৈ, ভূপেন বৰা, দুৰ্লভ চমুৱা। Parliamentary Secretary আছিল শৰৎ শইকীয়া আৰু বলিন চেতিয়া। বিপিএফৰ বিধায়ক চন্দন কুমাৰ ব্ৰহ্ম, অগপৰ বিধায়ক ক্ৰমে ভূপেন ৰয়, ফণীভূষণ চৌধুৰী। বিজেপিৰ বিধায়ক দিলীপ মৰাণ আৰু এ.আই.ইউ.ডি.এফৰ বিধায়ক হাফিজ বচিৰ আহমেদ আছিল। অৰ্থাৎ অসম বিধান সভাৰ সকলো দলেই এই কথাখিনিত সমৰ্থন জনাইছিল। ১৯৭১ ৰ কথাখিনি ২০১৪ চনতো reiterate কৰা হৈছিল। তাৰ পিছত Jual Oram ডাঙৰীয়াৰ পৰা চিঠি আহিছিল, তাত কেনেকৈ কি প্ৰগতি হৈ আছে সেই বিষয়ে কোৱা আছিল। ইয়াত RGI, National Commission of ST ৰ কথা আছে। শেহতীয়াকৈ গ'ম পোৱা গৈছিল যে এই বাধাবোৰ আঁতৰি আহিছিল। কেন্দ্ৰীয় চৰকাৰে ইচ্ছা প্ৰকাশ কৰিছিল। ভাৰতৰ প্ৰধান মন্ত্ৰী ২০১৪ চনত অসমলৈ আহোতে তেখেতে কৈছিল যে এইখিনি খুব সোনকালে কৰা

হ'ব, যিখিনি কাম কংগ্ৰেছে কৰা নাই। এই কথা কোৱাৰো ১০ বছৰ হৈ গ'ল। তেখেতৰ নিৰ্বাচনী সভাৰ এইবোৰ বক্তব্য আছিল। পৰৱৰ্তী সময়ত National Commission of ST য়েও এই ক্ষেত্ৰত সন্তোষজনক মতামত আগবঢ়োৱা বুলি আমি গ'ম পাওঁ। পিছত, RGI ৰ কথা থাকিল। RGI টো কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অন্তৰ্গত চৰকাৰী বিষয়াৰ দ্বাৰা পৰিচালিত। গতিকে, ৰাজনৈতিক সদ্ ইচ্ছা থাকিলে এই কামখিনিও কৰিব পৰা যায় বুলি আমি জানো। মহোদয়, আমাৰ সতীৰ্থ বিধায়ক ৰেকিবুদ্দিন আহমেদে ২০ তাৰিখে এটা প্ৰশ্ন উত্থাপন কৰিছিল আৰু তাত বিভিন্ন তথ্য দিয়া হৈছে। তাত ২০১৪ চনৰ আগলৈকে অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত যিখিনি correspondence আছিল, সেই গোটেইখিনি দিয়া হৈছে। ইয়াৰ পিছত ৩ খন Notification দিয়া হৈছিল। তাৰ প্ৰথমখন হ'ল ১৪ জানুৱাৰী ২০১৯ ত Group of Ministers গঠন হোৱা। তাৰ পিছত সেই কমিটিৰ দুজন মন্ত্ৰী পল্লৱলোচন দাস আৰু তপন কুমাৰ গগৈ ডাঙৰীয়া সাংসদ হোৱাৰ বাবে দ্বিতীয়খন ১৮ নৱেম্বৰত replace কৰা হয়। পৰৱৰ্তী সময়ত মাননীয় শিক্ষা মন্ত্ৰীৰ নেতৃত্বত ৪ জুলাই ২০২৪ তাৰিখে কৰা হৈছিল। ইয়াত তেওঁলোকক Terms of Reference দিছিল যে- to determine quantum of reservation of six communities, suggests revised quantum of reservation for OBC, suggests measures for ensuring full safeguard to protect the interest, rights of existing tribals. এই কথাখিনি Select Committee ত উল্লেখ আছে। মহোদয়, ২০১৯ চনত বৰ্তমানৰ বিজেপি চৰকাৰখনে নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত গোটেই ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰিব লাগে বুলি লোকসভাত এখন বিল উত্থাপন কৰিছিল। আজি সেইখনৰো কোনো উল্লেখ নাই। ইতিমধ্যে Select Committee য়ে যিহেতু সন্মতি প্ৰদান কৰিছে আৰু অসম চৰকাৰেও মন্ত্ৰীগোট গঠন কৰি এই ক্ষেত্ৰত সদিচ্ছা প্ৰকাশ কৰিছে সেয়েহে মই পুনৰবাৰ অনুৰোধ জনাব বিচাৰিছো যে যিধৰণে Select Committee ৰ কথা আছিল সেই অনুসৰি আমি অগ্ৰসৰ হ'ব লাগে। ৬ জনগোষ্ঠীক যি প্ৰতিশ্ৰুতি দিয়া হৈছিল সেই প্ৰতিশ্ৰুতি তেওঁলোকে যাতে নিৰ্বাচনী প্ৰতিশ্ৰুতি বুলি ভাবি গণতন্ত্ৰই ৰাজনৈতিক দল সমূহৰ প্ৰতি আস্থা নেহেৰুৱায় তাৰ বাবে বৰ্তমানৰ শাসক পক্ষই ব্যৱস্থা ল'ব লাগে। ৬ জনগোষ্ঠীৰ এতিয়া আন্দোলন মুখৰ পৰিৱেশ হৈ আছে। তেওঁলোকে যোৱা সময়ছোৱাত দিল্লীলৈ গৈছে, অসম চৰকাৰৰ লগত আলোচনাও কৰি আছে কিন্তু সুফল বা সদ্ উত্তৰ পোৱা নাই। গতিকে এই বিধান সভাতে যাতে এটা ভাল উত্তৰ আমি পাব পাৰো তাৰ বাবে পুনৰ বাৰ এই ক্ষেত্ৰত প্ৰস্তাৱ ল'বলৈ চৰকাৰখনক অনুৰোধ জনাইছো। ২০১৯ চনৰ ৮ জানুৱাৰী তাৰিখে ৰাজ্যসভাত ST Ammendment Bill introduce কৰা হৈছিল আৰু clearly mention আছিল যে ST status has been granted to the six communities but till date the bill is waiting to see the light of the day. National Commission for Scheduled Tribe য়ে ২০১৯ চনতে approve কৰিছে। কেৱল এতিয়া ৰাজনৈতিক সিদ্ধান্তৰ বাবে পলম হৈছে। সেইখিনি যাতে কৰি দিয়ে তাৰ বাবে অনুৰোধ জনাই মই এই প্ৰস্তাৱটো দাঙি ধৰিলো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতিসমূহৰ কল্যাণ, ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৬ জনগোষ্ঠী টাই-আহোম, মৰাণ, মটক, চুতীয়া আৰু কোঁচ-ৰাজবংশী আৰু চাহ জনজাতিৰ অনুসূচীকৰণৰ বিষয়টো এটা দীঘলীয়া প্ৰক্ৰিয়াৰ

মাজত চলি আহিছে। সন্মানীয় বিৰোধী দলৰ দলপতিয়ে যিখিনি কথা উত্থাপন কৰিছে, সেইখিনি ইতিহাসৰ ৰেকৰ্ডত আছে আৰু বিধান সভাৰো ৰেকৰ্ডত আছে। তেখেতে উল্লেখ কৰা ধৰণে ইতিমধ্যে ৩ টা মূল terms of reference লৈ Group of Ministers কমিটিখন গঠন কৰি দিয়া হৈছিল। এটা হ'ল- to determine the quantum of reservation for six communities, আনটো হ'ল- to determine the revised quantum of reservation for the OBC communities, যিখিনি left out OBC থাকি যাব। তৃতীয়টো হ'ল- to suggest measures for protection of the rights and interest of the existing tribals. ইয়াৰ পূৰ্বেও বিধান সভাত যেতিয়া এই বিষয়টো উত্থাপন হৈছিল, তাক লৈ যেতিয়া প্ৰস্তাৱ গ্ৰহণ হৈছিল আৰু তাৰ পিছত এই বিধান সভাৰ পৰা সৰ্বদলীয় প্ৰতিনিধি দলে, সেই সময়ৰ প্ৰধান মন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়া আৰু জনজাতীয় মন্ত্ৰী জুৱেল ওৰাম ডাঙৰীয়াক যি স্মাৰক পত্ৰ দিছিল তাত এই কথাটো উল্লেখ কৰিছিল যে existing যিসকল schedule tribe আছে, তেওঁলোকৰ স্বাৰ্থৰ ক্ষয়-ক্ষতি নোহোৱাকৈ অনুসূচীকৰণৰ কামখিনি কৰিব লাগে। এতেকে, Group of Ministers গঠন হোৱাৰ পিছত Group of Ministers য়ে একাদিকক্ৰমে সকলোখিনি সংগঠনৰ লগত ইতিমধ্যে আলাপ অনুষ্ঠিত কৰিছে। টাই-আহোম, মৰাণ, মটক, চুতীয়া, কোঁচ-ৰাজবংশী এই জাতীয় সংঠনসমূহৰ লগতো আলোচনা হৈছে। আনহাতে, চাহ জনজাতিৰ প্ৰাক্তন চাহ জনজাতি আদিবাসীসকলৰ লগতো আলাপ-আলোচনা কৰিছে। জনজাতীয় সংগঠনসমূহৰ লগতো সুকীয়া সুকীয়াকৈ আলোচনা অনুষ্ঠিত কৰিছে। জনজাতি সংগঠন আৰু ৬ জনগোষ্ঠী সংগঠনৰ মাজত যেতিয়া আমি কিছুমান conflicting opinion পাইছিলো তেতিয়া আমি নিজেই উদ্যোগ লৈ মই আৰু সতীৰ্থ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াৰ সৈতে যৌথ ভাৱে টাই-আহোম জাতীয় সংগঠন আৰু জনজাতি সংগঠনসমূহৰ লগত একত্ৰিত ভাৱে যৌথ আলোচনাৰো আয়োজন কৰিছিলো যাতে consensus হ'ব পাৰে। এতিয়া আহি আহি আমাৰ অধ্যয়ন আৰু আলোচনাৰ প্ৰক্ৰিয়াটো সমাপ্ত হৈছে আৰু মই আজি পৱিত্ৰ সদনক জনাব বিচাৰো যে Group of Ministers আছিল, যিখন পুনৰ গঠন কৰা হ'ল, সেই পুনৰ গঠিত Group of Ministers য়ে এই মাহৰ ভিতৰতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আমি আমাৰ প্ৰতিবেদনখন দখিল কৰিম। মোৰ এইটোও প্ৰচেষ্টা থাকিব, যদিও মই এই মাহ বুলি কৈছো তাৰ আগতীয়াকৈ যাতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হাতত দিব পাৰো আৰু এই চলিত বিধানসভাৰ অধিবেশনৰ মাজতে এই Group of Minister ৰ প্ৰতিবেদন খন বিধান সভাতো উত্থাপন কৰিব পৰা যায়, তাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিম। আৰু কিবা কাৰণত এই বিধান সভাৰ অধিবেশনৰ মাজতে যদি প্ৰতিবেদন খন দাখিল কৰিব নোৱাৰো, ইয়াৰ পৰৱৰ্ত্তী বিধান সভাৰ অধিবেশনত নিশ্চিতভাৱে এই Group of Ministers প্ৰতিবেদন খন দাখিল হ'ব। গতিকে Group of Ministers ৰ যিখিনি অধ্যয়ন কৰিবলগীয়া বা আলোচনা কৰিবলগীয়া বিষয় আছিল সেইখিনি অনিৰ্দিষ্ট কাললৈ চলি নাথাকে আৰু মাৰ্চ মাহৰ ভিতৰতে অন্ত পৰিব বুলি মই মাননীয় বিৰোধী দলৰ দলপতি গৰাকীক আশ্বস্ত কৰিব বিচাৰিছো আৰু যিহেতু আমি আমাৰ প্ৰতিবেদন খন দিমে,প্ৰতিবেদনখনলৈ যিহেতু কেইটামান দিন অপেক্ষা কৰিব লাগিব, সেই ক্ষেত্ৰতে মই তেখেতৰ প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য খুব সুন্দৰ আশ্বাস আপুনি পাইছে। এতিয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই মাহত নহ'লেও মই ভাৱো অহা মাহৰ ভিতৰতে যাতে দিয়ে। ৬ বছৰ হ'ল মহোদয় এই মন্ত্ৰীগোটৰ কিন্তু তেখেতসকলে কৰা নাই। মন্ত্ৰী মহোদয়ৰ পৰা আজি প্ৰথমবাৰৰ বাবে আশ্বাস পাইছো। মই তেখেতৰ ওপৰত আস্থা ৰাখি এই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** যিহেতু মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়াদেৱে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে গতিকে উক্ত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ সকলোৰে সন্মতি আছে নে? যিসকল সদস্যই সপক্ষে আছে কওঁক হয়, যিসকলে বিপক্ষে আছে কওঁক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং-৯, সংকল্প প্ৰস্তাৱ under Rule-115. মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই সংকল্প প্ৰস্তাৱৰ জৰিয়তে বৰপেটা জিলাৰ অন্তৰ্গত নৱগঠিত চেঙা সমষ্টি বামণটোংৰাৰ পৰা খোলাবান্ধালৈ ব্ৰহ্মপুত্ৰৰ ওপৰত এটি দলং নিৰ্মাণৰ কাৰণে আমি এই প্ৰস্তাৱটো আনিছো। মহোদয় আপোনালোকে জানে যে ব্ৰহ্মপুত্ৰৰ ওপৰত অসমত কেইবাখনো দলং ইতিমধ্যে বিৰাজমান আৰু মহোদয় নামনি অসমত কেৱল ধুবুৰী-ফুলবাৰীৰ বাদে গুৱাহাটীত এখন দলং আছে, গোৱালপাৰাতো এখন দলং আছে, কিন্তু গুৱাহাটী আৰু গোৱালপাৰা বা যোগীঘোপাৰ মাজত প্ৰায় ১৫০-২০০কিঃমিঃ ঠাই আৰু এই ২০০ কিঃমিঃ ঠাই, বৰপেটা জিলাতো প্ৰায় ১০ খন গাওঁ পঞ্চায়ত আছে। সেই গাওঁ পঞ্চায়ত সমূহত কেইবা লাখ জনসংখ্যা বসবাস কৰে। বৰপেটা জিলাৰ এই গাওঁ পঞ্চায়ত সমূহৰ পৰা আমি যেতিয়া জিলা সদৰ সমূহলৈ যাব লাগে, আজিৰ সময়ত অতি কমেও দুই আঢ়ৈ ঘন্টা সময় নাওত যাত্ৰা কৰিব লাগে। কাৰণ পানী নাই। মই পৰহি নদী পাৰ হৈ চৰত গৈছিলো, যি ধূলি, যি বতাহ প্ৰায় ২ ঘন্টা সময় নদী পাৰ হওঁতে লাগিছে। তাৰ দুদিনমান আগত চেঙাৰ পৰা বাঘমাৰালৈকে গৈছিলো, বালুসুতিলৈকে গৈছিলো, খোলাবান্ধালৈকে গৈছিলো যাৰ দূৰত্ব প্ৰায় ১৬০-১৭০ কিঃমিঃ। অৰ্থাৎ মহোদয় যি দূৰত্ব ১০ কিঃমিঃৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰি যদি এখন দলং নিৰ্মাণ হয়। অৰ্থাৎ আমাৰ কাৰণে প্ৰায় ৩০০ কিঃমিঃ দূৰত্ব কমি আহিব। আমাৰ জিলাখনৰ নাগৰিকে জিলা সদৰলৈ আহিব নতুবা আমিও আমাৰ উন্নয়ণৰ কাম-কাজ, জিলা প্ৰশাসনিক কাম-কাজ, অন্যান্য যি শাসনতন্ত্ৰৰ ব্যৱস্থা, যি আৰু আনুসংগিক বস্তু আছে, সেইসমূহ আমাৰ জিলাখনৰ ভিতৰত বিয়পি পৰিব। কিন্তু স্বাধীনতাৰ ইমান বছৰ পিছতো আমাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মানুহখিনিক সদায় আমি পৃথক কৰি ৰাখিছো, যিসকলে আমাৰ মূল ভূমিৰ লগত, মূল বসন্তৰ লগত, জিলাখনৰ লগত আমি সংযোগ স্থাপন কৰিব পৰা নাই। বামণটোংৰাৰ পৰা খোলাবান্ধালৈ যদি দলং এখন নিৰ্মাণ কৰা হয় তেতিয়াহ'লে ৪২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ যি নতুনকৈ আমিনগাৱৰ পৰা বৰপেটালৈ ঘোষণা কৰা হৈছে, ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ যিটো জালুকবাৰীৰ পৰা গোৱালপাৰালৈ গৈছে, ৩২ ৰাষ্ট্ৰীয় ঘাইপথ যিটো বৰপেটা ৰোডৰ পৰা বা আৰু দূৰৰ পৰা গুৱাহাটীলৈ আহিছে, এই আটাইখিনি পথৰ সংযোগ মাত্ৰ ৪০ কিঃমিঃৰ ভিতৰত সমাপ্ত হ'ব। এই দলং খনৰ নিৰ্মাণ হোৱাৰ লগে লগে ভূটানৰ পৰা আৰম্ভ কৰি মেঘালয় হৈ বাংলাদেশলৈকে এটা সুন্দৰ পথৰ যাতায়ত হ'ব। মহোদয় এই দলংৰ নিৰ্মাণৰ লগে লগে হাজাৰ হাজাৰ বিঘা ভূমি, যি সমূহ ভূমি বৰ্তমান চৰ বা নদীৰ বুকুত আছে, সেই ভূমি সমূহো জাগি উঠিব, যিটো কৃষি আৰু বসোপযোগী হৈ উঠিব। এই দলংৰ নিৰ্মাণৰ লগে লগে আমাৰ

ব্ৰহ্মপুত্ৰৰ ইপাৰ আৰু সিপাৰৰ যি গৰাখহনীয়া সমস্যা আছে অন্তত ২-৪-৫ কিঃমিঃৰ ভিতৰত গৰাখহনীয়াৰ সমস্যাও চিৰদিনৰ বাবে নাইকিয়া হৈ যাব। এই দলংৰ নিৰ্মাণৰ লগে লগে আমাৰ মহাপুৰুষীয়া সত্ৰ-সংস্কৃতি অন্যতম তীৰ্থস্থান বৰপেটাৰ লগত ছমৰীয়া সত্ৰৰ এটা যোগসূত্ৰ স্থাপন হ'ব। মহোদয় বৰপেটাৰ লগত গোৱালপাৰাৰ এটা প্ৰত্যক্ষ connection পাব। বৰপেটাৰ যি কৃষিজাত সা-সামগ্ৰীৰ বজাৰ আৰু পথাৰ, সেই পথাৰ সমূহ মূলতঃ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে। আৰু ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আমাৰ যি কৃষি অৰ্থনীতি সেয়া ঠন ধৰি উঠিব আৰু ৰাজ্যৰ কৃষি অৰ্থনীতিৰ কাৰণে আমাৰ নদীৰ যি চৰ অঞ্চলৰ দুয়োপাৰৰ মানুহে যি একত্ৰিত ভাৱে বৰঙণি আগবঢ়াব পাৰিব সেয়া অতি গুৰুত্বপূৰ্ণ ।আমি ভাৱো ৰাজ্যৰ এটা major changeৰ কাৰণে ৰাজ্যৰ কৃষি অৰ্থনীতিৰ, যোগাযোগৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনগণৰ জীৱনৰ জুতিপূৰ্ণ জীৱনৰ পৰা এটা নিৰাপদ যোগাযোগ আৰু যাতায়তলৈ লৈ যোৱাৰ ক্ষেত্ৰত এই চৰকাৰে এটা বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা উচিত আৰু আজিৰ সদনে এই প্ৰস্তাৱটো গৃহীত কৰা উচিত। মহোদয়, কেইদিন পূৰ্বে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে প্ৰতিখন জিলাতে এখনকৈ দলং নিৰ্মাণ কৰা হ'ব। বৰপেটা জিলাবাসী স্বাধীনতাৰ পিছৰ পৰাই যিহেতু বঞ্চিত হৈ আছো, আমি আশা কৰিছো যে আজিৰ সদনত এই কথাটিৰ সদুত্তৰ পাম যে বৰপেটা জিলাখনৰ মাজত এখন দলং হ'ব। বৰপেটা জিলাৰ দলংখনেই কেৱল আমাৰ বৰপেটাবাসীকে লাভান্বিত কৰিব এনেকুৱা নহয়, বৰপেটা জিলাৰ দলংখনে ব্ৰহ্মপুত্ৰত দক্ষিণে থকা অৰ্থাৎ যাক দক্ষিণ কামৰূপ বুলি কোৱা হয় এই দক্ষিণ কামৰূপৰ লগত প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিব, গোৱালপাৰা জিলাৰ লগত প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিব, বৰপেটা জিলাত যিমান মানুহ, য'ত আজি শিক্ষক যাবলৈ টান পায়, য'ত আজি বিভিন্ন জনে চাকৰি বাকৰি কৰি সেৱা আগবঢ়াবলৈ টান পায়, কাৰণ চৰ অঞ্চল, ঘূৰি যাব লাগে ১৫০ কিঃমিঃ, নাৱত যাব লাগে ৩ ঘন্টা যাবলৈ টান পায় সেয়া আপদ নহয়, বিপদ নহয় এটি সুন্দৰ ঠাই হ'ব, য'ত সকলো ধৰণৰ সপোন সকলোৱে দেখিব পাৰিব। কম সময়ৰ ভিতৰত প্ৰায় ১৫ মিনিটৰ ভিতৰত বৰপেটা টাউনৰ পৰা ব্ৰহ্মপুত্ৰৰ সিটো পাৰত গৈ শিক্ষকতা কৰিব পাৰিব, চিকিৎসা কৰি আহিব পাৰিব বা কোনোবাই অন্য কাম কৰি আহিব পাৰিব। আজি মহোদয় যদি আপোনাক ব্ৰহ্মপুত্ৰ নদীৰে যাব দিয়া হয়, তেতিয়া আপুনি চাব দুদিন পিছে পিছে ফেৰী আবদ্ধ হৈ পৰিছে আৰু নাও ডুবিছে। মহোদয় আপুনি চাব তাত ক'ৰবাত জুই জ্বলিছে, সেই জুই নুমুৱাবলৈ গাড়ী পৰ্য্যন্ত যাবলৈ নাই, মানুহ আবদ্ধ হৈছে, মানুহ এনেকৈয়ে বসবাস কৰিবলগীয়া হৈছে। গতিকে মহোদয় এখন দলং এ যদি জনজীৱন সলনি কৰি দিব পাৰে, এখন দলং এ যদি লাখ লাখ মানুহৰ মুখত হাঁহি বিৰিঙাব পাৰে, এখন দলং এ যদি ৰাজ্যৰ কৃষি, শিক্ষা স্বাস্থ্যৰ উন্নয়ণমূলক কাম-কাজ, প্ৰশাসনিক কাম-কাজৰ যুগান্তকাৰী পৰিৱৰ্তন আনিব পাৰে। মই ভাৱো এই সদনৰ সতজন সদস্যই একেমুখে স্বীকাৰ কৰিব যে বৰপেটাত এখন দলং হোৱা উচিত আৰু মই ভাৱো সদনৰ প্ৰতিজন সদস্যৰ পৰাই এই ক্ষেত্ৰত সমৰ্থন পাম। বৰপেটা জিলাবাসীয়ে এখন দলং পাব, যি দলংৰ সপোন আমাৰ পূৰ্বপুৰুষ সকলে দেখিছিল, আমি আজিৰ প্ৰজন্মই দেখিছো, আশা কৰিছো আমাৰ এই প্ৰজন্মই সপোনটো শেষ কৰি বাস্তৱত পৰিণত কৰিব আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ দিবলৈ এটা আৰু সুযোগ পাম যে তেখেতে বৰপেটা জিলাত দলং এখনৰ কাম শেষ কৰিছে। উপাধ্যক্ষ মহোদয় সদনত এই প্ৰস্তাৱটো, দাবীটো আপুনি সদনৰ সকলোৰে সাপেক্ষে গ্ৰহণ কৰিব বুলি আশাবাদী।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, specific ব্ৰহ্মপুত্ৰৰ ওপৰত দলং, ইয়াৰ ওপৰতহে ক'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বামুণডোংৰাৰ পৰা খোলাবান্ধা হৈ নগৰবেৰালৈ দলং নিৰ্মাণৰ প্ৰয়োজনীয়তা সম্পৰ্কে মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই অতি সাৱলীল ভাৱে কথাখিনি উপস্থাপন কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দায়িত্বভাৰ লোৱাৰে পৰা আমি তেখেতৰ মনোভাৱটো বুজি আহিছো যে তেখেতে অসম খনক ভাৰতবৰ্ষৰ ৪ নং বা ৫ নং ৰাজ্যৰ ভিতৰত লৈ যাব বিচাৰে। মই ভাৱো তেখেতৰ সেইখিনি বুদ্ধিমত্তা আছে। তেখেতে যদি উপযুক্তভাৱে পদক্ষেপ লয়, আমি অত্যন্ত আশাবাদী যে সঁচাকৈ তেখেতে পাৰিব, কিন্তু এই যোৱা সময় ছোৱাত যিটো দেখিছো আমি নামনি অসমৰ গুৱাহাটীৰ পৰা গোৱালপাৰা, ধুবুৰীলৈ এই বৃহৎ জনসমষ্টিৰ মাজত উন্নয়ণমূলক কামৰ ক্ষেত্ৰত যি প্ৰভেদ দেখিছো, সেই প্ৰভেদ দেখি আমি অত্যন্ত আশাহত হওঁ যে মাননীয় মুখ্যমন্ত্ৰী জনে অসম খনক বহুত ওপৰলৈ লৈ যাব পাৰিলেহেতেন, কিন্তু অলপ আওঁকণীয়া মনোভাৱৰ কাৰণে বোধহয় এইখিনি নহব নেকি? আজি এই দলং খন নিৰ্মাণৰ কাৰণে যোৱা প্ৰায় পাঁচটা বছৰে মই বিধানসভাত দাবী উত্থাপন কৰি আহিছো। বিভিন্ন সময়ত আশাব্যঞ্জক উত্তৰো পাইছো। কিন্তু উপাধ্যক্ষ মহোদয়, বাস্তৱত কাম হোৱা নাই। আজি চৰ অঞ্চলত প্ৰায় ২০০ কিঃ মিঃ ৰাস্তা পকী হৈছে তাৰ ভিতৰত ৫০ খন মান দলং হৈছে। কিন্তু তেওঁলোকৰ মূল connectivity হোৱা নাই। কাৰণ বামুনডোঙৰাৰ পৰা নগৰবেৰালৈ দলং হোৱা নাই, জলজলীৰ ওপৰত দলং হোৱা নাই। মই সেইকাৰণে সেইদিনা মনৰ দুখত কৈছিলো যে লাগিলে আমাৰ অৰুণোদয়বোৰ কাটি দিয়ক। কাৰণ অধ্যক্ষ মহোদয়ে কৈছে যে দুখীয়া মানুহক কষ্ট কেলেই দিম। দলং দিয়ক তাৰ লগত অৰুণোদয় থাকক,we will be happier.

কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আজি আকৌ দোহাৰিব খুজিছো with responsibility যে অকল অৰুণোদয় নহয় তাৰ লগত PM Kissan ও কাটি দিয়ক। প্ৰয়োজনত মই বিধায়ক হিচাপে কৈছো আমাৰ তাতে subsidised কেৰাচিন দিয়ে, কাটি দিয়ক, JJM Scheme ৰ যি অৱস্থা পানী নাপাই মই দায়িত্ব সহকাৰে কৈছো যে আৰু নতুনকৈ JJM Scheme কৰিব নালাগে,Agriculture ৰ পৰা যি বীজ দিয়ে সেইটোও কাটি দিয়ক। তাতকৈ বামুনডোঙৰাৰ পৰা নগৰবেৰালৈকে এখন দলং দিয়ক, জলজলীৰ ওপৰত দুখন দলং দিয়ক, দুখনমান পেৰামেডিকেল কলেজ দিয়ক, এখন কমাৰ্চ কলেজ দিয়ক, এইবোৰ আমাৰ অঞ্চলৰ উন্নয়নৰ কাৰণে অতি জৰুৰী। যোৱা দুই তিনদিন ৰাইজে এই প্ৰস্তাৱৰ সমৰ্থনত স্বতস্ফুৰ্তভাৱে কৈছে যে অৰুণোদয় নালাগে, দলং লাগে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সদনক দৃষ্টিগোচৰ কৰিছো, চৰকাৰক দৃষ্টিগোচৰ কৰিছো how much we aspire এইটোৰ বিষয়ে চিন্তা কৰিব বুলি আশা কৰি মই শেষ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ৩০১ ত এইটো উত্থাপন কৰিছিলো এখন দলঙৰ ওপৰতে। কিন্তু most probably এইটো cancel হৈছে বা accept হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি আজিৰ এই resolution ত মোক দু-আষাৰ ক'বলৈ দিয়াৰ কাৰণে তাৰবাবে মই আপোনাক ধন্যবাদ জনাইছো। মোৰ সমষ্টি বকো, বকোত সোনতলী অঞ্চল আছে। ব্ৰহ্মপুত্ৰৰ এপাৰে যদি সোনতলী অঞ্চল আনটো পাৰে বৰপেটা সমষ্টিৰ চেঙা সমষ্টি

আৰু বাঘবৰ। এই দলঙখনৰ যি importance সেইটো বহুত বেছি। মোৰা বিধানসভাতো মই এইটো উত্থাপন কৰিছিলো। ইয়াৰ আগতেও আজি বছৰ বছৰ ধৰি বহৰি অঞ্চলৰ ব্যক্তিসকলে আৰু মাহতলী সোনতলী অঞ্চলৰ ব্যক্তিসকলে আৰু তাতে থকা সংগঠনবিলাকেও দলং লাগে বুলি কৈছে আৰু সেই বিষয়ে চৰকাৰক দাবী দি আছে। মোৰা কেইদিনমান আগতে মই এখন চিঠি মাননীয় কেন্দ্ৰীয় মন্ত্ৰী নিতিন গাডকাৰী ডাঙৰীয়াক দি থৈ আহিছো তেওঁৰ অফিচত আৰু খুব ভাল লাগিল যে তেওঁ মোলৈ এখন reply পঠিয়াইছে যে ইয়াৰ ওপৰত ব্যৱস্থা লোৱাৰ কাৰণেও মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা এটা ল'ব বুলি আশ্বাস দিছে। মোৰ বকো সমষ্টি সোনতলী এলেকা আৰু বহৰী অঞ্চলত এখন দলঙৰ কথা আমি পাতি আছো। এটা বাণিজ্যিক কেন্দ্ৰ, এটা ব্যৱসায় বিৰাট hub এটা উঠিছে। Daily মাহতলী সোনতলী অঞ্চলৰ পৰা বহৰী অঞ্চললৈ প্ৰায় ৭০০০ ৰ পৰা ১০,০০০ মানুহ তাতে অহাযোৱা কৰে আৰু যিটো অৱস্থাত তেওঁলোকে অহাযোৱা কৰে, অতি ভয়ানক আৰু বিপদসংকুল। তাতে চৰকাৰী যিখিনি মটৰ বোৰ্ড খুব কম সময়ৰ কাৰণে কইখনমানহে চলে। বাকী সময় এখন দুখন চৰকাৰী ভুটভুটী আছে যদিও বেছি সংখ্যক private হে চলে। আৰু যিবিলাক private motor boat চলে তাতে capacity যদি ৩০ জনৰ, তাতে উঠে ১০০ জন। এনেকৈ তেওঁলোকৰ তাতে কোনো life jacket নাই। এনে কোনো ব্যৱস্থা নোহোৱাকৈ daily ছাত্ৰ-ছাত্ৰী বৰপেটা কলেজলৈ যায়। বহুত patient ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজলৈ যায়। বহুত TET শিক্ষক শিক্ষা প্ৰদান কৰিবৰ কাৰণে যায়। বহুত খেতিয়ক যিসকলে কৃষিজাত সামগ্ৰী উৎপাদন কৰে, বৰপেটা জিলা, কামৰূপ জিলা দুয়োটা অঞ্চলেই হ'ল প্ৰধান অঞ্চল। তেওঁলোকে নিজৰ কৃষি কৰ্মৰ কাৰণে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ কাৰণে যাবই লাগিব। সেই বিপদ সংকূল পৰিৱেশতো তেওঁলোকে যাবই লাগিব, যাবলৈ বাধ্য। আৰু সেইকাৰণে ইয়াৰ importance টো বহুত বেছি। সেইকাৰণে হয়তো আজি সদনত এই resolution টো অনা হৈছে। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে দুখন ওচৰা -ওচৰি জিলা, ব্ৰহ্মপুত্ৰৰ ইপাৰে আৰু সিপাৰে থকা দুখন জিলা যদি connect কৰিলে আমাৰ মানুহৰ সুবিধা হয়, তেনেহ'লে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সপোন পূৰণ কৰিবলৈ হ'লে বৰপেটাৰ বহৰী অঞ্চল আৰু মোৰ সমষ্টিৰ সোনতলী অঞ্চলৰ connectivity ৰ কাৰণে এই দলং খন অতি দৰকাৰী। মই ভাৱো এই প্ৰস্তাৱটো সেইকাৰণে আজি গ্ৰহণ কৰিব লাগে। আমাৰ দলত বৰপেটা জিলাৰ কেইবাজনো বিধায়ক আছে কিন্তু মই অকলে এইখিনি কথা ক'লো। হয়তো সকলোৰে ক'লে সময় বেছি ল'ব। আমি সকলোৰে এই সংকল্প প্ৰস্তাৱটোৰ সমৰ্থণত কৈছো আৰু এইখিনি ক'বলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকিৰ হুছেইন সিকদাৰ। আপোনাৰ সময় এক মিনিট।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সংকল্প প্ৰস্তাৱৰ অন্তৰ্গত যি বৰপেটা জিলাত এখন ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলঙৰ কথা এটা আলোচনা হৈ আছে, তাৰ পূৰ্ণ সমৰ্থণ জনাই মই চমুকৈ এক দুই মিনিটত অলপ কথা ক'ব বিচাৰিছো। যি দলঙৰ প্ৰস্তাৱ আনিছে, সেই দলং বৰপেটা জিলাৰ লগতে দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ সকলো মানুহৰে দীৰ্ঘদিনীয়া দাবী। আৰু এই পবিত্ৰ বিধানসভাতো এই বিষয়ে বিভিন্ন সময়ত আলোচনা হৈ আছে আৰু চৰকাৰে আশ্বাস দি আছে যে ইয়াৰ ওপৰত আমি বিবেচনা কৰিম। বিবেচনা কৰিম কৰিম বুলি কয় যদিও আজিলৈকে নহ'ল। নিশ্চিতভাৱে যেতিয়া দলং খন নিৰ্মাণ হ'ব তাৰ পিছত সেই

অঞ্চলখনৰ লগতে সমগ্ৰ অসমেই যথেষ্ঠখিনি উপকৃত হ'ব। আজি অসমৰ কৃষিজাত সা-সামগ্ৰী শস্য, যিমান এনেকুৱা উৎপাদিত হয়, সেই উৎপাদিত এলেকাৰ ভিতৰতো যি অঞ্চলত দক্ষিণ বৰপেটা বা দক্ষিণ কামৰূপ বা গোৱালপাৰাৰ যি এলেকাৰ এই দলং নিৰ্মাণৰ কথা চলি আছে, সেই এলেকাখিনিত যথেষ্ঠখিনি কৃষকসকলে শস্য উৎপাদন কৰে। কিন্তু সেই শস্যসমূহ তেওঁলোকে বিভিন্ন অঞ্চললৈ ৰাজ্যলৈ বা এলেকালৈ পঠিয়াবলৈ যিখিনি সা-সুবিধা লাগে, সেইখিনি দলঙৰ কাৰণে নোৱাৰে। যাৰকাৰণে উপযুক্ত মূল্য কৃষকসকলে নাপায়। এই দলংখন হোৱাৰ লগে লগে কেবল বৰপেটাই নহয় লগতে কামৰূপ জিলা, গোৱালপাৰ জিলা, বঙাইগাওঁ জিলাৰ লগতে ভূটান ৰাষ্ট্ৰৰ লগত অসম হওক, মেঘালয় হওক, বাংলাদেশৰ লগত যিখিনি আমাৰ যাতায়ত ব্যৱস্থা হ'ব বা ভূটানৰ পৰা অসম, মেঘালয়, বাংলাদেশ লৈ বিভিন্ন ৰপ্তানি, আমদানি যিখিনি হ'ব, তাৰ দ্বাৰা যথেষ্ঠ উপকৃত হ'ব। কিন্তু গোটেইখিনি হ'ব পৰা নাই কাৰণ বৰপেটা জিলাত ব্ৰহ্ম পুত্ৰৰ ওপৰত এখন দলং নাই। গতিকে বিভিন্ন আমাৰ সন্মানীয় বিধায়কসকল ইয়াৰ ওপৰত উত্থাপন কৰিছে আৰু সকলো বিধায়ক সকলে ইয়াৰ ওপৰত সমৰ্থণ আছে। মই আপোনাৰ জৰিয়তে চৰকাৰলৈ, বিভাগীয় মন্ত্ৰী ডাঙৰীয়ালৈ এটা অনুৰোধ জনাম যে বৰপেটা জিলাত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত অতি সোনকালে এখন দলং নিৰ্মাণ কৰিব লাগে আৰু সেই দলং নিৰ্মাণ কৰি সেই অঞ্চলৰ ৰাইজক সকাহ দিব লাগে। সেই অঞ্চলৰ ৰাইজৰ কাষত হাজাৰবাৰ থিয় হ'ব লাগে কাৰণ যেতিয়া বানপানী আহে, মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আপুনি হয়তো সেই অঞ্চলত যোৱা নাই, বানপানীৰ সময়ত আপুনি যদি এবাৰ দক্ষিণ বৰপেটা বা দক্ষিণ কামৰূপলৈ যায়, দেখিব যে মানুহ কিমান বিপদ অৱস্থাত পৰে। গতিকে নিশ্চিতভাৱে সেই অঞ্চলৰ মানুহখিনিৰ বাবে চৰকাৰক বিভিন্ন ধৰণৰ টেক্স দিয়া হয়। সেই অঞ্চলৰ মানুহে চৰকাৰৰ বিভিন্ন কাম-কাজৰ লগত জড়িত আৰু সেই অঞ্চলৰ মানুহৰ দ্বাৰাই বিভিন্ন উৎপাদিত সা-সামগ্ৰীৰ জৰিয়তে আজি অসম বিভিন্ন দিশত আগবাঢ়ি গৈছে। গতিকে এই বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণ কৰি সেই অঞ্চলৰ মনুহখিনিক ন্যায় দিব লাগে। এই কথাখিনি কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়া।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, বিধায়ক, পশ্চিম গোৱালপাৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত যিখন সোনতলী বহৰী, টংলা নগৰ বা যিটো দলঙৰ প্ৰস্তাৱ মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই আনিছে তাৰবাবে মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছো, সমৰ্থন কৰিছো আৰু ইয়াৰ সপক্ষে যিসকলে ইয়াৰ যুক্তি-যুক্ততা, নাৰ্য্যতা সম্বন্ধে কৈছে সকলোকে আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই যদিও গোৱালপাৰা জিলাৰ বিধায়ক আজি মই আপোনাকো ধন্যবাদ জনাইছো। মই সেই অঞ্চলৰে সন্তান যি অঞ্চলত আজি এই দলঙৰ প্ৰস্তাৱ উত্থাপন হৈছে। ইতিহাস সাক্ষী হৈ থাকিব যদি আজি এই দাবী মৰ্য্যদাৰ সপক্ষে মই নকলো হেঁতেন, কাইলৈ বিধান সভাত কোন আহিব মই নাজানো। এই দাবীৰ নাৰ্য্যতা সম্পৰ্কে মাননীয় বিধায়ক সকলে যিখিনি কথা উত্থাপন কৰিছে সেই অঞ্চলৰ সন্তান হিচাপে সকলোকে মই আন্তৰিক ধন্যবাদ জনাইছো আৰু এই বৃহৎ অঞ্চলৰ ৰাইজৰ কাৰণে ন্যায় কৰাৰ বাবে চৰকাৰকো দাবী জনাইছো। ১৯৮৫ চনৰ পৰা থকা আটাইতকৈ জ্যেষ্ঠ বিধায়ক গৰাকী আজি Parliamentary Affairs মন্ত্ৰী। তেখেতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ বক্তব্য ৰাখিব। তেখেতৰ এই অঞ্চলৰ ভৌগোলিক পৰিবেশৰ বিষয়ে যথেষ্ট জ্ঞান আছে। মই ভাবো এই গোটেইখিনি কথা

চৰকাৰক সঠিক ভাৱে উপস্থাপন কৰিব পৰাকৈ তেখেতৰো এই অঞ্চলৰ বিষয়ে যথেষ্ট অভিজ্ঞতা আছে। এই দাবীখিনি উপস্থাপন কৰি মোৰ বক্তব্য ইমানতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ ওপৰত যিখন দলঙৰ ওপৰত প্ৰত্যেকজন বক্তাই নিজৰ অভিজ্ঞতা আৰু বক্তব্য আগবঢ়াইছে প্ৰত্যেকজনকে মই ধন্যবাদ জনাইছো। কাৰণ দক্ষিণ কামৰূপৰ লগতো এই বৃহত্তৰ অঞ্চলৰ এটা ওতঃপ্ৰোত সম্পৰ্ক ইতিমধ্যে আছে। আপোনালোকে কৈছে মৰাপাট খেতিৰ পৰা ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰাৰ পৰা বা কৃষি কৰ্মৰ পৰা বিভিন্ন ক্ষেত্ৰত এইখন ব্ৰীজখন প্ৰয়োজনীয়। কাৰণ এতিয়া পলাশবাৰীৰ পৰা শুৱালকুছিলৈ যিখন দলং হৈ আছে এইখন দলঙেও আমাৰ দক্ষিণ কামৰূপৰ যথেষ্ট উপকাৰ কৰিব আৰু এটা নতুন বাটৰ সন্ধান দিব। এইখন দলঙৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। যোৱা সময়ত মই জলজলি দলংখনৰ ওপৰত অনা এটা প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইয়াত বহিয়েই কৈছিল যে এই জলজলি দলঙখনৰ বিষয়ে মই জানো আৰু এইখন অত্যন্ত গুৰুত্বপূৰ্ণ। মই আজি এই বিষয়ৰ লগতে এইটো ও আনিব বিচাৰো যে এই জলজলি দলংখন অত্যন্ত গুৰুত্বপূৰ্ণ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত এই কথাটো কৈছিল। গতিকে এই কথাটোক গুৰুত্ব দিব লাগে আৰু অনতি পলমে জলজলি দলংখনৰ কাম আৰম্ভ কৰিব লাগে। এতিয়া আমাৰ পলাশবাৰীৰ পৰা শুৱালকুছি ব্ৰীজৰ কাম ইতিমধ্যে চলি আছে।আমাৰ শ্ৰদ্ধাৰ বিধায়ক মহোদয়ে নিজৰ অভিজ্ঞতাৰ জৰিয়তে আৰু তেওঁলোকৰ জীৱনৰ প্ৰত্যেকজনৰ লগত এই অঞ্চলটো জড়িত। আপোনালোকে জানে যে এতিয়া চমৰীয়া সমষ্টি নতুনকৈ গঠিত হ'ল। চমৰীয়া সমষ্টি গঠিত হোৱাৰ লগে লগে গৰৈমাৰী, সোনতলী এই গোটেই এটা বৃহৎ অঞ্চলৰ মাজত কানেকটিভিটি হ'ল আৰু এতিয়া শুৱালকুছিলৈ এইখন দলং যাব। তাৰপিছত পৰৱৰ্ত্তী এইখন দলং হোৱাৰ লগে লগে বৰপেটা,গোৱালপাৰা আদি বৃহত্তৰ অঞ্চলৰ উন্নতিৰ সীমাৰেখা যথেষ্ট আগুৱাই যাব। মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰত্যেকজন বিধায়ককে ধন্যবাদ জনাই আৰু মাননীয় মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত অনতি পলমে ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো আৰু লগতে আকৌ এবাৰ জলজলি দলঙখনৰ কাম যাতে অনতি পলমে আৰম্ভ কৰে। এগৰাকী মন্ত্ৰী মহোদয়ক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ ও দিছিল। মই নিজে শুনি আছিলো যে অনতি পলমে মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই গৈ এই ঠাইখিনি পৰ্য্যবেক্ষণ কৰি আহিব। মই মাননীয় মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াক মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে জলজলি দলংখন পৰ্য্যবেক্ষণ কৰি আহিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই Rules and Procedure and Conduct of Business is Assam Legislative Assembly, Rule 115 ৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ বাবে যিখিনি কথা উত্থাপন কৰিছে আৰু কেইবাজনো মাননীয় সদস্যই এইক্ষেত্ৰত বক্তব্য ৰাখিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শৈশৱৰ সময়ত বা ছাত্ৰাৱস্থাত আমি কেৱল গুৱাহাটীৰ দলংখনেই দেখিছিলো। ইয়াৰ পিছত গুৱাহাটীত আৰু দুখন দলং হ'ল। পঞ্চৰত্ন দলং হ'ল আৰু লগতে তাত আৰু এখন নতুন দলং হ'ল। ধুবুৰীৰ ফুলবাৰীত ২২.৫ কিলোমিটাৰ দীঘল এখন দলঙৰ কাম আৰম্ভ হৈছে। সেইদৰে ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটীত তৃতীয়খন দলং ও হ'ব। ইয়াৰ উপৰিও গহপুৰৰ

পৰা ব্ৰহ্মপুত্ৰৰ তলেৰে টানেল ৰিভাৰ ব্ৰীজ হ'ব। আপোনালোকে কথাবিলাক শুনিলে ভাল হয়। কিয়নো তেতিয়াহে আমি সকলোৱে একেলগে কামবোৰ কৰিব পাৰো। দায়িত্ববোৰ কেৱল ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ ওপৰতে এৰি দিলে নহ'ব। আপোনালোক সকলোৱে দায়িত্ব ল'ব লাগিব। আমাৰ বগীবিল, শদিয়াৰ দলং হ'ল। এতিয়া টেকেলীফুটাৰ পৰা আৰু এখন দলং হ'ব। মাজুলীৰ দলং হৈ আছে। ব্ৰহ্মপুত্ৰৰ ওপৰত যে ইমান দলং হ'ব আমি ছাত্ৰাৱস্থাত কেতিয়াও ভবা নাছিলো। এইবোৰ সম্ভৱ হৈছে ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ দিল্লী আৰু অসমত থকাৰ কাৰণে। লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত এই কামবোৰ হোৱাতো সম্ভৱ হৈছে। শদিয়াৰ দলঙখনৰ বাবে মাননীয় বাজপেয়ী ডাঙৰীয়াৰ বৃহৎ অৰদান আছিল। ঠিক সেইদৰে মাননীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ অৰদানৰ বাবে ২২.৫ কিলোমিটাৰৰ ফুলবাৰী দলংখনৰ কাম আৰম্ভ হৈছে। মই এই কথাবোৰ কোৱাৰ কাৰণ আছে। Longest Railway come bridge বগীবিল দলংখন ভাৰতীয় জনতা পাৰ্টীৰ অৰদান। আমাৰ বৰপেটা আৰু দক্ষিণ কামৰূপ জিলাৰ সংযোগী ব্ৰহ্মপুত্ৰ দলঙখন হ'ব লাগে। এইটোত মোৰ বা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কোনো আপত্তি নাই। কিন্তু কিছুমান দলং SOPD ৰ পৰা, কিছুমান ভাৰত চৰকাৰৰ দ্বাৰা আৰু কিছুমান দলং Railway ৰ পৰা বনোৱা হয়। জলজলিৰ দলংখন হ'ব বাৰু, সেইখন এখন সৰু দলং। শুৱালকুছিৰ দলঙখনত তিনি হাজাৰ কোটিতকৈ অধিক টকা খৰছ হ'ব। জলজলি দলংখনৰ কথা মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কোৱাৰ উপৰিও মাননীয়া বিধায়িকা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়াণীয়ে যোৱা চাৰিবছৰৰ পৰা কৈ আহিছে। দলঙবোৰ হোৱাত কাৰো দ্বিমত নাই। কিন্তু দলঙবোৰ পুঁজি সাপেক্ষে হে হ'ব। মই ইমানবোৰ দলঙৰ কথা এইকাৰণেই কলো কাৰণ দলঙবোৰ পুঁজি সাপেক্ষেহে হৈছে। কলিয়াভোমোৰা দলংখনৰ উপৰিও তাত আৰু এখন নতুন দলং হৈছে। আমাৰ টেকেলীফুটাৰ পৰা দিচাংমুখলৈও এখন দলং হ'ব। এইবোৰ দলঙৰ কাম চৰকাৰৰ SOPD ৰ পুঁজিৰ পৰা কৰা হ'ব। আমাৰ মাননীয় প্ৰত্যেকজন বিধায়কক ৰাস্তাৰ যোগাযোগৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পইচা দিছে আৰু আপোনালোকক তাত কোনটো ৰাস্তা কৰিলে ভাল হ'ব তাৰবাবেও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে এই দলংখনৰ ক্ষেত্ৰত মাননীয় আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যিটো কথা কৈছে আৰু লগতে আপোনালোকেও কৈছে গতিকে এই দলংখনৰ ওপৰত কাৰো আপত্তি নাই। এই দলং খনৰ দৈৰ্ঘ্য প্ৰায় চাৰে বাৰ কিমি. ৰ ওপৰত হ'ব। সেই অঞ্চলটো মই অসম গণ পৰিষদ দলত থাকোতে বহুত ঘুৰিছো। সেয়ে মই সেই অঞ্চলবোৰৰ কথা ভালকৈ জানো। এই দলং বোৰৰ কথা আগতে কোনেও ভবা নাছিল। কিন্তু আজি যে ভাৰিছে সেইটো বহুত ডাঙৰ কথা। যদিহে আগতেই ভাবিলে হয়, কামটো হৈ গ'ল হেতেন। দিল্লীৰ কেন্দ্ৰীয় চৰকাৰ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভৱাৰ বাবেই আজি ইমান কেইখন ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত হ'ল। বৰপেটা, চেঙা সমষ্টিত বহুত ডাঙৰ ডাঙৰ মানুহ আছে। চেঙা সমষ্টিৰ এ জি পি দলৰ পৰা মঃ য়াকুট আলী, আগৰ চৰকাৰৰ সময়ত মন্ত্ৰীও আছিল কিন্তু এই দলং খনৰ কথা কোনেও ভৱা নাছিল। ঠিক তেনেদৰে সেই সময়ৰ বকো সমষ্টিৰ মন্ত্ৰীয়েও এই কথাখিনি ভবা নাছিল। কিন্তু এই কথাটো তেওঁলোকে সেই সময়ত ভাবিব লাগিছিল। আজি নতুন প্ৰজন্মৰ ডেকা যুৱক আশ্ৰাফুল হুছেইন ডাঙৰীয়াৰ progressive চিন্তা থকাৰ কাৰণে এই দলং খন হ'ব লাগে বুলি ভাবিছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই দলং খনৰ বিষয়ে চাৰি বছৰ পৰা demand দি আহিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** চাৰি বছৰে আপুনি বিজেপি চৰকাৰৰ ওচৰত demand

দিছে। কিন্তু তাৰ আগত কংগ্ৰেছ বা এজিপি চৰকাৰ আছিল। কিন্তু তেতিয়া কোনেও demand দিয়া নাছিল বা বৰপেটা সমষ্টিৰ সেই সময়ৰ শক্তিশালী মন্ত্ৰীসকলেও এই দলং খনৰ কথা চিন্তা নকৰিলে। আজিৰ দিনটোত আশ্ৰাফুল হুছেইন ডাঙৰীয়াই এই দলং খনৰ কথা চিন্তা- চৰ্চা কৰাৰ কাৰণে তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। শ্বেৰমান আলী ডাঙৰীয়া, আপুনি আগতে বিধায়ক হৈ থাকোতে এই কথাবিলাক কিয় নক'লে? এতিয়া যিহেতু আমি বিজেপি চৰকাৰে যথেষ্টখিনি দলং, ৰাস্তা-ঘাট বনাইছো, গতিকে আপোনালোকে জানে যে বিজেপি চৰকাৰে ইচ্ছা কৰিলে দলং খন বনাব পাৰে আৰু সেই বিশ্বাসটো আজি আপোনালোকৰ মাজত আহিছে বাবে এই বিষয়ত চিন্তা-চৰ্চা আহিছে। আজিৰ দিনটোত মুখ্যমন্ত্ৰী ডাঙৰীয়া তথা বিজেপি চৰকাৰৰ ওপৰত আপোনালোকৰ বিশ্বাস আহিছে যে বিজেপি চৰকাৰ জনদৰদী, বিজেপি চৰকাৰে সকলো section তথা সকলোৰে হিতৰ বাবে 'সবকা সাথ, সবকা বিকাশ' এই নীতিৰে কাম কৰে ।

**শ্ৰী শ্বেৰমান আলী, বাঘবৰ ঃ** মই তেতিয়া কংগ্ৰেছ চৰকাৰ.......

......................(সদনত হুলস্থূল). ...................

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ ডাঙৰীয়া PWD বিভাগৰ পৰা দিয়া তথ্যখিনি মই পঢ়ি দিছো। এইখিনি পঢ়িলে কথাখিনি আপোনালোকৰ clear হ'ব আৰু এটা negative চিন্তা লৈ যাব নালাগিব।

"মাননীয় বিধায়কে উল্লেখ কৰা দলং নিৰ্মাণৰ এটা স্থান হ'ল কামৰূপ জিলাৰ সোনতলীৰ পৰা বৰপেটা জিলাৰ বহৰিলৈ। এই দুই অৱস্থানক সংযোগ কৰিবলৈ হ'লে কমেও 12 কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণ কৰিব লাগিব। ইয়াৰ দ্বাৰা বৰপেটা জিলা আৰু কামৰূপ জিলাৰ দক্ষিণ অংশৰ মাজত সূচল যোগাযোগ স্থাপিত হৈ মানুহ আৰু কৃষিজাত সামগ্ৰী, ঔদ্যোগিক উৎপাদিত সামগ্ৰী ইত্যাদি সৰবৰাহত ভালেখিনি সুবিধা হোৱাৰ সম্ভাৱনা আছে যদিও দলংখন আৰু তাৰ সংযোগী পথৰ দৈৰ্ঘ্য বেছি হ'ব বাবে আঁচনিখন যথেষ্ট ব্যয়বহুল হ'ব। তদুপৰি ইয়াৰ বিভিন্ন বিষয় যেনে ভূমি অধিগ্ৰহণ, পৰিৱেশ অনুকুলতা, অৰ্থনৈতিক যুক্তিযুক্ততা নদীৰ বুকুৰ মাটি ভাগৰ ভূ-তাত্বিক গুণাগুণ, জলবিদ্যা অধ্যয়ণ ইত্যাদি জড়িত হৈ থাকে। ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত দলং নিৰ্মাণ যথেষ্ট প্ৰত্যাহ্বান মূলক কাম। ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী দলঙৰ কোনো পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ আছে নেকি আৰু ৰেল পথ সংযোগী ৰেলৰে দলঙৰ কোনো পৰিকল্পনা ৰেল বিভাগৰ আছে নেকি? সেইয়াও বিচাৰ্য্য বিষয়। তদুপৰি খৰখেদাকৈ ৰাজ্যিক চৰকাৰৰ ব্যয়েৰে দলং নিৰ্মাণ কৰাতকৈ কেন্দ্ৰীয় চৰকাৰৰ কোনো আঁচনি, আন্তঃৰাষ্ট্ৰীয় নিধি বা Public Private Partnership ইত্যাদিৰ অধীনত কৰোৱাটো বেছি যুক্তিযুক্ত। সেয়েহে সকলো দিশ বিচাৰ কৰি সময়ত এই বিষয়ত উপযুক্ত সিদ্ধান্ত লোৱা হ'ব।

মাননীয় বিধায়কে উল্লেখ কৰা ব্ৰহ্মপুত্ৰত উত্তৰ পাৰৰ ডংৰাৰ লগত দক্ষিণ পাৰৰ খোলাবন্ধা সংযোগী দলং নিৰ্মাণ কৰিবলৈ হ'লে প্ৰায় ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং হ'ব লাগিব আৰু সেই ক্ষেত্ৰতো সোনতলী বহৰি সংযোগী দলঙৰ ক্ষেত্ৰত উল্লেখ কৰা বিষয়সমূহ জড়িত হৈ আছে। " এইটোৰ ওপৰত এটা ডাঙৰ survey বা DPR কৰিব লাগিব কাৰণ এই ৰাস্তাটো যথেষ্ট দীঘল হ'ব। দৰং জিলাৰ পৰা মৰিগাওঁ সংযোগী যিখন দলং হ'ব তাৰ যথেষ্ট feasibility আহিছে আৰু তাত এখন দলং হ'ব বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ঘোষণা কৰিছে। আজি যিহেতু এই বিষয়টো সদনত উত্থাপন হ'ল গতিকে মই এই বিষয়ত আপোনালোকৰ concern টো নিশ্চয়কৈ মুখ্যমন্ত্ৰী মহোদয়ক জনাম।

**ডাঃ ৰনোজ পেগু মন্ত্ৰী ঃ** মই মাননীয় বিধায়কৰ জৰিয়তে আহ্বান জনাইছো যে মহাবিদ্যালয় সমূহে স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰাৰ বাবে আবেদন কৰক আৰু প্ৰচেষ্টা আগবঢ়াওক। স্বায়ত্ব শাসিত মহাবিদ্যালয় মানে এক প্ৰকাৰ Deemed University. আৰু তেতিয়া আমি সেইবোৰো পূৰ্নাংগ বিশ্ববিদ্যালয়লৈ আগবঢ়াই নিবলৈ সহজ হ'ব। আৰু এই স্বায়ত্ব শাসিত মহাবিদ্যালয় সমূহে যাতে NAAC ৰ স্বীকৃতি লাভ কৰিব পাৰে তাৰ বাবে চেষ্টা কৰক। এতিয়া যি ৪ বছৰীয়া Integrated Teacher's Education Programme আমাৰ National Council of Teacher's Education ৰ ফালৰ পৰা স্বীকৃতি দিছে। অসমত এতিয়া প্ৰায় ১৭ খন মহাবিদ্যালয় প্ৰায় NCTE পৰা ৪ বছৰীয়া B.Ed degree যেনে BA-B.Ed, B.Sc -B.Ed, B.Com-B.Ed,এই ধৰণৰ degree দিয়াৰ বাবে স্বীকৃতি প্ৰদান কৰিছে। কেইখন মান মহাবিদ্যালয় Letter of Intent পাইছে। এতিয়া আগৰ ২ বছৰীয়া B.Ed উঠি গৈ তাৰ ঠাইত Integrated B.Ed হ'ব। গতিকে মহাবিদ্যালয় সমূহে নিজৰ যাত্ৰা স্বায়ত্ব শাসিত মহাবিদ্যালয়লৈ আৰু Integrated Teacher পৰিচালনা কৰা মহাবিদ্যালয়লৈ আৰু বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ পথটো নিজে মুকলি কৰি লব পাৰে আৰু তাৰ বাবে চৰকাৰে বিশ্ববিদ্যালয় কৰালৈ বৈ থাকিব নালাগে আৰু কোনো মহাবিদ্যালয় এই ক্ষেত্ৰত আগবাঢ়ি আহিলে মই মন্ত্ৰী হিচাপে বিধায়ক গৰাকীক প্ৰতিশ্ৰুতি আগবঢ়াইছো আৰু অসমৰ কোনো অঞ্চলে ডিগ্ৰী প্ৰদান কৰা অনুস্থানৰ পৰা বঞ্চিত নহব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মই মাত্ৰ এটা কথা কম যে চৰকাৰে বজালীত এখন বিশ্ববিদ্যালয় দিছে আৰু এটা সময়ত বজালী বৰপেটা জিলাৰে অংগ আছিল। কিন্তু বৰপেটা জিলাৰ বজালী অঞ্চল একেবাৰে সীমামূৰীয়া অঞ্চল আছিল। কাৰণ বজালীৰ পৰা বৰপেটা সদৰৰ দূৰত্ব প্ৰায় ১০০ কি মি । আৰু বজালী একেবাৰে নলবাৰীৰ ওচৰতে আছিল। শিক্ষা মন্ত্ৰীয়ে যিটো আশ্বাস দিছে যে বৰপেটা, গোৱালপাৰা,বা ধুবুৰীৰ কথা উল্লেখ কৰিছে কিন্তু এই মহাবিদ্যালয় বিলাকত NAAC ৰ যিটো পৰিদৰ্শন হ'ল তাত দেখা পোৱা গ'ল যে NAAC য়ে ভাল প্ৰতিবেদন নিদিলে মহাবিদ্যালয় বিলাকৰ ফলাফল ভাল নোহোৱাৰ বাবে। ইয়াৰ মূল কাৰণ হ'ল তাত প্ৰায় বহুতো শিক্ষকৰ পদ খালী আছিল। তাৰ ফলত মহাবিদ্যালয় বিলাকৰ ফলাফল ভাল নোহোৱাৰ বাবে NAAC ৰ প্ৰতিবেদন ভাল নহ'ল। তথাপিও আমাৰ বৰপেটা জিলাৰ নবজ্যোতি মহাবিদ্যালয়, MC মহাবিদ্যালয়,BHC মহাবিদ্যালয়, বৰনগৰ মহাবিদ্যালয় আদিৰ ফলাফল বহুত ভাল লগতে গোৱালপাৰা আৰু ধুবুৰী মহাবিদ্যালয ফলাফল বহুত ভাল। গতিকে তাত যদি স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি দিয়ে আৰু তাত যদি PG Course থাকে সেইটো ভাল কথা। গতিকে মই আশা কৰো যে ধুবুৰী, গোৱালপাৰা আৰু বৰপেটা জিলাৰ অতি কমেও ৩ খন মহাবিদ্যালয়ক স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ স্বীকৃতি যাতে দিয়ে এই খিনি অনুৰোধ কৰি মন্ত্ৰীয়ে যিহেতু Positive Reply দিছে সেয়েহে মই মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া যিহেতু ড° ৰফিকুল ইছলাম ডাঙৰীয়াই সংকল্প প্ৰস্তাৱ টো উঠাই লোৱা বুলি কৈছে ইয়াত সদনৰ সন্মতি আছেনে, যি সকল সদস্য সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে, সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হল। এতিয়া কাৰ্য্যসূচী নং ১১ সংকল্প প্ৰস্তাৱ Under Rule 115, মাননীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সংকল্প প্ৰস্তাৱটো আছিল এনেকুৱা “That the services of the non- teaching staff of the venture edeucational institutions in the State of Assam, which were provincialized, and allowed fix pay shall be regularized with effect from the date of provincialization of such institutions and all benefits shall be given as applicable to the State Government employees of the corresponding rank be given to non-teaching staff as well”. মহাশয় বিধান সভাত আমি আগতে দেখা পাইছিলো যে চছলত বিভিন্ন সংগঠনে আন্দোলন কৰি আছিল। যোৱা ২০২১, ২২ আৰু ২৩ ত প্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয় ৰ আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ অপ্ৰাদেশীকৃত শিক্ষক কৰ্মচাৰীৰ সকলৰ ঐক্যমঞ্চৰ এক আন্দোলন হৈছিল All Assam Non provincialization librarian সকলৰ এটা আন্দোলন আছিল আৰু আমাৰ বিধায়নী দলে সেই আন্দোলন কাৰী সকলক যেতিয়া সাক্ষাৎ কৰিছিলো তেতিয়া তেওঁলোকে কিছুমান স্মাৰক পত্ৰ আৰু কিছুমান তথ্য আমাক যোগান ধৰিছিল যেনেকুৱা কৈ অপ্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয়কে ধৰি উচ্চ প্ৰাথমিক বিদ্যালয়লৈকে সৰ্বস্তৰৰ Non provincialazation অনাশিক্ষক কৰ্মচাৰী সকলৰ যৌথ মঞ্চৰ যি দাবী আছিল ২৩-০৯-২০২২ তাৰিখে উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ১,৫৩৯ জন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, ০৪-০২-২০২১ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৪৭০ জন অনা শিক্ষক কৰ্মচাৰীৰ, ২০২২ চনত ২৩ চেপ্তেম্বৰ তাৰিখে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৭২ জন অশিক্ষক কৰ্মচাৰী, ২০২৩ বৰ্ষৰ ২২ চেপ্তেম্বৰ তাৰিখে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৭৮ জন অনাশিক্ষক কৰ্মচাৰী, ০৪-০২-২০২১ তাৰিখে জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৮২৮ জন অনা শিক্ষক কৰ্মচাৰী, ইত্যাদি এনেকৈ মই পঢ়ি নিদিও। মুঠতে ৩৮২৫ জন অনা শিক্ষক কৰ্মচাৰী যি সকলৰ institutions বোৰ provincialized হ’ল আৰু তেওঁলোকৰ পদবোৰো প্ৰাদেশীকৰণ কৰা হ’ল কিন্তু তেওঁলোকক fix pay দিয়া হ’ল 1948 ৰ Minimum Wage Act মতে যি কথাত তেওঁলোকৰ আপত্তি আছে। এই ক্ষেত্ৰত মই লক্ষ্য কৰিছো যে আমাৰ যিটো আইন আছে The Assam Educational provincialization of services of non-teaching staff of venture institutions Act, 2018. তাৰ clause 6 (a) Section 2D এই দুটা Section ত সংশোধনীৰ প্ৰয়োজন আছে। কাৰণ যি Section ত তেওঁলোকৰ পদবোৰ প্ৰাদেশীকৰণ কৰা হৈছে তেওঁলোকৰ চাকৰি বিলাক প্ৰাদেশী কৰণ কৰা হৈছে কিন্তু তেওঁলোকক fix pay দিয়া হৈছে অন্য হাতে তেওঁলোকক চৰকাৰী কৰ্মচাৰী হিচাপে স্বীকৃতি দিয়া হৈছে কিন্তু তেওঁলোকক fix pay দি Ex-Cadre পদত provincialized কৰি তেওঁলোকক অন্যায় কৰি থকা হৈছে। এই পদ বিলাক Cadre পদ হ’ব লাগিছিল কাৰণ যেতিয়া এবাৰ পদ সৃষ্টি কৰা হয় আৰু তাত যদি Ex-Cadre কৰা হয় আৰু personal কৰা হয় তেতিয়া হ’লে এই মানুহ খিনি অৱসৰ পোৱাৰৰ লগে লগে পদ খিনি নোহোৱা হৈ যাব। প্ৰত্যেক বছৰে আমাৰ জনসংখ্যা বাঢ়ি আছে আৰু Enrolment বাঢ়ি আছে গতিকে এই বৃদ্ধি হোৱা Enrolment খিনিক Accomodate কৰাৰ বাবে আমাৰ শিক্ষানুস্থানৰ সংখ্যা বাঢ়িব লাগিব, শিক্ষক শিক্ষয়িত্ৰী সংখ্যা বৃদ্ধি হ’ব লাগিব আৰু লগতে non-teaching staff ও বাঢ়িব লাগিব। কিন্তু আমি যদি আইনৰ দ্বাৰা সেইটো Restriction ত লৈ যাওঁ আৰু যদি অকল personal পদ সৃষ্টি কৰা হয় তেতিয়া হলে তেওঁলোকক পুটৌ কৰাৰ নিচিনা হ’ব। fix pay দি অৱসৰৰ সময়লৈকে

তেওঁলোকক অকল জীয়াই থকাৰ ব্যৱস্থা কৰা হৈছে। যে venture school খন প্ৰাদেশী কৰণ কৰিলো কিন্তু তেওঁলোকৰ চাকৰীটো এটা পুতৌ কৰাৰ নিছিনা হ'ল কাৰণ এইবোৰ হ'ল মাত্ৰ personal পদ আৰু fix pay যিটো নুন্যতম মজুৰি আইনৰ অধীনত দিয়া হ'ল। গতিকে এই আইন খন The Assam Educational provincialisation of services of non-teaching staff of venture Educational institutions, 2018 ৰ clause 6 ৰ section 2,3 সংশোধনী কৰি এই পদ বিলাক Cadre পদলৈ অনাৰ ব্যৱস্থা কৰা হওক আৰু তেওঁলোকৰ পদ অনুসৰি যিটো দৰমহা অন্যান্য চৰকাৰী কৰ্মচাৰীয়ে যি ধৰণে দৰমহা পায় তেওঁলোকৰ ক্ষেত্ৰতো একে ধৰণৰ দৰমহাৰ ব্যৱস্থা কৰা হওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে এই কথাখিনি PWD বিভাগৰ পৰা জনাইছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ এইখিনি উত্তৰ দিলো। কিন্তু সদনে কোনো নিগেটিভ চিন্তাধাৰা ল'ব নালাগে, সদনে এটা পজিটিভ চিন্তা লৈহে যাব আৰু এইটো বিষয়ৰ ওপৰত বেছি বিতৰ্ক কৰি থাকিলে ঠিক ন'হব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় বিধায়ক আশ্ৰাফুল হুছেইন ডাঙৰীয়া, আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে অতি সহনশীল দৃষ্টিভংগী আৰু ইতিবাচক দৃষ্টিভংগীৰে উত্তৰটো দিছে। আমি এইটো উইড্ৰ কৰিছো, আৰু আশা কৰিছো অনাগত দিনত চৰকাৰে খুব ইতিবাচক দৃষ্টিভংগীৰে বিষয়টো বিবেচনা কৰিব ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, যিহেতু মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে, গতিকে উক্ত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছে নে? যি সকল সদস্য সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ১০। Under Rule 115.মাননীয় সদস্য ৰফিকুল ইছলাম, আপুনি ৩ মিণিট মানৰ ভিতৰত কৈ শেষ কৰি দিয়ক।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এটা বহুত গুৰুত্বপুৰ্ণ বিষয় মই সংকল্প প্ৰস্তাৱৰ জৰিয়তে মই উত্থাপন কৰিবলৈ গৈ আছো, আৰু আপুনি সুবিধা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে। ইয়াৰ কাৰণে চৰকাৰে সঠিক পদক্ষেপ লোৱাৰ কাৰণে মই প্ৰস্তাৱ আনিছো। বৰপেটা জিলাত, বৰপেটাৰ পৰা আৰম্ভ কৰি গাতে লাগি আছে গোৱালপাৰা জিলা, ধুবুৰী জিলা আৰু মানকাছাৰ শালমাৰা জিলা। ওচৰত বঙাইগাওঁ আছে, বৰপেটা জিলাৰে এটা অংশ চিৰাঙ জিলা হৈছে এতিয়া। কিছু অংশ বাক্চাৰ ফালেও গুছি গৈছে। এই গোটেই বৃহত্তৰ অঞ্চলত মাননীয় উপাধ্যক্ষ ডাঙৰীয়া বিশ্ববিদ্যালয় নাই। কেৱল ব ৰপেটা যদি লয়, অসমত যিমান provincialised মহাবিদ্যালয় আছে, কামৰূপৰ পিছত metro rural ৰ পিছত বৰপেটাত সকলোতকৈ বেছি সংখ্যা, প্ৰায় ২০ খন মহাবিদ্যালয় আছে provincialised আৰু বহু কেইখন মহাবিদ্যালয় আছে, প্ৰাইভেট বা ভেঞ্চাৰ ষ্টেজত আছে। provincialisation হোৱা নাই। হয়তু মাননীয় মন্ত্ৰী মহোদয়ে সেইখিনিও দৃষ্টিগোচৰ কৰিব। ঠিক ধুবুৰীটো ১২-১৪ খন provincialised মহাবিদ্যালয় আছে, গোৱালপাৰাটো ৮-১০ খন মহাবিদ্যালয় আছে। মানকাছাৰ শালমাৰাটো ৪খন আছে, আৰু বৰপেটাৰ কাষতে বঙাইগাওঁ,

চিৰাং বাক্‌চা এই অঞ্চলবিলাকটো প্ৰায় ৫০-৬০ খন মহাবিদ্যালয় থকা এই বৃহত্তৰ অঞ্চলত এখনো বিশ্ববিদ্যালয় মাননীয় উপাধ্যক্ষ মহোদয় নাই। আমাৰ অসমৰ যদি আপুনি gross enrollment ratio যদি চাই, higher education ৰ ক্ষেত্ৰত খুব ভাল অৱস্থা নহয়। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই নিশ্চিত ভাবে তেখেতে কাম কৰি আছে, কিন্তু আমি বহুত বেয়া position ত আছো ভাৰতবৰ্ষত। Even National যিটো average আমাৰ আছে, তাতকৈ অসম বহুত তলত। কিছু improve আমি কৰিলো, কিন্তু আমি এতিয়াওঁ GER ৰত বহুত তলত আছো। ভাৰতবৰ্ষত তামিলনাডুৰ নিচিনা ৰাজ্যত ৪৭ শতাংশ, আমি ১৪ শতাংশ আছিলো, হয়টো ১৮ বা ২০ আশে পাশে এতিয়া গৈছো। ঠিক বহুকেইখন ৰাজ্য আছে কেৰেলাৰ পৰা আৰম্ভ কৰি উত্তৰাখণ্ডৰ পৰা দিল্লী, তামিলনাডু, হিমাচল, পণ্ডিচেৰী এই বিলাক ৰাজ্যত GER ৰ হাৰ বহুত ভাল। কিন্তু অসমত বহুত তলত আৰু চৰ চাপৰিৰ এই যে বৃহত্তৰ অঞ্চল, য'ত মানুহখিনি সামাজিক ভাবে পিছ পৰা, অৰ্থনৈতিক ভাবে তেওঁলোক অতিকৈ পিছপৰা যোগাযোগৰ ক্ষেত্ৰটো তেওঁলোক পিছপৰা। ৪ খন জিলাত ২০০ কিঃ মিঃ বো অধিক ঠাইত কিন্তু বিশ্ববিদ্যালয় নাই। মাননীয় উপাধ্যক্ষ মহোদয় অসমত কিন্তু বিশ্ববিদ্যালয় আমি বহুত পাতিছো। ভাল আৰু লাগিব, চৰকাৰৰ হয়টো মনোভাৱ আছে আৰু বিশ্ববিদ্যালয় পাতিব। কিন্তু আমি এটা কথা লক্ষ্য কৰিছো অতি দুখেৰে ক'ব লগা হৈছে, দলংৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ ওপৰত বহুত হ'ল, ইতিমধ্যে আলোচনা যিটো হৈ গ'ল আৰু বহুত প্ৰস্তাৱ লোৱা হৈছে, গোটেইখিনি গুৰুত্বপূৰ্ণ। গুৱাহাটীতেই কেইবাখনো হ'ল আৰু হ'ব, কিন্তু গুৱাহাটীৰ পিছফালে গ'লে তেতিয়া এই ফৰমুলা বিলাক ভাঙি যায়। যিকোনো উন্নয়নৰ ক্ষেত্ৰত স্কুল স্থাপন কৰাৰ ক্ষেত্ৰতেই হওঁক বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰতেই হওঁক, এতিয়া আমাৰ নলবাৰী বিশ্ববিদ্যালয় আছে, ভাল কথা ওচৰত আমাৰ ভট্টদেৱ বিশ্ববিদ্যালয় আছে মাত্ৰ ৩০ কিঃ মিঃ দূৰত। কিন্তু বৰপেটাৰ পৰা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি ধুবুৰী বাংলাদেশৰ বৰ্ডাৰলৈকে ২০০ কিঃ মিঃ বো অধিক এই বৃহত্তৰ অঞ্চলত এই মানুহখিনিৰ মাজত কোনো বিশ্ববিদ্যালয় নাই। এই যিবিলাক ফৰমুলা, চৰকাৰক অনুৰোধ কৰিম এনেকুৱা যাতে নহয়, যে সকলো ফালে কৰাৰ পিছত এতিয়া আৰু কোনো ঠাই নাই গতিকে তেতিয়া দিম তেনেকুৱা এটা পজিশ্যনত যাতে ৰাখি নিদিয়ে, বিশ্ববিদ্যালয়ে হওঁক বা দলংৰ ক্ষেত্ৰতে হওঁক যি নহওঁক মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম, তেখেতে বিভাগ লৈ চিন্তিত, তেখেতে বিভিন্ন ভাল কামো হাতত লৈছে, মোৰ বৰপেটা জিলাত মন্ত্ৰী মহোদয়ে নিজেও দেখিছে আৰু গৈছেও, ভাল এটা structure ইতিমধ্যে আছে। জনিয়া সমষ্টিত, এটা ডাঙৰ বিল্ডিং বনাইছিল, আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছে, এতিয়া পৰিত্যক্তভাৱে আছে, এতিয়াওঁ বিদ্যালয় আৰম্ভ কৰা নাই। যদি ভাৱে যে coming session ৰ পৰা আমি বিশ্ববিদ্যালয় আৰম্ভ কৰিম। সেই যিটো ডাঙৰ structure আছে, ২০০ বিঘাৰ অধিক মাটি আছে, তাত আৰম্ভ কৰিব পাৰিব। নহলে বৰপেটা M.C college ,B.S. college, বৰনগৰ কলেজ, নৱজ্যোতি মহাবিদ্যালয়, মন্দিয়া মহাবিদ্যালয় এই বিলাক পুৰণি মহাবিদ্যালয় হয়। এই মহাবিদ্যালয় বিলাক যদি upgrade কৰি বিশ্ববিদ্যালয়লৈ গৈ বৰপেটাত কৰে তেতিয়া চৰ চাপৰিত আজি নাৰী শিক্ষাৰ পৰা আৰম্ভ কৰি সেই অঞ্চল বিলাকত বা backward area চৰচাপৰি, তাত শিক্ষাৰ হাৰ অতি কম। সেই সকল গুৱাহাটী বা অন্য ঠাইত আহি তেখেত সকলে হোষ্টেলত থাকি বিশ্ববিদ্যালয়ত পঢ়া বহুত কষ্ট কৰে, বহুত খৰচ কৰিবলগীয়া হয়, সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিম যে বৰপেটাত অসম বিশ্ববিদ্যালয় ঘোষণা কৰি যাতে তেখেত সকলে এই বৃহৎ অঞ্চল বৰপেটা, গোৱালপাৰা, ধুবুৰী। ধুবুৰীটো কৰিব

লাগে। প্ৰত্যেক জিলাত আৰু মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ দিব লাগিব যে তেখেতে সকলো জিলাত কৰিম বুলি ভাবিছে। সকলো জিলাত যদি কৰে, তেতিয়া ধন্যবাদ দিম আমি। বহুত বহুত ধন্যবাদ দিম। কিন্তু এতিয়াওঁ বহুত জিলা বাকী আছে। গতিকে এতিয়া যাতে মই আজি যিহেতু প্ৰস্তাৱ বৰপেটাৰ কাৰণে আনিছো। ধুবুৰী বা গোৱালপাৰা , কৰিমগঞ্জ, হাইলাকান্ডি, মৰিগাওঁ যি জিলা বিলাক বাকী আছে, সেই বিলাকৰ লগে লগে এই বৰপেটাৰ এই প্ৰস্তাৱটো গ্ৰহণ কৰি বৰপেটাত এখন বিশ্ববিদ্যালয় স্থাপন কৰা হওঁক। আপোনাৰ জৰিয়তে মন্ত্ৰী বিভাগত অনুৰোধ কৰিছো আৰু পজিটিভ উত্তৰ পাম বুলি আশা ৰাখিছো কৈ মোৰ মন্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ জাকিৰ হুছেইন সিকদাৰ, আপুনি ১ মিণিটত আপোনাৰ কথাখিনি কওঁক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনে চৰকাৰক বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনাইছে, শীৰ্ষক প্ৰস্তাৱক সমৰ্থন জনাই মোক মাত্ৰ ১ মিণিট সময় দিছে। মই ক'বলৈ ওলাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় লাগে বুলি দাবী দীৰ্ঘদিনিয়া পুৰণি। বহুত দিনৰ পৰা বৰপেটাবাসীয়ে সেই দাবী জনাই আছে। সত্ৰ নগৰী বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় যে লাগে, বিশ্ববিদ্যালয় খন হ'বলৈ হ'লে যিখিনি উপাদানৰ দৰকাৰ, যিখিনি ব্যৱস্থাপনাৰ দৰকাৰ নিশ্চিতভাৱে ১০০ শতাংশ আছে, আৰু বৰপেটা জিলাৰ পৰা পঢ়াশুনা কৰি অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশত ইতিমধ্যে কাম-কাজ কৰি আছে। গতিকে মাননীয় ৰফিকুল ইছলাম ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱৰ প্ৰতি সম্পুৰ্ণ সমৰ্থন জনাই কংগ্ৰেছ বিধায়িনী দলে আপোনাৰ জৰিয়তে মাননীয় চৰকাৰৰ প্ৰতি আহ্বান জনাইছো, অতি সোনকালে বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে। কাৰণ বৰপেটা জিলাৰ বহুত ছাত্ৰ-ছাত্ৰী ৰাজ্যখনৰ বিভিন্ন বিশ্ববিদ্যালয়ত গৈ ইতিমধ্যে তেওঁলোকে অধ্যয়ণ কৰি আছে। গতিকে ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে বৰপেটা জিলাখনত শিক্ষাৰ ক্ষেত্ৰত আগুৱাই লৈ যোৱাৰ স্বাৰ্থত এই চৰকাৰে বৰপেটা জিলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰক। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু শিক্ষা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা জিলাত অসম চৰকাৰে বহুত আগতে এখন বিশ্ববিদ্যালয় দিছে। বৰপেটা জিলাত উপেক্ষা কৰি বিশ্ববিদ্যালয়ৰ পৰা বঞ্চিত কৰিছে এনে নহয়, ভট্টদেৱ বিশ্ববিদ্যালয়। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত বৰপেটা জিলাখন বিভক্ত হৈ বজালী জিলা হ'ল। গতিকে ভট্টদেৱ বিশ্ববিদ্যালয়খন বজালীত গ'ল। এতিয়া বাকী যি বৰপেটা জিলাত থাকিলে সেই বৰপেটা জিলাত বিশ্ববিদ্যালয় নাইকীয়া হ'ল। কিন্তু অসম চৰকাৰে অন্য অঞ্চলত বিশ্ববিদ্যালয় দিয়াৰ বহু আগতে বৰপেটা জিলাত বিশ্ববিদ্যালয় প্ৰদান কৰিছে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ জৰিয়তে। উপাধ্যক্ষ মহোদয়, এতিয়া আমি ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ প্ৰৱতিৰ্ত হৈ আছে আৰু এই ২০২০ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত ডিগ্ৰী প্ৰদান কৰা ক্ষমতা এতিয়া কেৱল বিশ্ববিদ্যালয়ৰ নহয় মহা বিদ্যালয়কো স্বায়ত্ত শাসিত মহাবিদ্যালয় হিচাবে স্বীকৃতি লাভ কৰিলে, এখন মহাবিদ্যালয়কো ডিগ্ৰী প্ৰদান কৰাৰ ক্ষমতা University Grants Commission য়ে প্ৰদান কৰিছে। অৰ্থাৎ পূৰ্বে NET হোৱাৰ আগত বিশ্ববিদ্যালয়ৰ যি গুৰুত্ব আছিল যে বিশ্ববিদ্যালয়ে ডিগ্ৰী প্ৰদান কৰিব পাৰে সেইটো যে সম্পুৰ্ণৰূপে সলনি হৈছে। এতিয়া মহাবিদ্যালয়েও ডিগ্ৰী প্ৰদান কৰিব পাৰে। এই যি অঞ্চলৰ কথা কৈছে, গোৱালপাৰা, বৰপেটা, ধুবুৰী এই অঞ্চলৰ কেইবাখনো মহাবিদ্যালয় তেওঁলোকে খুব ভাল ফলাফল কৰি আগুৱাই গৈছে। মই উল্লেখ কৰিব

বিচাৰিছো, ধুবুৰীৰ বি এন কলেজ, গোৱালপাৰা মহাবিদ্যালয়, তেখেত সকলে NAAC ৰ accreditation ভাল ফলাফল কৰিছে। অটোনমাচ মহাবিদ্যালয় স্বায়ত্ত শাসিত মহাবিদ্যালয়ৰ ষ্টেটাচ লাভ কৰিছে। বৰপেটা জিলাত যি সমূহ প্ৰায় ২০ খন প্ৰাদেশীকৃত মহাবিদ্যালয় আছে।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ অন্যান্য চৰকাৰী কৰ্মচাৰীয়ে যিটো দৰমহা পাই, সেই দৰমহাৰ ব্যৱস্থা কৰক, তেওঁলোকে যিটো পেঞ্চনৰ ব্যৱস্থা আছে, সেই পেঞ্চন ব্যৱস্থা কৰক আৰু কিছুমান non-teaching staff ৰ ঠিক প্ৰাদেশিকীকৰণ কৰাৰ সময়ত তেওঁলোকে হয়তো অৱসৰ লৈছে নহ'লে সেইদিনাখনো মৃত্যু হৈছে, কিন্তু তেওঁলোকে ইয়াৰ জৰিয়তে কোনো ধৰণৰ benefit নাপায়। মোৰ মনত পৰে যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰাদেশিকীকৰণৰ সময়ত ঘোষণা কৰিছিল যে তেওঁলোকক পেঞ্চন বা benefit দিয়া হ'ব। গতিকে মই দাবী কৰিছো যে প্ৰয়োজনীয় সংশোধনীৰ জৰিয়তে প্ৰাদেশিকীকৰণৰ সময়ত এনেকুৱাকৈ অৱসৰ লোৱা বা মৃত্যু বৰণ কৰা মানুহখিনিৰ বাবে কমেও ১০ লাখ টকাৰ Gratuity sanction ৰ ব্যৱস্থা কৰিলে, অন্তত তেওঁলোকে ইমান দিনে আমাক দিয়া সেৱা সফল হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য সকল এতিয়া ২.০০ টা বাজিছে, সদনৰ অনুমতি সাপেক্ষে আমি কিছু সময় আগবঢ়াই লৈছো। গতিকে সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়া আপুনি continue কৰক।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰ** ঃ গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই জানো, তেখেতে যথেষ্ট সহনশীল ব্যক্তি, তেখেতে সংগ্ৰামী জীৱনৰ পৰা আহিছে, আৰু তেখেতৰ বিভাগতে আটাইতকৈ বেছি সংগ্ৰামৰ সন্মুখীন হ'ব লগীয়া হৈছে, বেছি issue থকা শিক্ষা বিভাগ, এই মানুহখিনিৰ ক্ষেত্ৰত ন্যায় কৰাৰ কাৰণে যিটো আইন, প্ৰয়োজনীয় সংশোধন ঘটাই, মই যিটো resolution আনিছো, মোৰ বিশ্বাস আছে যে চৰকাৰে এই resolution গ্ৰহণ নকৰিব, তথাপিও এই দাবী উত্থাপন কৰিছো, এই কাৰণে যে চৰকাৰৰ দৃষ্টিগোচৰ হওঁক , চৰকাৰে আইনৰ সংশোধনীৰ কাৰণে যি প্ৰয়োজনীয় ব্যৱস্থা সেই ব্যৱস্থা গ্ৰহণ কৰিব বুলি দাবী উত্থাপন কৰি, মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য ড° আচিফ মহম্মদ নাজাৰ।

**ড° আচিফ মহম্মদ নাজাৰ, লাহৰিঘাট** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনৰ সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ আনিছে, তাৰ সমৰ্থনত মই দুষাৰমান ক'ব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এখন শিক্ষানুষ্ঠানৰ বাবে শিক্ষক - শিক্ষয়ত্ৰীৰ লগতে সমান গুৰুত্ব পায় শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলে। আমি সকলোৱে জানো এখন শিক্ষানুষ্ঠানৰ কাৰণে শিক্ষক - শিক্ষয়ত্ৰীসকলে যদি ভালদৰে লৰা-ছোৱালীক নপঢ়াই, তেতিয়া সেইখন শিক্ষানুষ্ঠানৰ ল'ৰা-ছোৱালী কেতিয়াও ভাল নহয়। সেই একে ধৰণে সেই শিক্ষানুষ্ঠানত চৰকাৰী কৰ্মচাৰী আছে, কেৰাণী, চকীদাৰ আদি আছে, তেখেতসকলেও যদি ভালদৰে কাম নকৰে, তেতিয়া সেই স্কুলখনৰ কেতিয়াও পৰিচালনা সমিতিৰ উন্নতি নহয় বা স্কুলখনৰ উন্নতি নহয়। আমি সকলোৱে জানো মাননীয় উপাধ্যক্ষ মহোদয়, যিধৰণে শিক্ষক - শিক্ষয়ত্ৰীসকলৰ সমান মৰ্য্যদা দিয়া হৈছে, সেই একেধৰণে সদনে কৰ্মচাৰী সকলকো সমান মৰ্য্যদা দিয়াৰ কাৰণে চিন্তা কৰিব বুলি মই আশা ৰাখিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে ভাৰতীয় নাগৰিক হিচাপে সমান কামৰ বাবে সমান অধিকাৰ পোৱাটো প্ৰত্যেকজন নাগৰিকৰ মৌলিক অধিকাৰ। গতিকে তেনেস্থলত যিবোৰ

কৰ্মচাৰী আছে, তেখেতসকলে অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলে যেতিয়া এখন স্কুল প্ৰাদেশিকীকৰণ হয়, তেতিয়াৰ পৰা তেখেতসকলে চাকৰিবোৰ নোপোৱাৰ কাৰণে যিধৰণে বঞ্চিত হয়, তাৰ ওপৰত অলপ মন্ত্ৰী ডাঙৰীয়াই চাব লাগে। কাৰণ এই কৰ্মচাৰী সকলে নিজৰ লৰা-ছোৱালীৰ ভৱিষ্যতৰ কথা চিন্তা কৰিব নোৱাৰে, নিজৰ ঘৰৰ ৰোগীৰ কথা চিন্তা কৰিব নোৱাৰে। তেওঁলোকে বহু বছৰ বছৰ ধৰি বিনা বেতনত এতিয়ালৈ কাম কৰি আছে, তেওঁলোকৰ নতুনকৈ চাকৰি কাৰণে আবেদন কৰাৰ বয়সৰ সময়সীমা উকলি গৈছে। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে বিবেচনা কৰিবলৈ অনুৰোধ জনালোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, non teaching staff ৰ কথাটো ইয়াতে অনা হৈছে আৰু ২০১৩ চনত যিবিলাক প্ৰাদেশিকীকৰণ হৈছিল, সেই শিক্ষকসকলে তেতিয়াৰ আইনমতে তেওঁলোকে regular payment আৰু non-teaching staff য়েও regular payment পাই আছে। কিন্তু ২০১৮ চনৰ Act ৰ পিছত যিখিনি teaching staff আছে তেওঁলোকৰ অধিকাংশক tutor কৰি দিয়া হ'ল আৰু non -teaching staff ক এটা fixed salary দিয়া হ'ল। দেখা গ'ল যে তেওঁলোকৰ যিহেতু qualification, criteria ঠিকে আছে, কিন্তু তেওঁলোকক অন্যান্য বিভাগৰ কৰ্মচাৰীৰ সমান মৰ্য্যাদাটো দিয়া হোৱা নাই। এই ক্ষেত্ৰত আমি গম পাইছিলো যে আমাৰ শিক্ষামন্ত্ৰী এইবাৰ কিবা সংশোধনী আনিব বুলি কৈছিল। আমি বহু দিন ধৰি এইটোৰ অপেক্ষা কৰি আছিলো যে ২০১৮ চনৰ Act ত যিটো সংশোধনী আনিলে, ইয়াত বহুত teaching and non-teaching, দুয়োটা section তে অলপ সংশোধনী আনিব লাগে, কাৰণ শিক্ষকসকলৰ ভিতৰত আমি দেখিছো যে অসমত কেইবা শ এনেকুৱা শিক্ষক আছে, যিসকলৰ TET কে আদি কৰি আন আন অৰ্হতা সম্পূৰ্ণভাৱে ঠিকে আছে, কিন্তু তেওঁলোকৰ এতিয়ালৈকে regularize হোৱা নাই, তেওঁলোকক tutor হিচাপে ৰখা হৈছে। non-teaching staff বহুতো কিন্তু এতিয়ালৈকে আইনৰ আওতাত পৰা নাই। দুৰ্ভাগ্যৰ কথাটো হ'ল ২০১৩ চনত যিবোৰ স্কুল প্ৰাদেশিকীকৰণ হৈছিল আৰু ২০২১ চনত যিবোৰ স্কুল প্ৰাদেশিকীকৰণ হৈছিল, সেই স্কুলবোৰ একে criteria আৰু একে category ৰ। স্কুল বিলাক venture একেসময়তে কৰা, একে নিয়মত recognised হোৱা। তেওঁলোকৰ qualification গোটেইখিনি একে। কিন্তু তেওঁলোক হৈ গ'ল regular আৰু তেওঁলোক হৈ গ'ল tutor। এই কথাটোৰ বাবে কিন্তু তেওঁলোকে বিভিন্ন জনৰ ওচৰত দাবী উত্থাপন কৰি আন্দোলন কৰি থাকে। এই যে বৈষম্যটো হ'ল, সেইটো আমি ভাবো যে শিক্ষামন্ত্ৰী ডাঙৰীয়াই সংশোধন আনি এই সমস্যাটোৰ চিৰ দিনৰ বাবে সমাধান কৰি দিয়ক। ইয়াৰ পিছত যাতে অসম বিধান সভাৰ মজিয়াত এই বিষয়টো আৰু উত্থাপন কৰিব লগীয়া নহয়। এই আশা ৰাখি মই মোৰ বক্তব্য ইমানতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াৰ প্ৰস্তাৱটোক সমৰ্থন জনাই মই ক'ব বিচাৰিছো যে ২০২১ চনৰ ৫ ফেব্ৰুৱাৰীৰ পৰা আগৰ আইনখনৰ মতে তেওঁলোকে fixed pay ত চাকৰি কৰি আছে। মুঠ কলেজ আছিল ২৯৭, হায়াৰ চেকেণ্ডাৰী ১৭২, হাইস্কুল ১২৮১ আৰু এম ই আৰু এল পি স্কুল ১৫৩৯ ইয়াত মুঠ ৩২৭১ জন মানুহে চাকৰি কৰি আছে আৰু তেওঁলোকে LDA ৰ দৰমহা পায় ১০ হাজাৰ, UDA 12400, Gr. IV - 8700 টকা। গতিকে এই যিখিনি non-teaching staff য়ে

২০২১ চনৰ ৫ ফ্ৰেব্ৰুৱাৰীৰ পৰা ইয়াত কাম কৰি আছে, তেওঁলোকক fixed pay ৰ সলনি এটা নিয়মীয়া হাৰত অন্যান্য কৰ্মচাৰীৰ দৰমহাৰ ব্যৱস্থা কৰি দিলে, কৰ্মচাৰী জনৰ লগতে পৰিয়ালটো উপকৃত হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী কমলক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলক্ষ্য দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যৰ আটাইতকৈ মহত্বপূৰ্ণ বিভাগটো হৈছে শিক্ষা বিভাগ। উন্নয়ন বুলি কলে অকল ৰাস্তা ঘাটৰ উন্নয়নেই নহয়, শিক্ষা ব্যৱস্থাটোৰ ওপৰত বহু পৰিমানে নিৰ্ভৰ কৰে। ইতিমধ্যে আমি দেখা পালো যে আমাৰ ৰাজ্যত শিক্ষা ব্যৱস্থাত আমোল পৰিবৰ্তন হৈছে আৰু আমি অসম কেবিনেটক ধন্যবাদ বনাইছো যে sub-committee বনোৱা হৈছে, য'ত কিছুমান সিদ্ধান্ত লোৱা হ'ব আৰু বিল খন অনা হ'ব। মই এটা কথাই ক'ব বিচাৰিছো যে আজি শিক্ষা সেতুকে আদি কৰি বহুতখিনি সিদ্ধান্ত লোৱা হৈছে। আজি tutor ৰ দৰমহাৰ এটা সমস্যা আছে, এই যিখিনি সৰু সুৰা সমস্যা আছে, মই ভাবো যে এই sub-committee জৰিয়তে এই সমস্যাবোৰৰ সমাধান হ'ব আৰু আমাৰ এই শিক্ষা ব্যৱস্থাটো আৰু আগবাঢ়ি যাব, ভাৰতবৰ্ষৰ বুকুত এটা স্থান ল'ব বুলি মই আশা ব্যক্ত কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি শিক্ষকৰ যিকোনে আইনৰ ক্ষেত্ৰত এটা কথা সদায় মনত ৰাখিব লাগিব যে Parliament য়ে পাছ কৰা শিক্ষা অধিকাৰ আইন এখন আছে। Elementary বা প্ৰাথমিক শিক্ষা খণ্ড class 8 লৈ।

দ্বিতীয়তে হ'ল যে শিক্ষক কোন হ'ব, কেনেকুৱা হ'ব, তেওঁলোকৰ provisional qualification কি হ'ব লাগিব, এই বিষয়খিনি নিৰ্ধাৰণ কৰি দিছে National Council of Teacher Education য়ে আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত University Grants Commission বা AICTE য়ে। এতিয়া Right to Education Act আমি মানি চলি আমাৰ প্ৰাদেশিকীকৰণ আইনখন আমি গ্ৰহণ কৰিছিলো। আমি National Council of Teacher Education (NCTE) ৰ norms মানি এই শিক্ষক আৰু Tutor ৰ ব্যৱস্থা কৰিছিলো। ২০১৭ চনৰ যিখন প্ৰাদেশীকৰণ আইন, সেই আইনখন যদি ভালকৈ পঢ়ি চাই, দেখিব যে তাৰ মুল কথাটো বিদ্যালয় প্ৰাদেশিকীকৰণ নাছিল, তাৰ মুল কথাটো আছিল বিদ্যালয়ত কৰ্মৰত ব্যক্তিসকলৰ সেৱাৰ প্ৰাদেশিকীকৰণ। কিন্তু তাত এই ব্যৱস্থাও আছিল যে কৰাবাত যদি প্ৰয়োজন হয়, বিদ্যালয়ৰ যদি অন্তঃগাথনি ভাল হয় আৰু বিদ্যালয়খনত যদি যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছে, তেনেহলে তাক self based school হিচাপে কৰাৰ ব্যৱস্থা আইনখনত আছিল। কিন্তু প্ৰাদেশিকীকৰণ কৰাৰ দিনাখনেই যে কিমান বিদ্যালয় self based হ'ব আৰু কিমান বিদ্যালয় বেলেগ বিদ্যালয়ত অন্তৰ্ভূক্ত হ'ল, সেই সংখ্যাটো নিৰূপিত হৈ থকা নাছিল। যোৱা বছৰ কেইটাত আমি দীঘলীয়া অনুশীলন কৰি এটা পৰিসমাপ্তিলৈ আহিছো যে আমাৰ ইমানখন বিদ্যালয় এটা self -base হিচাপে স্কুল সমূহ থাকিব আৰু বাকী স্কুলসমূহ অন্য স্কুলৰ লগত চামিল হ'ব। এতিয়া পদ সমূহ retentionৰ প্ৰয়োজন হ'বনে নহয়, পদ সমূহ personal post হিচাপে তাৰ অৱসৰ লগে লগে সমাপ্তি ঘটিব, নে সেই পদ সমূহক এটা স্থায়ী retention দি তাক carry forward কৰা হ'ব বা সেই তাত যেতিয়া এজন ব্যক্তিয়ে অৱসৰ গ্ৰহণ কৰিব তাৰ বিপৰীতে আকৌ নতুনকৈ নিযুক্তি কৰা হ'ব নে নহ'ব এই সিদ্ধান্তটো ল'বৰ কাৰণে প্ৰথম আমাক এই তথ্যটো দৰকাৰ যে

কিমানখন স্কুল self-base হ'ল আৰু কিমান খন বিদ্যালয় বেলেগ স্কুলৰ লগত চামিল কৰণ কৰা হ'ল। এই দাতাখিনিৰ ক্ষেত্ৰত আমি এটা সমাপ্তিলৈ আহিছো আৰু এটা সিদ্ধান্ত ল'ব পৰা পৰ্য্যায়ত উপনিত হৈছো আৰু উপযুক্ত সময়ত আমি নিশ্চিত হলে সিদ্ধান্ত গ্ৰহণ কৰিম। ২০২১ চনৰ আইনৰ খনৰ যিসকল আওঁতাৰ ভিতৰলৈ নাহিল কিন্তু তেওঁলোকে ভাৱে যে তেওঁলোকৰ যুক্তি যুক্ততা আছে, এনে বহু সংগঠন, ব্যাক্তিৰ আবেদন নিবেদন আমি যোৱা সময়খিনিত পাইছো। আৰু এই পোৱা আবেদন নিবেদনখিনিৰ ভিত্তিত কেবিনেটে এখন উপ-সমিতি গঠন কৰি দিছে। যে এই আবেদন নিবেদন খিনি পৰীক্ষা কৰা আৰু কোনো সংশোধনীৰ প্ৰয়োজনীয়তা আছে নেকি এইটো বিবেচনা কৰাৰ কাৰণে। যোৱা কালি কেবিনেট উপ-সমিতি য'ত আমাৰ মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়া, মাননীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া তাত সদস্য হিচাপে অন্তৰ্ভূক্ত হৈ আছে যোৱা কালি কেবিনেট উপ-সমিতিয়ে তন্ন তন্নকৈ, দফা দফাকৈ আমি বস্তুবিলাক পৰ্য্যালোচনা কৰি চাইছো আৰু মই আশা ৰাখিম কেবিনেট উপ-সমিতিয়ে খুব সোনকালে এটা ৰিপোৰ্ট দিব। মাননীয় বিধায়ক সকলক মই আস্বস্ত হ'বলৈ অনুৰোধ জনাইছো যিহেতু এখন কেবিনেট উপ-সমিতিয়ে এই বিষয় সমূহ পৰীক্ষা কৰি আছে তেন্তে আমি কেবিনেট উপ-সমিতিয়ে কি প্ৰতিবেদন দিয়ে কি সিদ্ধান্তত উপনিত হয় আজি মই মন্ত্ৰী হিচাপে একো মন্তব্য নিদিও কাৰণ এতিয়া যিহেতু মোৰ ওপৰত এখন কেবিনেট উপ-সমিতি আছে গতিকে কেবিনেট উপ-সমিতিৰ প্ৰতিবেদনলৈকে অপেক্ষা কৰিবলৈ মই মাননীয় বিধায়কসকলক অনুৰোধ জনাইছো আৰু সকলো সমস্যা নীতিৰ আধাৰত প্ৰচলিত ব্যৱস্থাৰ আধাৰত আৰু যি কেন্দ্ৰীয় আমাৰ আইন আছে Right to Education Act আৰু National Council for Teachers Education Act যি আছে তাৰ আধাৰতে আমাৰ ব্যৱস্থাখিনি গঢ়ি তুলিম, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ উপাধ্যক্ষ মহোদয়, এটা অনুৰোধ আছে এই উপ-সমিতি যে গঠন কৰিছে যিহেতু বিধান সভাত কথাটো আলোচনা হৈছে যি সমূহ বিধান সভা সমষ্টিত এনেকুৱা বিদ্যালয়, মহাবিদ্যলয়ৰ ওপৰত কথা বাৰ্তা বোৰ চলি আছে, মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম কেবিনেট উপ-সমিতিয়ে সেই বিধায়ক সকল, যি সকল বিধায়কৰ এলেকাত আছে স্কুল সমূহ এবাৰ তেখেত সকলৰ লগত আলোচনা কৰিব লাগে।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ ছাৰ, এটা কথা। মন্ত্ৰী মহোদয়ে ভাল কথা কৈছে কেবিনেট উপ-সমিতি হৈছে আৰু চালিজাৰি চাই আছে, তেখেতে কৈছে যে RTE Act হিচাপে কাম খিনি হৈ আছে কিন্তু 3rd grade, 4th grade ৰ ক্ষেত্ৰত ২০২১ চনত যি সকলক provincialized কৰিলে এল পি ৰ পৰা কলেজ লেভেললৈকে লাইবেৰিয়ান বা 3rd grade, 4th grade কোনো Qualification ৰ bar নাই। গতিকে এই সকলকো ৰেগুলাৰ কৰিব পাৰে। বাকী ২০১৩ ত যি সকলক ৰেগুলাৰ কৰিছিল RTE Act হোৱাৰ পিছতো ২০১৩ ত যেনেকুৱাকৈ কৰিছিল ২০২১ চনতো তেনেকুৱাকৈ কৰিব পাৰে। গতিকে কেবিনেট উপ-সমিতি যাতে এই কথা বিলাক ধ্যানত ৰাখি এইখিনি এমেণ্ডমেন্ট কৰে এইখিনি অনুৰোধ থাকিল।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, জানি সুখী হলো মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তব্যৰ পৰা যে কেবিনেট উপ-সমিতি এই গোটেই ইচ্ছু বিলাক আইনৰ সংশোধনীৰ প্ৰয়োজনতা

আছে নে নাই, ইচ্ছু যি বিলাক আছে এই গোটেই কথা তন্ন তন্নকৈ আলোচনা হৈ আছে গতিকে আজি মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আজি অনুৰোধ কৰিব বিচাৰিছো যাতে কেবিনেট উপ-সমিতিয়ে আজি আলোচনা হোৱা কথা কেইটা আমাৰ হৈ আপুনি যাতে দাঙি ধৰে তাৰে মূল কথা হৈছে যে The Assam Education (Provincilalization of Services for Non-Teaching Staff of Venture Educational Instituitions Act, 2018), ৰ Clause- 6 Section-2 and Section-3 ইয়াৰ এমেণ্ডমেন্টৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। যি এমেণ্ডমেন্টৰ দ্বাৰা যিটো personal post creation ৰ কথাটো নাকচ কৰি এইটো কেদাৰ পোষ্ট ক্ৰিয়েচনৰ কথাটো হলে ভাল হয়। আৰু যিটো ফিক্স পে ৰ যিটো কথা কোৱা হৈছে ফিক্স পে নহয় তেওঁলোকক চৰকাৰী কৰ্মচাৰী হিচাপে যিহেতু recognize কৰা হৈছে যে চৰকাৰী কৰ্মচাৰী, চৰকাৰী কৰ্মচাৰী হিচাপে recognize কৰাৰ পিছত যি ৰেংকত যিটো চেলাৰী আহে সেই মতে তেওঁলোকক regularise কৰিব লাগে বুলি মই দাবী কৰিছো। পৰৱৰ্তী এই অনা শিক্ষক যি সকল আছে ৩৪৮৮ জন যিটো অনা শিক্ষক কৰ্মচাৰী আৰু assistant librarian, এই দুটা কৈ আপোনালৈ কপি পঠিয়াই দিও মোৰ তাত কপি আছে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। আপুনি প্ৰস্তাৱটো Withdraw কৰিছে নে নাইকৰা?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল** ঃ Withdraw নিশ্চয় কৰিম আৰু পৰৱৰ্তী ইয়াত হাউচত হয়তো শিক্ষা বিষয়ৰ ওপৰত আলোচনা আছে, মোৰো এটা বিল আছে অহা ৭ তাৰিখে আহিব।

**মাননীয় উপাধ্যক্ষ** ঃ ৭ তাৰিখৰ টো আজি কিয়? ৭ তাৰিখৰটো ৭ তাৰিখেই পাতিব। এতিয়া নহয়।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল** ঃ শিক্ষা বিভাগৰ ওপৰত কোনোবা এদিন ভাল আলোচনা হলে যিমান ইচ্ছু আছে।

**মাননীয় উপাধ্যক্ষ** ঃ আলোচনা হৈ গৈছে সদনত শিক্ষাৰ ওপৰত।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল** ঃ কেবিনেট উপ-সমিতিত তেওঁলোকে সিদ্ধান্ত লোৱাত যথেষ্ট সহায় হ'ব বুলি মই ক'ব পাৰো, মই এই দাবীখিনি ৰাখি মই মোৰ resolution withdraw কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। যিহেতু মাননীয় সদস্য শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াই সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে, গতিকে উক্ত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ সদনৰ সন্মতি আছে নে? যি সকল সপক্ষে আছে কওঁক 'হয়', যি সকল বিপক্ষে আছে কওঁক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া Item no. 12 &13 পৰৱৰ্তী সময়ত আলোচনা কৰিম ।

সদন ৫-৩-২০২৫ ইংৰাজী তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।